## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhi | |
| Translated Title: | |
| Place of Publication: Kolkota (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

৭/৮ সপ্তম বছৰ চতুৰ্থ সংখ্যা

বিষয় পিৰ্ঠি


সম্পাদকৰ চ'ৰা ১৬৯

ঈশ্বৰ শ্ৰী কৃষ্ণ ১৮০

জৰ্মানিৰ ৰাষ্ট্ৰনীতিবাদ ১৮৯

মিনিষ্ট্ৰি ১৯৫

বৰবৰুৱাৰ চিন্তাৰ ঢৌ ২১৩

সৃষ্টিৰ পাতনি আৰু তাৰ ক্ৰমবিকাশ ২১৮

# সম্পাদকৰ চৰা।

আজিকালি আগৰ কালৰ যুদ্ধৰ প্ৰণালী উলটিল। আগেয়ে দুই পক্ষৰ সৈন্যই সমুখাসমুখী হৈ দেখাদেখিকৈ যুদ্ধ কৰিছিল। আজিকালি দুই দলৰ কোনেও কাকো দেখিবলৈ নাপায়; কাৰণ সিহঁতে গাট খানি তাৰ ভিতৰত সোমাই থাকি তাৰপৰা যুদ্ধ কৰে। তাৰপৰা বিপক্ষদলৰ গাটৰ ওপৰত নানা প্ৰকাৰৰ হিলৈৰ-গুটি বৰষিবলৈ ধৰে। ফ্ৰান্সৰ ফালে হোৱা যুদ্ধৰ ঠাইত এইদৰে সৈন্য সোমাই থাকি যুদ্ধ কৰিবলৈ কৰা দীঘলীয়া গাট খানোতে সম্ভৱতঃ কিমান মাটি খনা হৈছে, তাৰ এটা আন্দাজী হিচাপ এজন ফ্ৰেন্স বণুৱাই কৰিছে। নৰ্থ-চিৰ পৰা ( উত্তৰ-সাগৰ ) চুইজৰ্লেণ্ডলৈ দীঘলীয়াকৈ খনা একোশাৰী গাট প্ৰায় ৫০০ মাইল দীঘল। দুই পক্ষৰে এনেকুৱা পাঁচ ছয় শাৰী গাট। গৰে পাঁচ শাৰীকৈ ধৰিলে দুইফালৰ মোট দহ শাৰী গাট প্ৰায় ৫০০০ মাইল হব। আমেৰিকাৰ বিখ্যাত পানামা খাল ( পানামা কেনেল ) খানোতে যিমান মাটি খনা হৈছে, তাৰ দুগুণ মাটি এই গাটবোৰ খানোতে খনা হৈছে; আৰু কলেৰে নহয়,—চিপাহীয়ে চিপ্ বাং কোৰ আদিৰে। আৰু কেতিয়া কেনে অৱস্থাত?—সিহঁতৰ ওপৰত বিপক্ষৰ হিলৈৰ গুলি বৰষি থাকোতে সিহঁতে পেটপেলাই আৰু চুচৰি!

• • •

সিদিনা ফ্ৰান্সত আমাৰ ৰজা পঞ্চম জৰ্জে ঘোৰাৰ পিঠিত উঠি, সৈন্যৰ কাৱাজ চাই থাকোতে পৰি বৰ টান পালে। পৰাৰ কাৰণ, সৈন্যবোৰে ৰজাক দেখি আনন্দত হৈধ্বনি দিয়াত ঘোৰাই ভয় খাই জঁপিবা বাবে। নেপোলিয়ান বোনাপাৰ্ট পকা "ঘোৰ-চোৱাৰ" নাছিল, সেইদেখি তেওঁ উঠা ঘোৰাক এনেকৈ শিকোৱা হৈছিল যে কলৈ বাকী নাই:—সম্ৰাট উঠিবলৈ শিকোৱা ঘোৰাবোৰক থিয়কৈ ৰাখি নানা ৰকমৰ শাস্তিতো লৰিব-চৰিব নোৱৰাকৈ থোৱা হৈছিল। সিহঁতৰ মুৰত মাৰ আৰু খুন্দা লগোৱা

হৈছিল, কাষত ঢোল বজোৱা হৈছিল, কাণৰ ওচৰত পিষ্টল আৰু ফটকাৰ আৱাজ" কৰা হৈছিল, চকুৰ আগত বস্তা, কলা, আদি নানা বৰণীয়া পতাকা ঘূৰোৱা হৈছিল, ঠেঙৰ মাজলৈ আপচু টোপোলা পেলাই দিয়া হৈছিল, আৰু কেতিয়াবা কেতিয়াবা মেৰ-ছাগ আৰু গাহৰি একোটা পেলাই দিয়া হৈছিল। যেতিয়ালৈকে সেই ঘোঁৰাবোৰ এনে অৱস্থাটো থিৰ থাকিব পৰা নহৈছিল, তেতিয়ালৈকে সেই ঘোঁৰা সম্রাট উঠিবৰ যোগ্য বিবেচিত নহৈছিল। নেপলিয়ানে ঘোঁৰা সদায় বৰকৈ চেকুৰাই যোৱাটোহে ভাল পাইছিল।

* * *

"কায়স্থ-পত্রিকা" নামেৰে বঙ্গলা মাহেকীয়া কাকত এখনৰ পৰা আমি তলত গোটাচেৰেক কথা টুকি দিলো :—

"তুমি যতই না জড় নিয়া জীবনে গঠন কৰ, সে ভিত্তি ভাঙ্গিয়া পড়ে। যতক্ষণ আমৰা জড়বাদেৰ ভিতৰ দিয়া ঐশীশক্তিৰ ছায়া দেখিতে না পাইব, ততক্ষণ জাতিকে সবল বলিয়া বিশ্বাস কৰিতে পাৰা আমাদেৰ পক্ষে অসম্ভব। * * বৰ্ত্তমান শিক্ষাপ্ৰণালী আমাদেৰ উপযোগী নহে। কাৰণ এশিক্ষায় আমাদিগকে জাতিগত ভাবে বিশেষ কিছুই লাভ কৰাক বা না কৰাক প্ৰকাণ্ড জ্ঞানচৰ্চ্চাৰ পথে যতটা অগ্ৰসৰ কৰাইয়াছে, তাহাতে আমৰা আদৌ সুখী হইতে পাৰি নাই। ইহাতে আমাদেৰ চিন্তাশক্তি উন্মেষেৰ পথে এতটা ব্যাঘাত জন্মাইয়াছে যে, 'কৰিয়া খাবাৰ' পথ একেবাৰে ৰুদ্ধ কৰিয়া দিয়াছে। স্বীয় ধীশক্তিৰ বিকাশ মানবজীবনেৰ জীবিতাবস্থাৰ লক্ষণ। কিন্তু এক্ষেত্ৰে একান্ত অভাব। * * আমাদেৰ শিক্ষায় ধৰ্ম্মেৰ অভাব! বৰ্ত্তমান শিক্ষা যাহা আমৰা স্কুল কলেজে লাভ কৰিতেছি, তাহা আমাদিগকে ঈশ্বৰেৰ প্ৰতি আস্থা বা বিশ্বাস স্থাপন কৰা হইতে অন্য কিছু দিতেছে। এমন কি, আমাদেৰ হৃদয় হইতে ভক্তি জিনিষ একেবাৰে উৎপাটিত কৰিয়া দিতেছে বলিলেও অত্যুক্তি হইবে না। যে ধৰ্ম্মবিশ্বাসেৰ অভাব বা ধৰ্ম্মশিক্ষাৰ অভাব উহাৰ হাত হইতে পৰিত্ৰাণ পাইবাৰ জন্য ...উপায় দেশেৰ যুবক সমাজ। দেশেৰ যখনই কোন হিতকৰ অনুষ্ঠানেৰ সাধন হইয়াছে, যুবক সমাজ তাহাৰ কৰ্ম্মী।....আমাদেৰ দেশেৰ যুবকগণেৰ



মধ্যেও এই ধৰ্ম্মভাব যাহাতে প্ৰবলতৰ ভাবে বিস্তাৰ হইতে পাৰে, তাহাৰ উপায় কৰাই স্কুল ও কলেজ প্ৰদত্ত শিক্ষাৰ অন্যতম চৰমোদ্দেশ্য হওয়া বাঞ্ছনীয়। বিস্ময়েৰ বিষয় এই. বৰ্ত্তমানে দেশেৰ আশা ভৰসাৰ স্থল এই যুবক সমাজ অত্যধিক পৰিমাণে তাৰ্কিকতাৰ মোহে মোহিত হইয়া ধৰ্ম্মেৰ নামে জলাঞ্জলি দিতে প্ৰস্তুত। বিদ্যালয়ে ধৰ্ম্মশিক্ষাৰ ব্যবস্থাই এ ভীষণ ভাব বিদূৰিত কৰিতে একমাত্ৰ ব্ৰহ্মাস্ত্ৰ। ...ইহাই সৰ্ব্বপ্ৰধান আলোচনাৰ বিষয়-ৰূপে পৰিণত হউক. সৰ্ব্বোপৰি আমৰা চাহি শিক্ষা; আমৰা চাহি শিক্ষাৰ মূলে ধৰ্ম্মভাব; এবং আমৰা চাহি সেই ধৰ্ম্মশিক্ষাৰ ফলস্বৰূপ দেশহিতৈষণা ও পৰোপকাৰ। * যুবকজীবনেও ইতিহাসে আমৰা দেখিতে চাহি—গুৰুভক্তিৰ চিত্ৰ, পিতৃমাতৃভক্তিৰ জলন্ত দৃষ্টান্ত—সত্যেৰ জন্য সৰ্ব্বস্ব দান—ভ্ৰাতাভগ্নীৰ জন্য অকাট্য বাৎসল্য। পঠদ্দশায় ব্ৰহ্মচৰ্য্য, ব্ৰতাবলম্বন, সাহস তাহাদিগেৰ হৃদয় অধিকাৰ কৰিয়া বসুক। তাহাদেৰ বিলাসিতায় ব্যয়িত অৰ্থ দেশেৰ দুৰ্ভিক্ষ প্ৰপীড়িত জনগণেৰ দু'বেলাৰ অন্ন সংস্থান কৰুক। আবাৰ তাহাদেৰ হৃদয় দুঃখীৰ দুঃখ দেখিয়া কাঁদুক। আমৰা দেখিতে চাহি—তেমন কোমল ভাবটী যাহা প্ৰকৃতিৰ নিয়ম পালন কৰিতে মস্তক অবনত কৰে। কিন্তু ঘৃণা কৰি সেই ভাব—যাহা তথাকথিত সভ্যতায় মাৰ্জ্জিত হইয়া অপ্ৰকৃত ও অননুমোদিত ভাবে অভিনয় কৰিতে বাধ্য কৰে। জাতিকে উন্নত কৰিতে হইলে আৰ একটী প্ৰধান উপায় সমাজেৰ নিম্নশ্ৰেণীৰ মধ্যে শিক্ষা বিস্তাৰ কৰা। আমৰা এযাবৎ যত বিষয় আলোচনা কৰিয়াছি, চিৰদিনই আত্মোন্নতি তাহাৰ চৰম লক্ষ ৰাখিয়া। কিন্তু তাহাকে আমৰা স্বাৰ্থপৰতাৰ নামে দোষণীয় বিবেচনা না কৰিলেও উহাৰ নামান্তৰ বলিতে পাৰি। বিশেষতঃ সমাজেৰ উচ্চশ্ৰেণীতে কতজন লোক বিদ্যমান আছেন? যখন জনসাধাৰণ শিক্ষাৰ নামমাত্ৰ বিদিত নহে, দেশ তখন সম্পূৰ্ণ শিক্ষা-বিহীন। এবং দেশকে তখনই শিক্ষিত বলিতে পাৰা যায়, যখন দেশেৰ জনসাধাৰণ শিক্ষিত। এবং আমাদেৰ যত সুখ সম্পদ তাহা যদি সমাজেৰ নিম্নশ্ৰেণীৰ প্ৰতি নিৰ্ভৰ কৰে, তখন তাহাদিগেৰ শিক্ষা দিয়া তাহাদেৰ মানসিক বৃত্তিনিচয় অধিকতৰ ভাবে উন্মেষ কৰিয়া দিয়া ৰূপান্তৰে আমাদেৰই সুখেৰ পথ প্ৰশস্ত কৰিতে হইবে। এবং একাৰ্য্য একমাত্ৰ তাহাদিগেৰ

জন্যই অপেক্ষা করিতেছে—যাহারা উচ্চশিক্ষা লাভে ব্রতী রহিয়াছেন। তাহাদিগকেই আত্মত্যাগ স্বীকার করিয়া স্বার্থের নামে জলাঞ্জলি দিয়া সমাজের নিম্নশ্রেণীর জনগণের দ্বারে দ্বারে যাইয়া শিক্ষা বিস্তার করিতে হইবে। তাহাদিগকে অনিচ্ছা সত্বেও বুঝাইয়া দিতে হইবে শিক্ষার কি উপকারিতা। তাহাদের কর্ম্মজীবনে শিক্ষার বিশাল উপযোগিতা তাহাদিগকে হৃদয়ঙ্গম করাইয়া দিতে হইবে। এবং প্রকৃতপক্ষে এবম্বিধ আত্মত্যাগই আমাদের প্রার্থিত দেশ-হিতৈষণার দৃষ্টান্ত জ্ঞাপন করিবে। এবং দেশকে শিক্ষিত করিতে হইলে, ইহা ভিন্ন উপায়ান্তর আমাদের জন্য বিদ্যমান নাই।"

ওপৰৰটোৰ্দা ডোখৰ আমাৰ অসমতো লাগতিয়াল। শিক্ষিতসকলে ভাবি চাব।

• • •

জর্ম্মাণ আৰু ইংৰাজৰ ভিতৰত ৰঙাৰপৰা প্ৰজাসকলে ইমান বিয়াৰ বাম্ভৰ যে এতিয়া এই মহাযুদ্ধত তেওঁলোকৰ ভিতৰৰ অনেক বঙহ পৰিয়ালে বিপৰীত পক্ষত থাকি নিজৰ মানুহৰে সৈতেই যুদ্ধ কৰিব লগাত পৰিছে। দুই পক্ষৰ অনেক ডাঙৰ ডাঙৰ বিষয়াৰ ভিতৰতো এনে দৈব দুৰ্ব্বিপাক ঘটিছে। ইংৰাজৰ ফালৰ ডাঙৰ যুদ্ধাৰু বিষয়া এজনৰ আপোন মানুহ এজন জর্ম্মাণিৰ বার্লিনৰ গুপ্ত-পুলিচ-বিভাগৰ বৰ মুৰীয়া। জর্ম্মাণিৰ সম্রাট কাইচৰেৰে আমাৰ সম্রাট জৰ্জ কেনে গুচৰীয়া সম্বন্ধ সকলোৱেই জানে। এইখন যুদ্ধও মহাভাৰতৰ যুদ্ধৰ নিচিনা নিজৰ ভাই ককাই বঙহ পৰিয়ালৰ ভিতৰতে। তাতো বিস্তৰ লোকক্ষয়, ইয়াতো সেই কথাই। দুৰ্য্যোধনে মাকক সেৱা কৰি যুদ্ধলৈ যাবৰ সময়ত আশীৰ্ব্বাদ লওঁতে গান্ধাৰীয়ে পুতেকক কৈছিল "বোপা, যতোধৰ্ম্মস্ততো জয়ঃ" বুলি। সেই কথাৰ পুনৰ আবৃত্তি আৰু পুনৰ তেনে ফল অবশ্যম্ভাবী। ধৰ্ম্মৰ ফালে থকা ইংৰাজৰ, মুৰকত জয় নিশ্চয়।

• • •

মুচো ফ্ৰেইচিনেট বৰ্ত্তমান ফ্ৰান্সৰ মন্ত্ৰী সভাৰ এজন মন্ত্ৰী। এওঁৰ বয়স ৮৮ বছৰ। ইংলণ্ডৰ গ্লেডষ্টোনে ৮৪ বছৰ বয়সত মহামন্ত্ৰীৰ বিষয় এৰে। লৰ্ড ক্ৰেণ্‌ক্ৰকে মন্ত্ৰীসভা এৰে ৭৮ বছৰ বয়সত। পামৰ্ষ্টনে ৮১ বছৰ বয়সত মন্ত্ৰীসভা এৰে আৰু তেওঁৰ মৃত্যু হয়। ফ্ৰেন্স মন্ত্ৰী ফ্ৰেইচিনেট বয়সত ইংৰাজ মন্ত্ৰীসকলবো ওপৰে গল।



• • •

আজিকালি জর্ম্মাণৰ আকাশী-যুদ্ধৰথ জেপেলিনৰ ইমান নাম শুনিবলৈ পোৱা যায়। কাউণ্ট জেপেলিন নামেৰে জর্ম্মাণ এজনে এই ৰথ সৃষ্টি কৰিছে দেখি তেওঁৰ নামেৰে ইয়াক জেপেলিন বোলে। এই জেপেলিন নামৰ মানুহজন ১৮৭০ খৃষ্টাব্দত ফ্ৰেন্স আৰু জর্ম্মানিৰে সৈতে লগা যুদ্ধতো আছিল, কিন্তু তেতিয়া তেওঁ এজন নগণ্য বণুৱা আছিল, আৰু এদিন এখন যুদ্ধত ফ্ৰেন্স সেনা জনচেৰেকৰ হাতত পৰি, কোনোমতে পলাই সাৰি প্ৰাণ ৰক্ষা কৰিছিল।

• • •

পিয়াৰীচাঁদ মিত্ৰ, যি টেকচাঁদ ঠাকুৰ নাম লৈ "আলালৰ ঘৰৰ দুলাল" নামেৰে প্ৰথমতে চলিত উদ্ধু বঙ্গলাভাষাত কিতাপ লেখিছিল। তেওঁ সংস্কৃতীয়া কৰি বঙ্গলা ৰচনা কৰা পণ্ডিতসকলৰ সেইবাৰে প্ৰথমতে চকুৰ কুটা দাতৰ শাল হৈছিল। কিন্তু শেষত পিয়াৰী চাঁদৰ ৰচনাৰ যে জয় হল, সেইটো সকলোৱেই দেখিছে। পিয়াৰীচাঁদে যি ভাষা আৰু যি ৰচনা প্ৰণালী অৱলম্বন কৰিছিল, বঙ্কিমচন্দ্ৰৰ হাতত সি সম্পূৰ্ণতা লাভ কৰিলে। বঙ্কিমে নিজেই কৈ গৈছে যে "আলাল" কিতাপেই জাতীয় বঙ্গলা সাহিত্যৰ প্ৰথম গ্ৰন্থ।"

• • •

উত্তৰ বঙ্গৰ বগুৰা জিলাৰ অন্তৰ্গত খেতলাল থানাৰ এলাকাত থকা শিলিমপুৰ নামে মৌজাত এটা খেতিয়কে হাল বাওঁতে এখন কলা শিলৰ ফলি পাইছিল। সেইখনত লেখা থকা সংস্কৃত শ্লোকবোৰৰ পাঠোদ্ধাৰ শ্ৰীযুত ৰাধাগোবিন্দ বসাক এম, এ, অধ্যাপকে কৰিছে। তাৰ এটা শ্লোকত আছে যে সেই ফলিখনত লেখা প্ৰহাস নামে ব্ৰাহ্মণজনক মহাপ্ৰভাৱশালী জয়পাল দেৱ নামেৰে এজন কামৰূপৰ ৰজাই তুলাপুৰুষ দানৰ সময়ত ন শ সোণৰ মোহৰ আৰু দহ শ টকা আয় হোৱা এডোখৰ মাটি দান

কৰিবলৈ বৰকৈ অনুৰোধ কৰাতো ব্ৰাহ্মণজনে সেই দান লবলৈ স্বীকাৰ নকৰিলে। বসাক মহাশয়ে অনুমান কৰিছে যে প্ৰাগজ্যোতিষপতি ব্ৰহ্মপালৰ প্ৰপৌত্ৰ, ৰত্নপালৰ পৌত্ৰ, পুৰন্দৰপালৰ পুত্ৰ ইন্দ্ৰপালৰ পিছৰ এই জয়পাল ৰজা। আগৰ দিনত আসাম কামৰূপৰ ৰজাসকলৰ ৰাজ্য, প্ৰতাপ আৰু গুণৰ বিস্তৃতি কিমান দূৰলৈকে আছিল, অনেক প্ৰমাণৰ ভিতৰত এই শিলৰ ফলিখনও এটা। উত্তৰ বঙ্গও যে আগৰ কামৰূপৰ ভিতৰৰা দেশ আছিল তাকো ই কৈ দিয়ে। আজিকালিহে অসমীয়াৰ গাত তেল নোহোৱাত অসমীয়া ফপৰীয়া হৈছে; আৰু বঙ্গদেশৰ বঙ্গালীয়ে অসমীয়াৰ পিঠিত উঠি কৈছে যে আমাৰ হে তহঁত খুৰা! প্ৰহাসৰ নিচিনা প্ৰকৃত নিৰ্লোভী সদ্‌ব্ৰাহ্মণৰ এই কাৰ্য্যৰ কথা পঢ়ি,—ৰাজদত্ত মাটি বাৰী ধন সম্পত্তিলৈ লোভ কৰি, ব্ৰাহ্মণৰ নিজৰ গুণ স্মৃতি পাহৰি বৰ লোক হোৱা আৰু হবলৈ যত্ন কৰি চকুৰ লোপনি খেদোৱা প্ৰকৃত ব্ৰাহ্মণৰ স্থান চ্যুত আসনচ্যুত লুভীয়া নাম-মাত্ৰ বামুণ—অথচ বামুণৰ প্ৰাপ্য মান সৎকাৰৰ ষোল অনা দাবি কৰি শূদিৰ ওপৰত টিংথপ মাৰিবলৈ যোৱা বামুণসকলে—আৰু ঘাইকৈ বৈষ্ণব নামধাৰী বামুণসকলে লাজত তল-মূৰ কৰা উচিত। তেওঁলোকে পাহৰে যে শূদিৰ ব্ৰাহ্মণ-বিদ্বেষী নহয়, বৰং সজ প্ৰকৃত ব্ৰাহ্মণৰ ওচৰত তেওঁলোক চিৰকাল কৃতজ্ঞ আৰু মূৰ দোৱাঁই থকা; কিন্তু যাৰোন বামুণৰ ঘৰত জনম পোৱা বাবেই, অথচ ব্ৰাহ্মণৰ সৰ্ব্বগুণবিবৰ্জ্জিত আৰু ইতৰ জাতিৰ সৰ্ব্বগুণসম্পন্ন হৈ ব্ৰাহ্মণৰ মিছা দাবি কৰি জুৱাচুৰি কৰিব খোজোতাবোৰকহে শূদিৰে নামানি খিণ কৰি নিজৰ আত্মসম্মান ৰক্ষা কৰে।

* * *

নেপোলিয়ন বোনাপাৰ্টে ১৬ বছৰ বয়সত সৈন্যদলত সোমায় এজন সামান্য চিপাহী হৈ; ১৭ বছৰত জুনিয়ৰ লেফ্‌টিনেণ্টৰ পদ পায়; ২৪ বছৰত টুলনত আৰ্টিলেৰিৰ কমাণ্ডৰ হয় আৰু তাৰ পিছত বিগ্ৰেডৰ জেনেৰল হয়; ২৭ বছৰ বয়সত ইটালিত ফ্ৰেন্স সৈন্যৰ কমাণ্ডৰ সেনাপতি হয়; ২৮ বছৰত বিভোলিৰ যুদ্ধ জিকি কাৰ্য্যত গোটেই ফ্ৰান্সৰ ডিক্‌টেটৰ (কৰ্ত্তা) হয়। আলেক্‌জেণ্ডাৰ ডি গ্ৰেট ২২ বছৰ বয়সত বিখ্যাত যোদ্ধা



আৰু নায়ক হয়। জুলিয়চ চিজৰে ৪৪ বছৰত গল (Gaul) জয় কৰে। হানিবলে ২৯ বছৰ বয়সত এল্পচ্‌ পৰ্ব্বত তেওঁৰ সৈন্যেৰে সৈতে পাৰ হয়। উলিয়েম দি চাৰ্লমেনেও ৩১ বছৰ বয়সত এল্পচ সেই দৰে পাৰ হয়। ইংলণ্ডৰ ৰজা ৰিচাৰ্ড কঙ্কৰে ৩৮ বছৰ বয়সত হেষ্টিংচৰ যুদ্ধ জিকে। ইংলণ্ডৰ ৰজা ৰিচাৰ্ড কোৰ দি লায়নে ৩৪ বছৰত একৰ (Acre) যুদ্ধ জিকে। ইংলণ্ডৰ ব্লেক প্ৰিন্স ২৬ বছৰত ফ্ৰান্সত পইটিয়েৰ্চৰ যুদ্ধত জয়ী হয়। ৰজা হেনৰি (৮ম) ২৮ বছৰত বচ্‌ৱৰ্থৰ যুদ্ধত জয়ী হয়। ৱেলিংটনে ৩৪ বছৰত এচেই (Assaye) যুদ্ধত জয়লাভ কৰে। এতিয়াৰ মহাযুদ্ধত যিকেইজন ইংৰাজ জেনেৰল আছে, তেওঁলোকৰ বয়স—৬৭, ৬৭, ৫৫, ৫৪, ৬৩, ৬৩, ৬২, ৬১, ৬০, ৫৯, ৫৯, ৫৯, ৫৯, ৫৮, ৫৮, ৫৭, ৫৪, ৫৪।

* * *

নেপালৰ আগৰ মহামন্ত্ৰী মহাৰাজা স্যাৰ জং বাহাদুৰৰ নাতিয়েক চেকেণ্ড লেফ্‌টিনেণ্ট ৰাণা যোধসিংহ জং বাহাদুৰে বৰ্ত্তমান মহাযুদ্ধত ৩৯ ঘৰৱাল ৰাইফোল নামৰ ফৌজেৰে সৈতে গৈ ফ্ৰান্সত যুদ্ধ কৰিছিল। তেওঁৰ বয়স বৰ কম, মুঠেই ৫ বছৰ। বৰ্ত্তমান নেপালৰ ৰজাৰ তেওঁ ভতিজাক। তেওঁ যুদ্ধত খুব সাহ দেখুৱা বাবে আমাৰ ৰজাই তেওঁক "মিলিটেৰি ক্ৰচ" দি বিভূষিত কৰিছে। তেওঁৰ ককাক জং বাহাদুৰে মিউটিনি, অৰ্থাৎ ইয়াত চিপাহী বিদ্ৰোহৰ সময়ত ইংৰাজক বৰ সহায় কৰিছিল। এতিয়াও নেপালৰ ৰজাই এই যুদ্ধত ইংৰাজক ধন আৰু মানুহেৰে বিস্তৰ সহায় কৰিছে। ডেকা যোধসিংহ যুদ্ধত আহত হৈ এতিয়া বিলাতৰ আস্পতালত আছে। ভাল হলেই আকৌ যুজলৈ যাবলৈ তেওঁ উৎকণ্ঠিত হৈ আছে। (৪ ডিচেম্বৰ, '৯১৫)।

* * *

মানুহৰ এটাইতকৈ মহাশত্ৰু ভয়, অথচ তাৰ বাহ মানুহৰ নিজৰ গাতে। যুদ্ধক্ষেত্ৰতো এই মহাশত্ৰুৱেই অনেক মহা মহা বীৰক জিনে। পৃথিবীৰ ডাঙৰ ডাঙৰ যোদ্ধাসকলেও এই শত্ৰুৰ আক্ৰমণত থৰযুগুতি এৰিব লগীয়া হয় বুলি স্বীকাৰ কৰিছে। ইংলণ্ডৰ ৰজা চতুৰ্থ হেনৰিয়ে খোলাখুলিকৈয়ে কৈছিল, যে তেওঁ প্ৰত্যেকখন যুদ্ধৰ আগতে বৰ ভয়

খাইছিল। মাৰ্চেল নেয়ে (Marshall Ney) যুদ্ধৰ আগতে লেখি পঠিয়াইছিল যে "মই ভয়ত কঁপিব লাগিছোঁ, যি যুদ্ধৰ আগতে ভয়ত কঁপা নাই বুলি কয় সি মিছলীয়া।" অথচ এই মাৰ্চেল নে এনে সাহসীৰো সাহসী যুজাৰু আছিল। কোনো কোনো মানুহ স্বভাৱতে ভয় খোৱা হয়, কোনো কানো নহয়। পিতৃপুৰুষানুক্ৰমিক তেজৰ নিমিত্তেও সাহ আৰু ভয়ৰ তাৰতম্য ঘটে। ইংৰাজ অনেক পৰিমাণে স্বভাৱতে কম ভয়াতুৰ। এইবোৰ যি হওক, এইটো নিশ্চয় যে মহাশত্ৰু ভয়; এই ভয়েই মানুহক অনেক বিষয়ত অনাহকতে কাপুৰুষ কৰে। অথচ ভয় বুলি পদাৰ্থ এটা বাস্তৱিকতে নাইও; সি নিজৰে মিছা সৃষ্টি। ভয় নাই বুলি সাহেৰে তাৰ সমুখ হলেই সেই মায়াপী ভূত নাইকিয়া হয়।

• • •

কুমেৰু আবিষ্কাৰক কাপ্টান স্কটৰ নাম, তেওঁৰ কীৰ্ত্তি আৰু কুমেৰু প্ৰদেশতে শোক-লগা মৃত্যুৰ কথা সকলোৱে জানে, কাৰণ সেইটো সৰহ দিনৰ আগৰ কথা নহয়। তেওঁৰ ঘৈণীয়েক লেডি স্কটে নিজ হাতেৰে স্বামীৰ এটা সুন্দৰ শিলৰ মূৰ্ত্তি কাটি উলিয়াইছে। লেডি স্কট বৰ বুদ্ধিমতী আৰু শিল্পকুশলী তক্ষক (Sculptor)। বিলাতৰ আগৰ মহামন্ত্ৰী বেলফুৰে সিদিনা সেই মূৰ্ত্তি লণ্ডনত উন্মুক্ত কৰিছে। মূৰ্ত্তিটি শিল্পকলা পৰিস্ফুটিৰ নিমিত্তে যেনে আপুৰুগীয়া বস্তু, ঘৈণীয়েকৰ মৰমৰ হাতেৰে নিৰ্ম্মিত হোৱা বাবেও তেনে আপুৰুগীয়া। স্কট দম্পতিত বীৰত্ব আৰু কবিত্ব দুইটাৰ কেনে মনোৰম সমাবেশ!

• • •

য়ুৰোপীয়ৰ দৰে জাপানীয়ে নানা ভাবে ভৰি চলাই নানাচে; জাপানীৰ নাচ হাতৰ নানা ভাবে পৰিচালনাত আৰু মুখ আৰু গাৰ নানা অঙ্গভঙ্গিত। এই নাচ মনবিমুগ্ধকৰ। জাপানৰ ৰজাৰ অভিষেকত ৰজাৰ আগত, ডাঙৰীয়াসকলৰ ঘৰৰ সুন্দৰী জীয়ৰীছোৱালীসকলে অকল হাত মুখৰ অঙ্গিভঙ্গিৰে এনে সুন্দৰকৈ পুৰণি কালৰ ঘটনাসম্বলিত বিষয়ৰ ভাৱনা কৰিছিল, যে তাৰ তুলনা নাই।

• • •



বিখ্যাত ইংৰাজী উপন্যাস গ্ৰন্থ ৰচোতা কুমাৰী মাৰী কৰেলীয়ে "Life Everlasting" অৰ্থাৎ "জীৱন অনন্ত" নামে অলপতে দিয়া এটা বক্তৃতাৰ ভিতৰতে আৰাৰচেৰেক কথা কৈছিল। তাৰ ভাঙনি ইয়াতে দিলোঁ,— বৰ্ত্তমানৰ মহাযুদ্ধই যি এতিয়া পৃথিৱী কঁপাব লাগিছে, এই যুদ্ধ অনাহকত আহিছে বুলি কব পাৰি নে? এই যুদ্ধত লিপ্ত হোৱা জাতিকেইটিয়ে চিৰন্তন নিয়ম পালন কৰিছিল নে উলঙ্ঘা কৰিছিল? তেওঁলোকৰ ভিতৰৰ কোনো কোনোৱে ঈশ্বৰৰ অস্তিত্ব পৰ্য্যন্ত সন্দেহ কৰি, নাস্তিক আৰু materialists সুখবাদীসকলক তেওঁলোকৰ সাহিত্য আৰু সাময়িক কাকত-পত্ৰবোৰৰ ওপৰত প্ৰাধান্য স্থাপন কৰিবলৈ দিয়া নাছিল নে? জীৱন যে অনন্ত তাত যে আমাৰ বিশ্বাস আছে, তাৰ আমি কি প্ৰমাণ দিছোঁ? আত্মা যে অবিনশ্বৰ আৰু নিত্য সেইটো যে আমি মানো তাৰ প্ৰমাণ কি দেখুৱাইছোঁ? আমাক ঈশ্বৰে দিয়া অনেক বছৰৰ সুখ শান্তি ভোগ কৰি, তাৰ যে আমি যোগ্য, সেইটোৰ প্ৰমাণ নিদি বৰং ঈশ্বৰৰ সেই দানৰ প্ৰাপ্তি-স্বীকাৰকে নকৰি, আত্মপূজাকে আমি সাৰোগত কৰি লৈছিলোঁহঁক। ভাল খোৱা, ভাল পিন্ধা আদি বিলাসিতাৰে আমি এই নশ্বৰ দেহাৰে সৰ্ব্বতোভাৱে পূজাত নিমগন, অবিনশ্বৰ আত্মাৰ নহয়। ইয়াৰ ফল, আমাৰ মনত অসীম ভোগ-পিপাসা, অস্থিৰতা, অশান্তি। আমি টকা টকাকৈ ফুৰি টকা ঘটিও টকাৰ হেপাহ পলুৱাব পৰা নাই, ভোগ কৰি কৰি আমাৰ ভোগলিপ্সা বাঢ়িছে, আৰু আমাক ভোগসুখে আমাৰ অভাৱৰ জোখাৰে তৃপ্ত কৰিব নোৱাৰে, আমি নতুন সুখ আৰু উত্তেজনাৰ পিছে পিছে লৰিঢাপৰি ফুৰোঁ,— সৰহ ধন, মান, ক্ষমতা, আমোদ-প্ৰমোদ বিচাৰি ফুৰোঁ,—আৰু এইদৰেই আমি স্বাধীনতাক স্বেচ্ছাচাৰীতাত পৰিণত কৰিছোঁহক!

• • •

যুদ্ধলৈ সৈন্য সংগ্ৰহ কৰিবৰ নিমিত্তে, ইংলণ্ডত যুজাৰুৰ বয়সৰ লোকৰ ভিতৰৰ ডেকাসকলৰ স্বাস্থ্য আৰু শৰীৰ ডাক্তৰৰ দ্বাৰাই পৰীক্ষা কৰাব লগা হয়। বৰ্ত্তমানৰ মহাযুদ্ধৰ নিমিত্তে এইদৰে লক্ষ লক্ষ মানুহ পৰীক্ষিত হব লাগিছে। সিদিনা বিলাতৰ কাকত এখনে লেখিছে, যে এই কাৰ্য্যৰ দ্বাৰাই এটা মহাউপকাৰ সাধিত হৈছে;— অনেক মানুহৰ শৰীৰৰ ভিতৰত এনে

লুকাই থকা ব্যাধি আছে, যি ব্যাধিয়ে ক্ৰমে ক্ৰমে সেই মানুহক মৃত্যুৰ মুখত পেলাবৰ সম্ভৱ। এতিয়াই অনেকৰ যেনে ব্যাধি ধৰা পৰাত, সেই সকলে তাৰ ভু পাই চিকিৎসা কৰাই আৰোগ্য হবৰ সম্ভৱ হৈছে, আৰু অনেক হবও। আন ফালে এনেয়ে বহুত বাতিকগ্ৰস্ত অৰ্থাৎ আমাৰ অসমীয়া ভাষাত যাক বায়ুৰা বুলিব পাৰি, যি নিজকে দুৰ্ব্বল কগীয়া, Heart weak, nervous debility ইত্যাদি কাল্পনিক ৰোগত পৰি থকা বুলি মিছাতে বিশ্বাস কৰি বা ভাবি অকৰ্ম্মণ্য হোৱাসকলক, ডাক্তৰে পৰীক্ষা কৰি very sound বৰ সুস্থ, নীৰোগী বুলি উৰাই কৈ দিছে; সেইসকলৰ সেই ভ্ৰম বিশ্বাস গৈ, তেওঁলোকে নিজক সবল সুস্থ ভাবি, আৰু ভাবৰ ফলত বাস্তৱিকতে তেনেকুৱা হৈও, দুগুণ উছাহেৰে কৰ্ম্মক্ষেত্ৰলৈ গৈ কাম কৰি আশ্চৰ্য্য প্ৰকাৰে কামিলা হৈ পৰিছে।

• • •

আকাশী-বিমান উলিওৱা জেপেলিনৰ জেপেলিন যে কত বছৰ অশেষ পৰিশ্ৰম আৰু অধ্যবসায়ৰ ফল, তাৰ কথা শুনিলে আচৰিত মানিব লাগে। ১৮৯৪ খৃষ্টাব্দত, অনেক বছৰৰ পৰিশ্ৰমৰ পিছত, জেপেলিনে এখন আকাশী বিমান সাজি উলিয়ায়। সেইখন বিমান ভাল হোৱা নাছিল; কিন্তু তেওঁৰ যি ধন-বিত আছিল, তাতে তাৰ পৰালি পৰিল। ইয়াৰ পিছত দুবছৰ তেওঁ কত চেষ্টা কৰি ন-কৈ ভাল বিমান উলিয়াবলৈ বুলি ধন-বিত বিচাৰি ফুৰিছিল, কিন্তু কতো কৃতকাৰ্য্য হোৱা নাছিল; শেষত এখন ইঞ্জিনিয়ৰৰ কাৰ্য্যে তেওঁক তাৰ নিমিত্তে কিছু টকা আগ-ধন দিবলৈ মান্তি হল। তাৰ পিছত কোম্পানী এটাই তেওঁক ন-কৈ উন্নতি কৰি ভাল বিমান সাজিবলৈ টকা দি সহায় কৰিলে। সেই টকাৰে তেওঁ যিখন বিমান সাজিলে, দুবাৰ চাৰিবাৰ আকাশত উৰাৰ পিছতে সিও ভাগি শুৰি হল। তেতিয়া জেপেলিন মহাবিপদত পৰিল, তেওঁৰ হাতত ধন-বিত একো নাই। এই দৰে আৰু দুবছৰ গল। এনেতে জৰ্ম্মাণ সম্ৰাট কাইচৰে জেপেলিনলৈ উৎসাহ দি এখন চিঠি লেখে। সম্ৰাটে উৎসাহ দিয়া দেখি জৰ্ম্মাণিৰ মানুহেও তেওঁক সহায় কৰি আকৌ দ্বিতীয়বাৰ বিমান এখন সাজিবলৈ সুবিধা দিলে। এই বিমানেও সুফল নিদিয়াত জেপেলিন নিৰুপায় হৈ পৰিল।



ঠিক এই সময়তে ৱৰ্টেমবৰ্গৰ (Wurthemburg) ৰজা তেওঁৰ সাহায্যৰ নিমিত্তে অগ্ৰসৰ হল। এই ৰজাৰ সহায়ত তেওঁ ১৯০৫ খৃষ্টাব্দত আৰু এখন আগতকৈ উন্নত জেপেলিন প্ৰস্তুত কৰি উলিয়ালে। এই জেপেলিনখনো বিনষ্ট হল। আকৌ জৰ্ম্মাণ কাইচৰ জেপেলিনৰ সহায়ক হল, আৰু প্ৰুচিয়াৰ গৱৰ্ণমেণ্টে এটা State lottery চৰকাৰী চিঠিখেল কৰিলে, যাৰপৰা উঠা টকা কাউণ্ট জেপেলিনক আকৌ ন-কৈ তেওঁৰ আকাশী-বিমান সাজিবলৈ দিলে। গৱৰ্ণমেণ্টে তেওঁৰ সৈতে এই বন্দবস্ত কৰিলে, যে যদি এইবাৰ কাউণ্টে তেওঁৰে বিমানখন ২৪ ঘণ্টা একেবাহে আকাশত ৰাখিব পাৰে, আৰু এই সময়ৰ ভিতৰতে ৪৫০ মাইল বাট যাব পাৰে, তেন্তে তেওঁ প্ৰথমৰেপৰা যিবোৰ টকা এই বিমান প্ৰস্তুত কৰাত ভাঙিছে, সেই সকলোখিনি দিব। ১৯০৮ খৃষ্টাব্দত জেপেলিনে তেওঁৰ আকৌ ন-কৈ সজা বিমানেৰে ২৪ ঘণ্টাত ৩৮০ মাইল ফুৰিলে। যদিও এইবাৰো অন্তত জেপেলিনৰ বিমানখন ভাগি-ছিগি ওপৰৰপৰা গোত্ মোচ্ খুচ্ কৰে মাটিত পৰিল, তথাপি তেওঁ তাৰে ২৪ ঘণ্টাত ৩৮০ মাইল ফুৰিব পৰা বাবে, গৱৰ্ণমেণ্টে সন্তুষ্ট হৈ তেওঁক খৰচৰ টকা দি, তেওঁৰ জেপেলিন নামৰ বিমান গ্ৰহণ কৰিলে, আৰু সি জৰ্ম্মাণিৰ যুদ্ধৰ সজুলিৰ ভিতৰত ঘাই ঠাই অধিকাৰ কৰিলে।

• • •

আমেৰিকাৰ ইউনাইটেড্ ষ্টেটচৰ প্ৰেচিডেণ্ট উইলচনে ঈশ্বৰৰ চৰণত প্ৰাৰ্থনাৰ সাৰ্থকতা মানে। বিলাতৰ মন্ত্ৰী-সভাৰ মন্ত্ৰী (সম্প্ৰতি সেই কাম এৰিছে) সুবিখ্যাত উইন্‌ষ্টোন চৰ্চহিলেও প্ৰাৰ্থনাৰ সাৰ্থকতাত বিশ্বাস কৰে। বুৱৰ যুদ্ধত তেওঁ বুৱৰবিলাকৰ হাতত বন্দী হৈ আছিল। তেওঁ বন্দীশালৰপৰা পলাই সাৰি আহিছিল। তেওঁৰ "London to Ladysmith" নামে কিতাপৰ এঠাইত এই সম্বন্ধে তেওঁ লেখিছে— "I found no comfort in any of the philosophical ideas which some men parade in their hours of ease and strength and safety. They seemed only fairweather friends. I realized with awful force that no exercise of my own feeble wit and strength could save me and that without the assis-

tance of that High Power which interferes in the eternal sequence of causes and effects more often than we are always prone to admit, I could never succeed. I prayed long and earnestly for help. My prayer was swiftly and wonderfully answered. I cannot now relate the strange circumstances which changed my hopeless position."

---

# ঈশ্বৰ শ্ৰীকৃষ্ণ

ভগৱন্ত-বস্তুক সগুণভাৱেহে চিন্তা উপাসনা কৰি পাৰ পাৰি, নিৰ্গুণ ভাৱে নোৱাৰি। তেওঁ অৱশ্যে নিৰ্গুণ সগুণ দুইটা। নিৰ্গুণভাৱে তেওঁ অজ্ঞেয়বাদীৰ অবাঙ্মনসগোচৰ, বাক্য মনৰ অতীত, জ্ঞানৰ অতীত। সগুণ-ভাৱে তেওঁ সকলোৰে আৰাধ্য, সকলোৰে উপলব্ধি আৰু উপভোগৰ বস্তু। সগুণভাৱেই তেওঁ পৃথিৱীৰ সকলো প্ৰচলিত ধৰ্ম্মৰ প্ৰতিপাদ্য বিষয়। ইহুদী ধৰ্ম্মত এই সগুণ ভগৱন্তক জিহোবা বোলে, মছলেম ধৰ্ম্মত আল্লা বোলে, খৃষ্টীয় ধৰ্ম্মত গড বোলে, পুৰণি গ্ৰীকসকলে জিয়ুস বুলিছিল, ৰোমানসকলে জুপিটৰ বুলিছিল, পাৰসীকসকলে অহুৰমজদ বোলে। এই এটাইবোৰ শব্দ ভগৱন্তৰ একোটা বিশেষ গুণবাচক। জিয়ুস (Zeus) জোভ Jove জুপিটৰ (Jupiter) (ভাৰতীয় আৰ্য্যসকলৰ আৰ্য্য বা সংস্কৃত ভাষাত যি দ্যায়ুস্-পিতৰ) প্ৰায় একে অৰ্থবাচক শব্দ। এই শব্দই ভগৱন্তৰ ক্ষমতা শক্তি আৰু অস্তিত্ব প্ৰকাশ কৰে। দ্যায়ুস-পিতৰ বা জুপিতৰ আকাশৰ দেৱতা, তেওঁৰ অস্ত্ৰ বজ্ৰ; তেওঁ ঋতুবিলাকৰ পৰিবৰ্ত্তন কৰে, পোহৰ নিয়মিত কৰে, অৰ্থাৎ সংক্ষেপতে জানিবা আমাৰ ইন্দ্ৰ। গড (God) টিউটনসকলৰ ভগৱন্তবাচক শব্দ। টিউটনবোৰ খৃষ্টান হোৱাৰ পিছতো তেওঁলোকে তেওঁলোকৰ ভগৱন্তবাচক এই শব্দটো ৰাখিলে। আদিতে এই শব্দটো ক্লীবলিঙ্গ আছিল, আৰু বহুবচনত ব্যৱহাৰ কৰা হৈছিল; অৰ্থাৎ টিউটনসকলৰ বহু দেৱদেৱীক এই শব্দেৰে বুজোৱা হৈছিল। পিছত খৃষ্টানবিলাকে ইয়াক এক ভগৱন্তবাচক কৰি ওপৰলৈ



তুলিলে। সাধাৰণতঃ Good অৰ্থাৎ ভাল, মঙ্গল শব্দৰপৰা God হৈছে বুলি মানুহৰ বিশ্বাস আছে, কিন্তু এইটো ঠিক নহয়। কাৰণ হিথেন (Heathen conception of deity) অৰ্থাৎ খৃষ্ট ধৰ্ম্মপ্ৰচাৰৰ আগেয়ে অখৃষ্টানসকলৰ ভগৱন্তৰ সম্পৰ্কে the notion of goodness অৰ্থাৎ মঙ্গলৰ ধাৰণা বৰ স্পষ্ট নাছিল। যি হওক খৃষ্টানবিলাকৰ The One Supreme or Absolute Being এক শ্ৰেষ্ঠ আৰু অদ্বিতীয় ভগৱন্তৰ ধাৰণা এই শব্দৰ ভিতৰত সোমাল। Divinity, Deity, দেৱতা এই ধাৰণাই গড'ৰ আদি আৰু যাই ধাৰণা যে তাত সন্দেহ নাই। মুঠতে কবলৈ গলে জিহোবা শব্দই ভগৱন্তৰ সত্তা, জিয়ুস শব্দই তেওঁৰ অমৰত্ব, জুপিতৰ শব্দই তেওঁৰ মানুহৰ পিতৃত্ব, আল্লা শব্দই তেওঁৰ পূজনীয়ত্ব, আৰু অহুৰমজদ শব্দই তেওঁৰ অপাপবিদ্ধত্ব প্ৰকাশ কৰে। ভগৱন্তৰ এই সকলো নামৰে অলপ-অচৰপ সাৰ্থকতা আছে, এই সকলো নামে তেওঁৰ একো একোটা গুণ প্ৰকাশ কৰে। কিন্তু ভাৰতবৰ্ষৰ মানুহে তেওঁক যি নামেৰে মাতে সেই নামটো যেনে সাৰ্থক তেনে এইবোৰ নহয়। ভাৰতবৰ্ষৰ মানুহে তেওঁক ঈশ্বৰ বোলে। ঈশ্বৰ শব্দটিয়ে ভগৱন্তৰ ঐশিত্ব, শক্তিমত্ব আৰু প্ৰভুভাব বুজায়। যিভাৱে তেওঁ জগতৰ বিধাতা, নিয়ন্তা, অসাধুক দণ্ড দিওঁতা, সাধুক পৰিত্ৰাণ কৰোতা, অধৰ্ম্মৰ গ্লানি দূৰীভূত কৰি ধৰ্ম্ম-সংস্থাপন কৰোতা, সৰ্ব্বজ্ঞ, সৰ্ব্বশক্তিমান, সেই ঐশ্বৰ্য্যভাব এই ঈশ্বৰ শব্দটিত পৰিস্ফুট। এই ঈশ্বৰেই—এজনেই হিন্দুৰ ত্ৰিগুণাত্মক সুকীয়া তিনি মূৰ্ত্তিৰ তিনিজন—ব্ৰহ্মা বিষ্ণু মহেশ্বৰ, অথচ তিনিও একেজন; এই ঈশ্বৰেই কৰ্ম্মভেদত তেত্ৰিশ কোটী, অথচ আচলতে এজন।

ঈশ্বৰৰ ঐশ্বৰ্য্যৰ সীমা নাই। ক্ষুদ্ৰ শক্তিৰ মানুহে সেই ঐশ্বৰ্য্যৰ ধাৰণা কৰাটো তো দূৰৰ কথা, ব্ৰহ্মা হৰ পুৰন্দৰেও তাৰ কোটী কোটী অংশৰ এক অংশৰও ধাৰণা কৰি ওৰ পেলাব নোৱাৰে।

"সহস্ৰ বয়নে গুণ গাৱত ভিনে ভিনে বয়নে কৰত বখানা।
হৰিনাম গুণ যশ মহিমাক তবহু অন্ত নাহি জানা ॥
মহামুনি চতুৰ, চতুৰ বদন সুৰ শঙ্কৰ মোহিত যাকেৰি মায়া।
চাৰি বেদ বিচাৰ কয় আৱত যাকেৰি অন্ত নাপায়া ॥

সনক সনাতন আদি যোগীগণ যাকেৰি মহিমা নজানা।
হামু মুকুধমতি, কেমনে জানব হৰি, গতি তুহু, মাধব গানা॥"

অনন্ত ঐশ্বৰ্য্যবান ঈশ্বৰৰ ঐশ্বৰ্য্য শক্তিৰ সমুদ্ৰৰ ভিতৰতে আমি বুৰি আছোঁ। কিন্তু সাগৰৰ মাছ এটাৰ পক্ষে যেনেকৈ মহান্ সমুদ্ৰৰ সমগ্ৰ ঐশ্বৰ্য্য ধাৰণা কৰাটো অসম্ভৱ, আমাৰ পক্ষেও এই মহান্ ব্যাপ্ত অনন্ত ঈশ্বৰৰ ঐশ্বৰ্য্যৰ ধাৰণা অসম্ভৱ। কিন্তু করুণাময় ঈশ্বৰে অশেষ করুণা কৰি আমাক তেওঁৰ ঐশ্বৰ্য্য সমূহৰ মাজত থৈ সেইবোৰ আমাৰ পক্ষে এনেকুৱা সহজপ্ৰাপ্য কৰি দিছে যে, আমি সেই কথা নাভাবোঁৱেই। উদাহৰণ স্বৰূপে ধৰা, তেওঁৰ বিভূতি বতাহ পানী আমি উপভোগ কৰি আনন্দেৰে জীয়াই আছোঁ কিন্তু সি অনায়াসলব্ধ, সহজপ্ৰাপ্য আৰু সৰ্ব্বসাধাৰণ দেখি, ঈশ্বৰৰ সকলো বিভূতিৰ ভিতৰত সেই দুটা মহাবিকাশ, সকলো দানৰ ভিতৰতে মহাদান যদিও—তথাপি আমাক সি তেওঁৰ বিষয়ে সততে মনত পেলাই দিবলৈকে কৃপণতা হে কৰে। কিন্তু সেই বতাহ আৰু সেই পানীয়েই যেতিয়া প্ৰবল ৰূপ ধৰি সকলো উৱাই বুৰাই লণ্ডভণ্ড কৰি পেলায়, তেতিয়াহে আমাৰ মনৰ চকু ঈশ্বৰৰ সেই মহা ঐশ্বৰ্য্যৰ ফালে মুকলি হয়। ঈশ্বৰক উপলব্ধি কৰিবলৈ সেইদেখি তেওঁৰ ঐশ্বৰ্য্যৰ উৎকৰ্ষ যত তালৈ স্বভাৱতে আমাৰ চকু যায়। গীতাত সেইদেখি ভগৱন্তই জগতত শ্ৰেষ্ঠবস্তুবিলাকক তেওঁৰ বিভূতি বুলিছে। প্ৰত্যেক বিধৰ শ্ৰেষ্ঠ বস্তুবিলাকক তেওঁৰ বিভূতি বোলা মানে যে অশ্ৰেষ্ঠবিলাক তেওঁৰ বিভূতি নহয় এনে নহয়; ইয়াৰ মানে এইটোহে যে প্ৰত্যেক বিধৰ উৎকৰ্ষত তেওঁৰ সেই বিভূতি উৎকৃষ্টৰূপে বিকাশিত হোৱাৰাবে তেওঁৰ সেই বিধৰ সেই বিভূতি ঐশ্বৰ্য্য আমি আমাৰ ক্ষমতাৰে পূৰ্ণৰূপে ধাৰণা কৰিব পাৰিম। এইবাবেই গীতাৰ ভগৱন্তই কৈছে :—

আদিত্যানামহং বিষ্ণু জ্যোতিষাং ৰবিৰংশুমান।
মৰীচিৰ্মৰুতামস্মি নক্ষত্ৰানামহং শশী॥
বেদানাং সামবেদোঽস্মি দেবানামস্মি বাসবঃ
ইন্দ্ৰিয়ানাং মনশ্চাস্মি ভূতানামস্মি চেতনা॥

• • •



মহৰ্ষীণাং ভৃগুৰহং গিৰামস্ম্যেক মক্ষৰম্।
যজ্ঞানাং জপযজ্ঞোঽস্মি স্থাৱৰাণাং হিমালয়ঃ।
অশ্বত্থঃ সৰ্ব্ববৃক্ষাণাং দেবৰ্ষীনাঞ্চ নাৰদঃ।
গন্ধৰ্ব্বাণাং চিত্ৰৰথঃ সিদ্ধানাং কপিলো মুনিঃ। ইত্যাদি।

সকলো বিকাশৰে পিছত বা মূলত সেই সেই বিকাশৰ Archetype ঈশ্বৰ। সকলো সৃষ্ট পদাৰ্থৰ ক্ৰমোন্নতি সেই Archetype-অৰ ফালে। সেইদেখি নানাপ্ৰকাৰ সৃষ্ট বস্তুবোৰৰ যি যিটো বৰ্ত্তমানত পূৰ্ণৰূপে বিকাশিত Archetyre সেই সেইটো, ঈশ্বৰৰ একো একো গুণৰ স্বৰূপ প্ৰকাশ। সকলো সৃষ্ট পদাৰ্থৰ ভিতৰত জ্ঞান বুদ্ধি মনসম্বলিত মনুষ্যজাতি যে শ্ৰেষ্ঠ, এইটো অস্বীকাৰ কৰোঁতা কোনো নাই। এই শ্ৰেষ্ঠ মনুষ্যত যে ঈশ্বৰৰ ঐশ্বৰ্য্যৰ, এই পৃথিৱীত চূড়ান্ত বিকাশ হৈছে, তাকো স্বীকাৰ কৰিবই লাগিব। এইবাবেই ভগৱন্তই কৈছে "গুহ্যং পৰং মম মনুষ্য লিঙ্গং"। বাইবেলত কৈছে—God made man after his own image অৰ্থাৎ ঈশ্বৰে মানুহক তেওঁৰ আকৃতিৰ আহিত সৃজন কৰিলে। এনে মানুহৰ ভিতৰত যি শ্ৰেষ্ঠ, তেওঁত যে ঈশ্বৰৰ বিকাশ অনেক বেছি তাত সন্দেহ নাই। ঈশ্বৰৰ শ্ৰেষ্ঠ বিকাশ মানুহৰ ভিতৰতে, মানুহক ঈশ্বৰৰ ঐশ্বৰ্য্য আৰু সত্তাৰ উৎকৃষ্টৰূপে অনুভৱ কৰাবলৈ ঈশ্বৰে যে উৎকৃষ্ট আৰু সৰ্ব্বশ্ৰেষ্ঠ মনুষ্যৰূপ ধৰি পৃথিৱীত অৱতীৰ্ণ হব, তাত সন্দেহ কি? সেইজন সৰ্ব্বশ্ৰেষ্ঠ মনুষ্য নিশ্চয় এনে হব-লাগিব যাৰ জীৱনত সকলো মানৱী সম্বন্ধ মানৱী ভাব, কাৰ্য্য আৰু ব্যৱহাৰে উৎকৰ্ষতা লাভ কৰিছে। ঈশ্বৰৰ এনে নৰতনু নৰাৱতাৰ Archetype of man শ্ৰীকৃষ্ণ। মনুষ্য জীৱনৰ সকলো aspects ভাব আৰু সকলো relations সম্বন্ধতে এই শ্ৰীকৃষ্ণ মূৰ্ত্তি চূড়ান্ত বিকাশ; সেইদেখি শ্ৰীকৃষ্ণ পূৰ্ণ অৱতাৰ। ভগৱন্তৰ অকল ঐশ্বৰ্য্য ভাবেই আমাক তৃপ্তি নিদিয়ে, তেওঁৰ আৰু এটি ভাব আছে, সেইটি মাধুৰ্য্য ভাব। সেই মাধুৰ্য্য ভাবেহে তেওঁক আমাৰ প্ৰতি সোৱাদ সুমধুৰ কৰি পূৰ্ণ উপভোগৰ বস্তু কৰে। ঈশ্বৰৰ "মানুষী তনু" শ্ৰীকৃষ্ণ অৱতাৰত ঐশ্বৰ্য্য ভাব আৰু মাধুৰ্য্য ভাবৰ চৰম পৰিণতি সংঘটিত হৈছে। ঈশ্বৰক তেওঁৰ ঐশ্বৰ্য্য দেখি ভয়, সন্মান, শ্ৰদ্ধা, ভক্তি, সেৱা ইত্যাদি আমি কৰিলেও, তেওঁৰ মাধুৰ্য্য ভাবটিয়েহে তেওঁক আমি একেবাৰেই

আমাৰ নিজৰ জন যেনেকৈ পোৱাই দিয়ে। আমি গোকুলৰ নন্দ যশোদা সুবল শ্ৰীদাম আৰু গোপিনী হৈ হে, সেই মধুৰ ৰসাশ্ৰিত ভাবেৰেহে কৃষ্ণক নিজৰ জন যেনেকৈ, তেওঁৰে আমাৰ অন্তৰ মিলাই, প্ৰেম মিলাই, স্নেহ মিলাই তেওঁক ভজি কৃতাৰ্থ হব পাৰোঁ। বৃন্দাবনত ভগৱান কৃষ্ণৰ সেই স্বাভাৱিক বিচিত্ৰ মধুৰ লীলাই তেওঁক আমাৰ কেনে ওচৰ আত্মীয় আৰু নিজৰ কৰিবৰ সুবিধা কৰি দিলে চোৱাঁ। বৃন্দাবনৰ ঈশ্বৰৰ সেই লীলা নিত্যলীলা এইবাবে, যে মানৱী তনুধাৰী ঈশ্বৰৰ সকলো সম্বন্ধ পূৰ্ণবিকাশিত হোৱা সেই লীলা দিনৌ নৰলোকত ঘটিব লাগিছে, কাৰণ জীৱনৰ সেইবোৰ নিত্য সম্বন্ধৰ archetype-অৰ আংশিক প্ৰকাশ তোমাৰ জীৱনত তোমাৰ ঘৰতো তোমাৰ পুত্ৰ পৰিবাৰ ইষ্ট কুটুম্ব বন্ধুৰে সৈতে আংশিকৰূপে ঘটি আছে,—যদি তোমাৰ দেখিবলৈ চকু আছে; আৰু সদায় সৰংকৈ আৰু ওখকৈ ঘটিব পাৰে, যদি তুমি তোমাৰ জীৱন, তোমাৰ সংসাৰ, তোমাৰ ঘৰক বৃন্দা অৰ্থাৎ আনন্দৰ অৱন অৰ্থাৎ ৰক্ষণ বা স্থান কৰিব পাৰা। হেৰা কলিৰ মানৱ! তোমাৰ নিমিত্তে কৃপালু ঈশ্বৰে কৃষ্ণৰূপে প্ৰকাশ হৈ তেওঁক পাবলৈ কি সুবিধা কৰি দিলে, এবাৰ ভাবি নোচোৱাঁ নে? সত্যাদিৰ লোকে তেওঁলোকৰ যোগদৃষ্টিৰে, কলিত এনে সুবিধা হব দেখি যে কলিত জনম ধৰিবলৈ হেপাহ কৰিছিল, তাত আৰু অচৰিত কি?

"সত্যাদিৰ লোকে কলিত জনম বাঞ্ছা কৰে নিৰন্তৰ।
হৰি গুণ গায়া নিশ্চয় কলিত হৈব নাৰায়ণ পৰ॥"—ঘোষা।

ভগৱন্তৰ ঐশ্বৰ্য্যযুক্ত ঈশ মূৰ্ত্তি কৃষ্ণই পুতনাশোষণ, কালীদমন, কেশীনিসূদন, অঘ বক বিনাশন, কংস বিধ্বংসন কৰে, প্ৰলয় পয়োধিজলিত বেদ উদ্ধাৰ কৰে—

"বেদানুদ্ধৰতে জগন্তি বহতে ভূগোল মুদ্বিভ্ৰতে।
দৈত্যংদাৰয়তে বলিং ছলয়তে ক্ষত্ৰক্ষয়ং কুৰ্ব্বতে।
পৌলস্ত্যং জয়তে হলং কলয়তে কাৰুণ্যমাতন্বতে।
ম্লেচ্ছান মূৰ্চ্ছয়তে দশাকৃতিকৃতে কৃষ্ণায় তুভ্যং নমঃ॥"

মাধুৰ্য্যযুক্ত মধুৰ মূৰ্ত্তিৰে যশোদাৰ হৃদয়ত স্নেহৰ আৱেগ বঢ়াই স্তন্য প্ৰবায়; কদমৰ তলত ত্ৰিভঙ্গ হৈ বাঁহী বজায়; "ধৱলী, শ্যামলী, কালী, কমলিনী"



নামৰ গাই আৰু বৎসেৰে প্ৰীতি কৰে আৰু সেই গাই বৎসই তেওঁকে "হাম্বাৰৱে ডাকে কৃষ্ণ কৃষ্ণ বুলি," ময়ুৰ ময়ুৰীয়ে তেওঁৰ বাঁহীৰ সুস্বৰ শুনি ছাঁলি ধৰি নাচে, আৰু যমুনা উজাই বয়। ভগৱন্তই তেওঁৰ এই মধুৰ দয়াময়, করুণাময়, কৃপাময় ভাবে জীৱৰ দুখ দেখি, ব্যথিত হৈ বুদ্ধৰূপে অৱতাৰ হৈ জীৱৰ মঙ্গলৰ নিমিত্তে নিজৰ পুত্ৰ ভাৰ্য্যা আৰু ৰাজ্য সম্পদ ত্যাগ কৰি কঠোৰ তপস্যা কৰি "অহিংসা পৰমোধৰ্ম্ম" প্ৰচাৰ কৰে; ঈশুখৃষ্টৰূপে অৱতাৰ ধৰি পাপীৰ পাপৰ ভাৰ নিজে বৈ "ক্ৰচ" কাঠত বিদ্ধ হৈ যন্ত্ৰণা সহ্য কৰে; এই সুন্দৰ মাধুৰ্য্যভাৱে ঈশ্বৰ লক্ষ্মীকান্তই ভৃগু মুনিৰ পদাঘাত খাই তৎক্ষণাত লক্ষ্মীৰ কোলা এৰি উঠি লৰি আহি, মুনিৰ কোমল ভৰিত কেনেবাকৈ টান পাইছে ভাবি, মুনিক স্তুতি-নতি কৰি মুনিৰ ভৰি পিটিকি দি সেই গোবৰ সাঁচটি বুকুত চিৰকাললৈকে শ্ৰীবৎস কৰি লয়। এই মধুৰ ভাবেৰেই "সত্য সনাতন নিত্য নিৰঞ্জন দেৱ, অনাদি অনন্ত যোহি বিনে নাহি কেৱ" অজ্ঞেয় অচিন্ত্য অদ্বিতীয় চিদানন্দ পৰমেশ্বৰে তেওঁৰ নিজৰ মায়াৰেই নিজে মানুহৰূপ ধৰি উদ্ধৱৰ সখা হয়—যি উদ্ধৱে কৃষ্ণক অশ্বথৰ তলত বহি থকা সময়ত দেখি, কৃষ্ণই নৰলীলাৰ অন্ত পেলাই বৈকুণ্ঠলৈ যাব খুজিছে বুজি, কান্দি ব্যাকুল হৈ কৃষ্ণক কৈছিল "হে কেশৱ, মই তোমাৰ চৰণ-কমল ক্ষণাৰ্দ্ধও এৰিব নোৱাৰোঁ; হে নাথ! মোকো বৈকুণ্ঠলৈ লৈ যোৱা।"—

"নাহং তবাঙ্ঘ্ৰি কমলং ক্ষণাৰ্দ্ধমপি কেশৱ
ত্যক্তুং সমুৎসহে নাথ স্বধাম নয় মামপি॥" শ্ৰীমদ্ভাগৱত।

যি উদ্ধৱে, কৃষ্ণৰ মুখৰপৰা সকলো তত্বজ্ঞান শুনি মনত সাৰোগত কৰি লৈ, যাবলৈ উঠিও—"আজি এৰোঁ প্ৰভুৰ চৰণ। এহি বুলি জুৰিলা ক্ৰন্দন॥ যদ্যপি জানিলা মহা জ্ঞান। তথাপিতো ছাড়ে যেন প্ৰাণ॥ ভৈলন্ত বিহ্বল অতি স্নেহে। যাইবাক খোজন্তে হৃদি দহে॥ কৃষ্ণক এৰিবে নপাৰন্ত। চৰণত পড়িয়া কান্দন্ত॥ হৃদিতাপ কৰন্ত উদ্ধৱে। চলা চলা বোলন্ত মাধৱে॥ কৃষ্ণৰ সুদৃঢ় আজ্ঞা শুনি। উঠি আখি মচি মহামানী॥ প্ৰভুৰ পাদুকা শিৰে বান্ধি। প্ৰণামি লৰিলা কান্দি কান্দি॥ আগক নযাচে আৰ ভৰি। কৰন্ত প্ৰণাম ঘূনাই পৰি॥ উঠি যান্ত ভৰি পাক ছয়। আবাৰ পৰন্ত মহাশয়॥ কৃষ্ণৰ চৰণ এৰি যান্ত। নযায় ভৰি উলটি চাহন্ত॥

ধৰিবাক নোৱাৰন্ত চিত। দণ্ডৱতে পৰন্ত ভূমিত॥ দুনাই উঠি কৰন্ত গমন। কৃষ্ণৰ বিয়োগে দহে মন॥ কৃষ্ণে যিটো শিথাইলন্ত জ্ঞান। কৰিলা হৃদয়ে তাক ধ্যান॥ কৃষ্ণৰ ধৰম মাথে লৈয়া। দ্বাৰকাৰ বাজ ভৈলা গৈয়া॥"—কীৰ্ত্তন।

ভগৱন্তৰ ঐশ্বৰ্য্য আৰু মাধুৰ্য্য ভাবৰ অপূৰ্ব্ব সমন্বয় শ্ৰীকৃষ্ণলীলাত. কুৰুক্ষেত্ৰৰ লীলাত তেওঁৰ ঈশ ভাবৰ পূৰ্ণ প্ৰকাশ, বৃন্দাবনৰ লীলাত মাধুৰ্য্য ভাবৰ পূৰ্ণ প্ৰকাশ। তেওঁ কুৰুক্ষেত্ৰৰ লীলাত, বিচ্ছিন্ন ভাৰতৰ একত্ব সাধিত কৰি এক মহাভাৰত মহাসাম্ৰাজ্য সংস্থাপিত কৰিলে অৰ্জ্জুনৰ ৰথত বহি জ্ঞানযোগ আৰু ভক্তিযোগৰ অপূৰ্ব্ব চূড়া কৰ্ম্মযোগৰ ওপৰত স্থাপন কৰি গীতাৰ অমূল্য উপদেশ দিলে, ক্ষত্ৰিয় ক্ষয় কৰি, অধৰ্ম্ম দূৰীভূত কৰি, ধৰ্ম্মৰ গ্লানি গুচালে। ভাগৱতৰ বৃন্দাবন লীলাত তেওঁ চেনেহৰ পুতেক, মৰমৰ সখা, প্ৰেমৰ স্বামী, ভকতৰ বান্ধৱৰূপে প্ৰকটিত হল। মানুহৰ হৃদয়ত যি সুকোমল, সুমধুৰ আৰু উৎকৃষ্ট ভাব আছে সেই সকলোবোৰে সংগ্ৰহ এই চিদানন্দ শ্ৰীকৃষ্ণ মূৰ্ত্তিত আৰু কৃষ্ণলীলাত। এনে কৃষ্ণলীলা আসামত ব্ৰাহ্মণ চণ্ডাল নিৰ্ব্বিশেষে প্ৰচাৰ কৰি আমাৰ পৰম উপকাৰ সাধিলে কৃপালু গুৰু শঙ্কৰ মাধৱে। দেৱা অসমীয়া ভাইহঁত! আহাঁ, আমি এই মহা উপকাৰৰ শলাগ লৈ তেওঁলোকৰ চৰণ-পঙ্কজত মূৰ দোৱাঁই নিজক ধন্য কৰোঁহক।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---

# জৰ্ম্মাণিৰ ৰাষ্ট্ৰনীতিবাদ।

যি জৰ্ম্মাণি আজিকালি প্ৰবল জাতীয়তা বান্ধোনেৰে এক আৰু অতি সজীৱ, ওঠৰ শতিকাত সেই জৰ্ম্মাণি মাথোন একোথন সৰু সৰু বিচ্ছিন্ন দেশৰ সমষ্টি আছিল। সাহিত্য বিজ্ঞান আৰু সামাজিক শিক্ষাত জৰ্ম্মাণিৰ শিক্ষিত, পণ্ডিত, জ্ঞানীসকলৰ আদৰ্শ আছিল—ফৰাচী শিক্ষা আৰু ফৰাচী



ভাব। "বসুধৈৱ কুটুম্বকং" ভাব, অৰ্থাৎ পৃথিৱীৰ সুসভ্য জাতিসকলেৰে গঠিত বিশাল জগৎ-সাম্ৰাজ্যৰ উপযুক্ত একো একোটি প্ৰজাৰ ঠাই অধিকাৰ কৰাই মাথোন জৰ্ম্মাণ মনীষিসকলৰ প্ৰধান আকাঙ্ক্ষা আৰু উচ্চাভিলাষ আছিল। সেই কালৰ বিজ্ঞ জৰ্ম্মাণ পণ্ডিত লেচিঙে (Lessing) লিখিছিল—"স্বদেশপ্ৰিয়তা বুলি যি এটা কথা আছে, তাৰ বিষয়ে মোৰ ধাৰণা নাই, আৰু এই ধাৰণামূলক গৌৰৱৰ ভাৱৰপৰা আঁতৰি থাকিয়েই মোৰ সন্তোষ।" উইলেণ্ড (Wieland) নামে আন এজন জৰ্ম্মাণ পণ্ডিতে লেখি গৈছিল—"আমাৰ ইয়াত চেক্সন, বেভেৰিয়ান, আৰু ফ্ৰেঙ্কফোৰ্ট patriot দেশহিতৈষী আছে, কিন্তু জৰ্ম্মাণ পেট্ৰিয়ট কত?" ফৰাচী বিপ্লৱৰ আগলৈকে কোনো প্ৰথম শাৰীৰ জৰ্ম্মাণে ৰাষ্ট্ৰনীতিবিজ্ঞান (politics) বিষয়ত মনোনিবেশ কৰা নাছিল। ইংলণ্ডৰ বিৰুদ্ধে আমেৰিকাৰ বিদ্ৰোহ, আৰু ইংলণ্ডেৰে সৈতে সম্বন্ধ ছিন্ন কাৰ্য্যই হে প্ৰথমতে জৰ্ম্মাণিৰ টোপনি ভাঙি দিয়ে; তথাপি তেতিয়াও জৰ্ম্মাণ মনীষিসকলে ফিউডেলিজম আৰু জৰ্ম্মাণ ৰজাসকলৰ ক্ষমতাৰ অপব্যৱহাৰ আৰু প্ৰজাৰ ওপৰত অত্যাচাৰ ইত্যাদিৰ বিষয়ে আন্দোলন কৰিয়েই সন্তুষ্ট থাকিছিল। ফৰাচী বিপ্লৱে জৰ্ম্মাণিক নতুন বাটে চিন্তা কৰিবলৈ শিকালে। পুৰণি জৰ্ম্মাণি নতুন জৰ্ম্মাণিৰ বাটলৈ আগুৱাটোৰ প্ৰথম আভাস হোম্‌বোল্ট (Humbolt) ক্যাণ্ট (Kant) আৰু ফিক্টেৰ (Fichte) লেখাত দেখিবলৈ পোৱা যায়। ১৭৯১ খৃষ্টাব্দত হম্‌বোল্টে The Limits of State Action নামে গ্ৰন্থ ৰচনা কৰে। তাত তেওঁ দুটা প্ৰশ্নৰ উত্থাপন কৰে।—(১ম) কোনে ৰাজ্য শাসন কৰিব? (২য়) গৱৰ্ণমেণ্টৰ পৰিসৰ কিমান দূৰলৈকে? হম্‌বল্টে ১ম প্ৰশ্নটো তন্ন তন্নকৈ আলোচনা কৰিলে কিন্তু দ্বিতীয় প্ৰশ্নটো—যিটো প্ৰথমটোতকৈও লাগতিয়াল সেইটো আওঃহেলা কৰি পেলাই থলে। ফ্ৰান্সৰ আদৰ্শেৰে সৈতে হম্‌বোল্টৰ আদৰ্শৰ বিভিন্নতা ঘটিল। ফ্ৰান্সৰ আকাঙ্ক্ষাৰ বস্তু—জাতীয় স্বাধীনতা, হমবোল্টৰ মতে মানুহৰ উদ্দেশ্য হোৱা উচিত ব্যক্তিগত শক্তি সমূহৰ সমবিকাশ; সেইদেখি শাসন-যন্ত্ৰৰ মুখ্য লক্ষ্য হোৱা উচিত প্ৰজাবোৰৰ শক্তিৰ সমবিকাশ হৈ যাতে প্ৰত্যেক মানুহৰ আত্মোপলব্ধিৰ যথেষ্ট সুবিধা হয়। শাসনযন্ত্ৰই প্ৰজাৰ সকলো বিষয় সকলো কাৰ্য্য নিয়ন্ত্ৰিত

কৰিবলৈ গলে ব্যক্তিগত স্বাভাবিক উদ্বৰ্ত্তনত ব্যাঘাত হয়। শাসনযন্ত্ৰৰ হস্তক্ষেপৰ আধিক্যই বণুৱা বিভাগৰ বিষয়াসকলৰ সংখ্যা আৰু প্ৰাধান্য বঢ়ায়। শাসন-যন্ত্ৰৰ এক মাথোন কাৰ্য্য হোৱা উচিত,—প্ৰজা যাতে শান্তিৰে বাহিৰৰ শত্ৰুৰপৰা ৰক্ষিত হয় তালৈ চকু ৰখা। প্ৰজাই নিজৰ ভালৰ নিমিত্তে নিজে কৰা কাৰ্য্য আৰু অনুষ্ঠানবোৰ গবৰ্ণমেণ্টে প্ৰজাৰ ভালৰ নিমিত্তে কৰা কাৰ্য্য আৰু অনুষ্ঠানবোৰতকৈ শ্ৰেষ্ঠ। প্ৰজাৰ নিমিত্তে গবৰ্ণমেণ্টে জাতীয় শিক্ষাৰ প্ৰণালী একেটা সাঁচতে মাৰি একেৰকমৰে প্ৰজা কৰাতকৈ, প্ৰজাই নিজে ব্যৱস্থা কৰা নানা প্ৰকাৰ শিক্ষাত নানা প্ৰকাৰে শিক্ষিত হোৱা ভাল। গবৰ্ণমেণ্ট অনুমোদিত আৰু পৃষ্ঠপোষিত "ষ্টেট চৰ্চ্চ" ধৰ্ম্মই মাথোন এবিধ ধৰ্ম্মভাব আৰু ধৰ্ম্মশিক্ষালৈ মানুহক নি মানুহৰ স্বাধীন চিন্তাৰ বিকাশত বিঘিনি ঘটায়। গবৰ্ণমেণ্টৰ দ্বাৰাই প্ৰচলিত অনুষ্ঠিত আৰু শাসিত নীতি নিয়মে ভাল নিজু প্ৰজা কৰিব পাৰে, কিন্তু প্ৰজাক এজাক মেৰ ছাগৰ নিচিনা নকৰিও নেৰে।

অৱশ্যে সকলো মানুহৰ প্ৰকৃতি সজ বুলি ধৰিলে হম্‌বোল্টৰ এই ব্যৱস্থা ৰজে; কিন্তু তেনে তো নহয়। হম্‌বোল্টে নিজৰ নিচিনাকৈ সকলোকে ভবাৰে এইটো এটা চিনাকিহে। শাসন যন্ত্ৰৰ কঠোৰতা বঢ়াবলৈ পৰামৰ্শ দিয়াসকলে যেনেকৈ সকলো মানুহকে বা মনুষ্য-সমাজৰ সৰহখিনিক অসজ প্ৰকৃতিৰ ভাবি ভ্ৰমত পৰে, হম্‌বোল্টে সেইদৰেই সকলোকে নিজৰ নিচিনা সজ প্ৰকৃতিৰ বুলি ধৰি লৈ ওলোটাফালে এনেকৈ ভ্ৰমত পৰিছে। হম্‌বোল্টৰ এই মতকে তেওঁৰ বন্ধু চিলৰে Schiller তেওঁৰ Letters on the Æsthetic Education of Man* নামে কিতাপত আৰু বিশদভাৱে প্ৰকাশ কৰিছে। হম্‌বোল্টে নিশ্চয় ভাবিছিল যে এই পৃথিবী তেওঁৰে নিচিনা ধাৰ্ম্মিক ন্যায়বান আৰু জ্ঞানীলোকেৰে পূৰ্ণ. যিসকলে গবৰ্ণমেণ্টৰ শাসনদণ্ডেৰে পৰিচালিত নহলেও, আওবাটে নগৈ পৃথিবীক স্বৰ্গৰাজ্য কৰি তুলিব।

ক্যাণ্টও হম্‌বোল্টৰ দৰে ব্যক্তিগত স্বাধীনতা আৰু "বসুধৈব কুটুম্বকং" বাদী আছিল। "এমেৰিকান বাৰ-অৱ-ইণ্ডিপেণ্ডেন্স" অৰ্থাৎ আমেৰিকাই স্বাধীন হবৰ নিমিত্তে ইংলণ্ডৰে সৈতে কৰা যুদ্ধই ক্যাণ্টৰ সম্পূৰ্ণ সহানুভূতি পাইছিল। "ফ্ৰেন্স ৰিভলিউচন" অৰ্থাৎ ফৰাচী বিপ্লৱেও তেওঁৰ মন



সম্পূৰ্ণৰূপে আকৰ্ষণ কৰিছিল, যদিও তেওঁ তেতিয়া প্ৰায় ৭০ বছৰীয়া বুঢ়া। তেওঁৰ Relgion নামে কিতাপত তেওঁ,—যিসকলে কৈছিল যে ফৰাচীজাতি স্বাধীনতা লাভ কৰিবৰপৰা পৈণত অৱস্থালৈ অহা নাই বুলি,—সেই সকলৰ যুক্তি খণ্ডন কৰিছিল। তেওঁ কৈছিল "স্বাধীনতাক বুজিসুজি ভালকৈ ব্যৱহাৰ কৰিব জানিবলৈ হলে স্বাধীন হব লাগে। প্ৰথম ডোখৰৰ চেষ্টা স্বভাৱতে অসম্পূৰ্ণ আৰু দোষ থকা হব; কিন্তু পিছত সি সম্পূৰ্ণ সফলতা লাভ কৰিবই; কাৰণ ঈশ্বৰে মানুহক স্বাধীনতা দান কৰিবলৈকে সৃজন কৰিছে।" ইয়াৰ চাৰি বছৰৰ পিছত তেওঁ Philosophy of Law নামে যি গ্ৰন্থ ৰচনা কৰিছিল, তাত তেওঁ বিশেষকৈ কৈছিল যে সাম্য, স্বাধীনতা আৰু ব্যক্তিগত মুক্তভাৱ প্ৰজাৰ জন্মগত গুণ, আৰু যি গবৰ্ণমেণ্টত প্ৰজাৰ ইচ্ছা প্ৰতিফলিত হব সিয়েই হে উৎকৃষ্ট গবৰ্ণমেণ্ট। তেওঁৰ গোটেই জীৱনত তেওঁ শিক্ষা দিছিল যে মানুহ জ্ঞান আৰু নীতিবিশিষ্ট প্ৰাণী; আৰু ৰাজনীতি ন্যায় আৰু সুনীতিৰ ওপৰত পৰিস্থাপিত হোৱা উচিত।

ক্যাণ্টৰ Perpetual Peace নামে গ্ৰন্থৰ প্ৰধান কথা হৈছে, যে যদি ন্যায় আৰু সুনীতিয়েই ৰাষ্ট্ৰনীতিৰ ভেটি হল, তেন্তে সেই ৰাষ্ট্ৰনীতিয়ে পৃথক পৃথক ৰাজ্যবোৰৰ পৰস্পৰকো নিয়মিত কৰি ৰাখিব লাগিব। যদি প্ৰত্যেক ৰাজ্যই নিজৰ জীৱন নিয়মিত কৰিবলৈ ন্যায় আৰু সুনীতিৰ অধীনতা নামানে, তেন্তে যুদ্ধবিগ্ৰহ অৱশ্যম্ভাৱী। গবৰ্ণমেণ্টৰ ইচ্ছা আৰু কাৰ্য্যত যদি প্ৰজাৰ অভিমত আৰু ইচ্ছাৰ নিয়ামক হাত থাকে তেন্তে প্ৰজাই নিজৰ অনিষ্ট সাধন কৰি সহজে যুদ্ধবিগ্ৰহাদিত গবৰ্ণমেণ্টক লিপ্ত হবলৈ কেতিয়াও নিদিয়ে। সেইদেখি ক্যাণ্টৰ মতে গবৰ্ণমেণ্ট Republican অৰ্থাৎ প্ৰজাতন্ত্ৰ হব লাগে। Republican শব্দটোৰ ভিতৰত তেওঁ প্ৰত্যেক Constitutional গবৰ্ণমেণ্টক সুমাইছে। আত্মম্ভৰী, ক্ষমতাপ্ৰিয় আৰু মইমতীয়া গবৰ্ণমেণ্টৰ ঠাই কাণ্টৰ মতে প্ৰজাতন্ত্ৰই অধিকাৰ কৰা উচিত, আৰু তেনেহলেহে বেলেগ বেলেগ ৰাজ্যবোৰৰ ভিতৰত শৃঙ্খলাৰ ভাৱ আৰু পৰস্পৰ আপেক্ষিক সম্বন্ধ স্থাপিত হব। কাণ্টে কয়, যুদ্ধ আৰু জয়ৰ দ্বাৰাই কেতিয়াও স্বত্বৰ নিৰ্ণয় আৰু বিচাৰ হব নোৱাৰে। ৰাজ্যবোৰৰ ভিতৰত "Federation of Free States" সম্বন্ধ হোৱা উচিত। এনেকুৱা

World-Republic অৰ্থাৎ পৃথিৱী জুৰি হোৱা প্ৰজাতন্ত্ৰ অৰ্থাৎ এখন ৰাজ্যৰ ভিতৰত যেনেকুৱা প্ৰজাতন্ত্ৰ হব লাগে, সুকীয়া ৰাজ্যবোৰৰ ভিতৰতো প্ৰজাতন্ত্ৰৰ সম্বন্ধ স্থাপিত হৈ এক বিৰাট প্ৰজাতন্ত্ৰ হোৱা উচিত, যেন সুকীয়া সুকীয়া ৰাজ্যবোৰে সেই বিশ্বৰূপী প্ৰজাতন্ত্ৰৰ একো একোটা প্ৰজাৰ ঠাই অধিকাৰ কৰে। এনে হলেহে জগতত যুদ্ধ বিগ্ৰহ দূৰীভূত হৈ চিৰশান্তি স্থাপিত হব। প্ৰকৃতি, কাণ্টৰ মতে, শান্তি-অভিমুখী। স্বভাৱতে এই পৃথিৱীত একে ৰকম প্ৰকৃতিৰ মানুহৰ দ্বাৰাই একো একো ঠাইত বসতি স্থাপিত হয়, আৰু কালক্ৰমত সেই সুকীয়া সুকীয়া বসতিত থকা মানুহবোৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰ কৰিবলৈ শিকে। ব্যৱসায় বাণিজ্যই জগতত মনুষ্যজাতিৰ ভিতৰত পৰস্পৰ সম্বন্ধ আৰু নিৰ্ভৰ স্থাপনা কৰায়। জগতত নানা দেশ নানা জাতিৰ ভিতৰত শান্তি স্থাপনৰ প্ৰধান উপাদান—মানুহৰ অন্তৰত থকা ন্যায় অন্যায়ৰ জ্ঞান আৰু বিবেচনা।

হম্‌বোল্ট আৰু ক্যাণ্টৰ, ওপৰত কোৱা ভাব আৰু শিক্ষাই ফিক্টেৰ হাতত ভয়ঙ্কৰ মূৰ্ত্তি ধৰিলে। ১৭৯৩ খৃষ্টাব্দত ফিক্টেয়ে তেওঁৰ নাম নিদিয়াকৈ এখন সৰু কিতাপ লেখি প্ৰচাৰ কৰিলে; কিতাপ খনৰ নাম "A demand for freedom of thought presented to the princes of Europe who have hither to suppressed it"। তেওঁৰ দেশৰ ৰজাৰ ওপৰত ই এক ভীষণ আক্ৰমণ। তেওঁ তাত লেখিছিল যে "আমাৰ দুৰ্দ্দশাৰ অনেক কাৰণৰ ভিতৰত এটা কাৰণ হৈছে—আমি এই ৰজাসকলৰ বিষয়ে অতিৰঞ্জিত ভাব আমাৰ মনত পোষণ কৰাটো। মানুহ অকল নিজৰ বিবেকৰ দ্বাৰাই শাসিত হয়। মানুহে গৰু ছাগলীৰ দৰেহে, পৈতৃক সম্পত্তিৰূপে উত্তৰাধিকাৰী হব পাৰে, মানুহৰ নহয়। ৰজাৰ ক্ষমতা প্ৰজাৰে দিয়া; ৰজাৰ "দলিল-দস্তাবিজ" আৰু বন্ধবস্তৰপৰা উৎপন্ন হোৱা"—ইত্যাদি।

ফৰাচী বিপ্লৱে জৰ্ম্মাণ মানুহৰ মনত স্বাধীন ভাৱৰ যি তৰঙ্গ তুলিলে, সি ফিক্টেৰ লেখাইদি গা দেখা দি ওলাল। ফিক্টে যদিও সমাজ ওলোটা-পালটা কৰা বিধ পৰিবৰ্ত্তনৰ পক্ষপাতী নাছিল, তথাপি তেওঁ বিপ্লৱ যে ন্যায্য এইটোৰ সমৰ্থন কৰিছিল। তেওঁৰ মতে মানুহ নৈতিক নিয়মৰহে অধীন হৈ থকা উচিত। সমাজৰ প্ৰত্যেক মানুহৰে contract খতৰ



( অৰ্থাৎ ৰজাপ্ৰজাৰ সম্বন্ধৰ খৎ ) তেওঁৰ অংশত পৰা ফেৰা বাতিল কৰিবৰ অধিকাৰ আছে। যদি প্ৰত্যেক মানুহৰে এনে স্বাধীনতাৰ অধিকাৰ থাকিল, তেন্তে গোটেই প্ৰজাই নিজৰ স্বাধীনতা আৰু উন্নতিৰ বাটত থকা প্ৰতিবন্ধকবোৰ গুচাবলৈ চেষ্টা কৰিবৰ সম্পূৰ্ণ অধিকাৰী।

কিন্তু ফিক্টেয়ে সোনকালে বুজিলে যে এনে উদ্দাম ব্যক্তিত্ব দোষযুক্ত আৰু নিটিকা বিধৰ। Nationalism জাতীয়তাবাদ ফৰাচী বিপ্লৱৰপৰা উদ্ভৱ হোৱা বস্তু। ফ্ৰান্সে ভাৰ্চেলত ( Versaille. ) যি শিক্ষা লভিলে, প্ৰুচিয়াই সেই শিক্ষা লভিলে জেনাত ( Jena )। ইয়াৰ পিছৰপৰাই ফিক্টে ৰজাসকলক কলাকৈ আৰু প্ৰজাবোৰক বগাকৈ আঁকিবলৈ এৰি National State জাতীয় ৰাষ্ট্ৰগঠননীতিৰ প্ৰচাৰক হল। জাতীয় ৰাষ্ট্ৰগঠন কাৰ্য্যত স্বশক্তিপৰিজ্ঞাত উন্নত প্ৰজাৰ আৰু ৰাজক্ষমতাৰ সম্মিলন অত্যাৱশ্যক যে এইটো ফিক্টেয়ে দৃঢ়ভাৱে কবলৈ ধৰিলে।

হম্‌বোল্ট ক্যাণ্ট ফিক্টেৰ ৰাষ্ট্ৰনীতি-বিষয়ক শিক্ষাই হেগেলৰ হাতত পৰিণতি লাভ কৰিলে। হেগেলে জাতীয় জীৱনকে তেওঁৰ কথাৰ ভেটি কৰি লৈ তাৰ উন্নত বিকাশকে আদৰ্শ বুলি শিক্ষা দিলে। হেগেলৰ মতে "সুশৃঙ্খলাই সমাজৰ থাই লাগতিয়াল বস্তু। ফৰাচী বিপ্লৱৰ বিভৎস আকাৰে মানুহক মাত্ৰ স্বাধীনতা বুলিলেই জঁপিয়াই উঠিবলৈ এৰুৱালে। শৃঙ্খলিত আৰু সুব্যৱস্থিত গৱৰ্ণমেণ্ট হে প্ৰজাৰ স্বাধীনতা বিকাশৰ নিমিত্তে অত্যাৱশ্যক। গৱৰ্ণমেণ্টে আইন কৰোতে প্ৰজাৰ সহায় লোৱা উচিত, আৰু স্বাধীনতাৰ নিমিত্তে গৱৰ্ণমেণ্টৰ কাৰ্য্যত প্ৰজাৰ ইচ্ছা প্ৰতিফলিত হব লাগিব।"

১৮২০ খৃষ্টাব্দত হেগেলে তেওঁৰ গ্ৰন্থ Philosophy of Law প্ৰকাশ কৰে। তেওঁ তাত কয় যে পুৰুষানুক্ৰমিক ৰজা গৱৰ্ণমেণ্টৰ গুৰিত থাকিব লাগে। গৱৰ্ণমেণ্টত ৰজাৰ মত প্ৰতিস্থাপিত হব লাগে; কাৰণ সি অনেক শতিকাৰ বহুদৰ্শিতাৰ ফল। আইন গঠন কৰোতা সভা Legislature আৱশ্যকীয়। আইন গঠন কাৰ্য্যত শেষ সিদ্ধান্ত প্ৰজাৰ হাতত নাথাকি গৱৰ্ণমেণ্টৰ হাতত থাকিব লাগে, কাৰণ গৱৰ্ণমেণ্টৰ বহুদৰ্শী বিচক্ষণ বিষয়াসকল সম্মিলিত বিচাৰ আৰু সিদ্ধান্তৰ কাৰ্য্যত, সাধাৰণ প্ৰজাতকৈ

বেছি পৈণত। ৰাষ্ট্ৰনীতি বৰ জটিল আৰু দুৰুহ ; প্ৰজাই তাত ওপৰুৱা জ্ঞানেৰে প্ৰবেশ কৰাটো অসম্ভৱ।" সাধাৰণ প্ৰজাৰ বিচাৰ বিবেচনাৰ ওপৰত ফৰাচীবিপ্লৱ প্ৰতিষ্ঠিত, যাৰ ফল প্ৰজাতন্ত্ৰ। হেগেলৰ ৰাষ্ট্ৰনীতিৰ ভাব সেই বাটৰ বাটকৰা নহয়। হেগেলৰ মতে ৰাজ্যবোৰৰ নৈতিক বন্ধনৰ সম্বন্ধ পৰস্পৰ আপেক্ষিক নহয়। দুই ৰাজ্যৰ ভিতৰৰ মতৰ অনৈক্যৰ বিচাৰ যুদ্ধৰ দ্বাৰাই হে মীমাংসা হব পাৰে। পৰৰাষ্ট্ৰনীতিৰ শেষ বিচাৰ যুদ্ধৰ দ্বাৰাই হব। যুদ্ধ বেয়াও নহয় ভালো নহয়, সি এটা স্বাভাবিক কাৰ্য্য। International Law অৰ্থাৎ পৃথক ৰাজ্যবোৰৰ ভিতৰত আন্তৰ্জাতিক ৰাষ্ট্ৰনৈতিক আইনৰ বান্ধোন একো নাই। ৰাজ্যবোৰ তেনে বান্ধোনেৰে আবদ্ধ নহয়, মাত্ৰ পৃথিবীত শৃঙ্খলা আৰু শান্তিপ্ৰিয়তাৰ ভাব হে সেই বান্ধোন।" হেগেলে যদিও এনে মত প্ৰকাশ কৰিছিল, তথাপি তেওঁৰ পিছত প্ৰচলিত হোৱা মত, যেনে,—পৰৰাজ্য আক্ৰমণ, আৰু বলেৰে পৰক শাসন, এই মতৰ তেওঁ প্ৰচাৰক নাছিল

হেগেলৰ পিছত অধ্যাপক দেল্‌মেনে ( Dahlmann ) Constitutional Government যে ভাল এই মত প্ৰচাৰ কৰে। Representative Government দেলমেনৰ মতে সৰ্ব্বোৎকৃষ্ট। ইংলণ্ডৰ শাসনপ্ৰণালী তেওঁৰ আহি। যদিও তেওঁৰ এই মতে তেওঁৰ কালত বেছ প্ৰতিপত্তি লাভ কৰিছিল, কিন্তু তেওঁৰ পিছত ই আৰু বৃদ্ধিলাভ কৰিব নোৱাৰিলে। বিচ্‌মাৰ্কৰ প্ৰভুত্বৰ লগে লগে প্ৰুচিয়া আকৌ আগৰ ভাবলৈ উলটিল। বৰ্ত্তমান জৰ্ম্মাণ সম্ৰাটৰ পিতাক ফ্ৰেডৰিক উইলিয়েমে যি শাসন-প্ৰণালী প্ৰবৰ্ত্তিত কৰিলে সেই শাসনপ্ৰণালীত ৰাজ-ক্ষমতা অক্ষুণ্ণভাবে ৰল। সেই প্ৰণালী এতিয়ালৈকে জৰ্ম্মাণিত বৰ্ত্তমান। তেওঁ প্ৰজাক যিবোৰ স্বত্ব দান কৰিছিল, সেইবোৰ অনিচ্ছাপূৰ্ব্বক হে দিছিল, আৰু তেওঁৰ উত্তৰাধিকাৰীলৈ গোপনীয় উপদেশ থৈছিল, যে সেইবোৰ যেন লাহে লাহে কাঢ়ি লোৱা হয়। য়ীহুদি জাতৰ ষ্টলৰ ( Stahl ) মত ইয়াৰ পিছত জৰ্ম্মাণিত প্ৰবল হয়। ষ্টলে তেওঁৰ "Philosophy of Law" কিতাপত Liberalism-অৰ বিপক্ষে আৰু Christian State-অৰ সপক্ষে খুব বলেৰে মত প্ৰকাশ কৰিছে। ষ্টলৰ মতে Law of Nature অৰ্থাৎ প্ৰাকৃতিক নিয়মমতে



ৰাষ্ট্ৰনীতি সংগঠিত নহৈ খৃষ্টিয়ান ধৰ্ম্মৰ মতানুযায়ী গঠিত হব লাগে। মানুহৰ ওপৰত মানুহৰ শাসন আৰু প্ৰভুত্বৰ গুৰিত খৃষ্টান ধৰ্ম্মৰ অনুশাসন আৰু প্ৰভুত্ব থাকিব লাগিব। তেওঁৰ মতে ৰজাৰ মুকুটৰ ওপৰত স্বৰ্গীয় জ্যোতি আৰু ক্ষমতা বৰ্ত্তমান। ৰাজনৈতিক যুদ্ধক্ষেত্ৰত ষ্টলে দুটা দল মাথোন দেখিছিল—এটা Christian State খৃষ্টান ৰাজশক্তি, আনটো Revolution বা বিপ্লৱ। খৃষ্টান ৰাজশক্তি সদায় বিপ্লৱৰ পৰিপন্থী। জনসংখ্যাৰ ওপৰত ৰাজ-ক্ষমতাৰ প্ৰভুত্ব সদায় থাকিব লাগে। বৰ্ত্তমান জৰ্ম্মাণিত ৰজাৰ Divine right ঈশ্বৰৰপৰা-পোৱা-ক্ষমতা মতৰ প্ৰধান গুৰু এই ষ্টল।

ইতিমধ্যতে বিচ্‌মাৰ্কৰ কূট-ৰাজনীতিয়ে জৰ্ম্মাণিৰ মন জাতীয় আৰু আন্তৰ্জাতিক ৰাষ্ট্ৰনীতিৰ ফালে ঢাল লোৱালে। বিচ্‌মাৰ্ক প্ৰবৰ্ত্তিত এই বিপৰীত গতিৰ প্ৰধান সহায় হল ত্ৰিট্‌চ্‌কেৰ ( Trietchke ) ৰচনা আৰু বাগ্মীতা। এওঁৰ মতে Science of Society অৰ্থাৎ সমাজবিজ্ঞান নামে একো বস্তু নাই ; ৰাষ্ট্ৰনীতিবিজ্ঞান হে আচল অস্তিত্ব থকা পদাৰ্থ। ভ বা যেনেকৈ আৱশ্যকীয় জাতীয় বস্তু, গৱৰ্ণমেণ্টো তেনেকুৱা। ক্ষমতাশালী গৱৰ্ণমেণ্টৰপৰাই প্ৰজাৰ নৈতিক আৰু বৈষয়িক উন্নতি আৰু শান্তিৰ উপায় হয়। প্ৰজাৰ স্বাধীনতাৰ বিকাশ এনে গৱৰ্ণমেণ্টৰ তলতহে হব পাৰে। প্ৰুচিয়াৰ ৰাজ দণ্ডছত্ৰ সকলো জৰ্ম্মাণ জাতিৰ সম্মিলন সংঘটনৰ ঠাই হোৱা উচিত। ত্ৰিট্‌চ্‌কে যদিও গুৰিতে বিচ্‌মাৰ্কৰ নীতিৰ পক্ষপাতী নাছিল, কিন্তু অলপ কালৰ ভিতৰতে তাৰ ঘোৰ পক্ষপাতী হৈ পৰিল, আৰু পৰৰাষ্ট্ৰআক্ৰমণবাদীসকলৰ নেতা হৈ Socialism চোচিয়েলিজম কঠোৰ হাতেৰে শাসন কৰিবৰ পৰামৰ্শদাতা হৈ পৰিল। এওঁৰ মত—শক্তিমন্ত গৱৰ্ণমেণ্টেৰে সংগঠিত ৰাজ্যই নৈতিক আৰু বৈষয়িক উন্নতিৰ উপায়। গৱৰ্ণমেণ্টেহে মানুহৰ সুখ-সমৃদ্ধি বৃদ্ধি কৰিব পাৰে ; আৰু এনে কৰিবলৈ State প্ৰবল শক্তিশালী হব লাগিব। প্ৰজাই এনে গৱৰ্ণমেণ্টৰ কাৰ্য্য অনুমোদন কৰক বা নকৰক, গৱৰ্ণমেণ্টৰ সেইটোলৈ চোৱাটো কৰ্ত্তব্য নহয়। পুৰুষানুক্ৰমিক ৰাজশক্তি, ৰাজ্যৰ প্ৰবল ডাঙৰীয়াসকলৰ শক্তিৰে সম্মিলিত হলে জাতীয়শক্তি বৃদ্ধি প্ৰাপ্ত হব, আৰু গৱৰ্ণমেণ্টৰ বিষয়াসকলে

প্ৰজাৰ কেচা মতামতৰপৰা বিমুক্ত হৈ প্ৰজাৰ মঙ্গলজনক কাৰ্য্য কৰি যাব পাৰিব। গবৰ্ণমেণ্ট কোনো বাহিৰা প্ৰভুত্বৰ তলতীয়া নহয়। International Law আন্তৰ্জাতিক আইন কথাটো এটা শব্দৰ সমষ্টি মাথোন; তাৰ কোনো অস্তিত্ব নাই। জাতীয় সম্মান বা জাতীয় মঙ্গলৰ নিমিত্তে আৱশ্যক হলেহে পৰৰাজ্যেৰে সৈতে যুদ্ধলৈ আগবাঢ়িব লাগে। স্বকীয়া ৰাজ্যৰ ওপৰত কোনো আদালত নাই। যুদ্ধ অপৰিহাৰ্য্য বেয়া বস্তু নহয়, যুদ্ধ ৰাজনৈতিক কাৰ্য্য আৰু স্বদেশৰ হিতৰ নিমিত্তে আৱশ্যকীয়। পিতৃভূমিৰ নিমিত্তে কৰা যুদ্ধই জাতিক সৰ্ব্বপ্ৰকাৰে উন্নত আৰু এক কৰে। পৃথিৱীৰ পৰা যুদ্ধ গুচাবৰ আশা অকল অৰ্থশূন্যই নহয়, নীতিবিগৰ্হিতো। পৃথিৱীত যুদ্ধ নাইকিয়া হলে পৃথিৱীখন স্বাৰ্থপৰতাৰ এটা বৃহৎ মন্দিৰ হব মাথোন। যুদ্ধ কৰ্ত্তীয়া জাতিৰ পক্ষে দৰৰ। The State is Power অৰ্থাৎ গবৰ্ণমেণ্টেই সকলো শক্তিৰ আধাৰ। ৰাজ্যৰ সকলো অনুষ্ঠান সকলো কাৰ্য্য এই লক্ষ্য ৰাখি কৰা হব লাগিব। ৰাজ্যৰ ডেকাসকলক যুদ্ধবিদ্যাত পাৰ্গত কৰিব লাগে, আৰু Duelling দ্বন্দ্বযুদ্ধত উৎসাহ দি ডেকাসকলক সাহিয়াল কৰি ৰাখিব লাগে। জৰ্ম্মাণিক শক্তিশালী ৰাজ্য কৰিবৰ হলে, সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ কৰিবলৈ হলে, আৰু নিজৰো আত্মসম্মান ৰক্ষা কৰিব পৰা কৰিবৰ হলে, জৰ্ম্মাণিৰ হাতত ইন্দ্ৰৰ বজ্ৰ দিব লাগিব। জৰ্ম্মাণিৰ বীৰত্ব প্ৰবল আৰু তাৰ গতি দ্ৰুত হব লাগিব।" জৰ্ম্মাণ অধ্যাপক ত্ৰিট্‌চকেৰ এই শিক্ষা। ত্ৰিট্‌চকেৰ শিক্ষাৰ বেয়াবোৰ বাৰ্ণাডিৰ কিতাপৰ পিঠিত জিলিকিব লাগিছে। বৰ্ত্তমান যুদ্ধৰ মাহচেৰেকৰ আগতে অধ্যাপক দেলব্ৰুকে (Delbruck) বাৰ্লিন বিশ্ববিদ্যালয়ত কিছুমান বক্তৃতা দিছিল, তাৰ সাৰাংশ এই—Democratic Government অৰ্থাৎ প্ৰজাতন্ত্ৰ জুৱাচুৰি আৰু মিছা। জৰ্ম্মাণ গবৰ্ণমেণ্ট পৃথিৱীৰ ভিতৰত শ্ৰেষ্ঠ গবৰ্ণমেণ্ট। প্ৰজাতন্ত্ৰত প্ৰজাৰ "ভোট" সমূহ প্ৰজাৰ ক্ষুদ্ৰ একাংশ মত মাথোন। প্ৰজাৰ ভোটেৰে ৰাজসভালৈ প্ৰতিনিধি পঠিয়া ক্ষমতাও মিছা; কাৰণ যাৰ সৰহকৈ ধন আছে, আৰু ভোট গোটাবৰ ফিকিৰ আছে, তেনে মানুহেই প্ৰজাৰ "ভোট" বা মত সংগ্ৰহ কৰি প্ৰজাই বছা প্ৰতিনিধি বুলি ৰাজসভালৈ আহে, আচলতে প্ৰজাৰ মতামত তেনে মানুহৰ দ্বাৰাই কেতিয়াও প্ৰকাশ নহয়। আকৌ প্ৰজাৰ নিৰ্ব্বাচিত



ৰাজসভা সোনকালে ভেটিখোৱা আদি দোষত পৰি অধোগামী হয়।" বিচ্‌মাৰ্কে অকল যে জৰ্ম্মাণ সাম্ৰাজ্য গঠন কৰিলে এনে নহয়, এনে ৰাজতন্ত্ৰ স্থাপন কৰিলে যে সি সেই সাম্ৰাজ্যৰ যোগ্য বস্তু। জৰ্ম্মাণিৰ The Reichtag ৰিচ্‌টেগ এনে ক্ষমতাৰ অধিকাৰী, যি ক্ষমতা পাৰ্লিমেণ্ট মাত্ৰকৰে থকা উচিত। জৰ্ম্মাণিৰ শাসনযন্ত্ৰ দুভাগবিশিষ্ট। এভাগ বুণ্ডা আৰু আনভাগ ৰিচ্‌টেগ। এই দুভাগৰে সমান ক্ষমতা, সমান উপযোগিতা। এই দুভাগ মিলি প্ৰজাৰ স্বাৰ্থ আৰু ৰজাৰ ইচ্ছা এই দুইৰো পূৰ্ণবিকাশ কৰিছে।

ইংলণ্ডৰ ৰাজক্ষমতা প্ৰকৃতপক্ষে হাউচ্-অৱ্-কমন্সৰ হাতত, ফ্ৰান্সতো তেনে। জৰ্ম্মাণিৰ ৰাজক্ষমতা প্ৰকৃতপক্ষে সম্ৰাটৰ হাতত। জৰ্ম্মাণিৰ বিষয়াসকলে, বিশেষকৈ যুদ্ধবিভাগৰ বিষয়াসকলে ৰজাৰ হে চাকৰী কৰে বুলি ভাবে, প্ৰজাৰ চাকৰী কৰে বুলি নাভাবে। যুদ্ধবিভাগৰ সকলো বিষয়াৰ দৃঢ় ধাৰণা যে তেওঁলোক, ৰিচ্‌টেগে বাছি দিয়া প্ৰজাৰ প্ৰতিনিধি যুদ্ধবিভাগৰ মন্ত্ৰীৰ আজ্ঞাবহ নহয়, সম্ৰাটৰ হে।

মুঠতে কবলৈ গলে,—ফৰাচী বিপ্লৱে জড় জৰ্ম্মাণিৰ গাত চেতনা প্ৰদান কৰি জৰ্ম্মাণিক ভাবিবলৈ শিকালে। নেপোলিয়ন বোনাপাৰ্টৰ অত্যাচাৰে জাতীয় ভাব সংগঠন কৰিলে। ফিক্টেয়ে গবৰ্ণমেণ্ট বা শাসনযন্ত্ৰৰ মোল দেখুৱালে, আৰু হিগেলৰ দ্বাৰাই সি সমৰ্থিত হল। তাৰ পিছত স্বাধীনতা আৰু ক্ষমতা এই দুটাৰ সম্মিলনৰ চেষ্টা হল। তাৰ পিছত জৰ্ম্মাণিৰ যুদ্ধত জয়ে জৰ্ম্মাণিক প্ৰজাৰ ব্যক্তিগত স্বত্ব আৰু স্বাধীনতালৈ পাহৰোৱালে, আৰু গবৰ্ণমেণ্ট আৰু প্ৰজাৰ ভিতৰত যে অংশীদাৰৰ সম্বন্ধ সেইটো অস্বীকাৰ কৰোৱালে। ৰাজক্ষমতা জৰ্ম্মাণ ৰাষ্ট্ৰনীতিৰ মূৰৰ কলচী হল।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।

---

## মিছিমি।

মিছিমিইঁতৰ ভিতৰত মুঠতে বেবেজীয়া, চুলিকটা, দিগাৰু আৰু মেজু বুলি চাৰি জাতৰ মানুহ আছে। ইইঁতৰ উৎপত্তিৰ কথা লিখাৰ পক্ষে,

সাধাৰণৰ কিয়, চৰ্কাৰী ৰাজঘৰীয়াসকলৰ পক্ষেও একৰকম অসম্ভৱ। কাৰণ, তাইঁতৰ চুলিকটাৰ দুই চাৰিত বাজে কোনেও অসমীয়া কব নেজানে। বেবেজীয়া আৰু চুলিকটাইঁতৰ জাতীয় নাম হৈছে 'মিথুন' আৰু 'মিছু'। 'তাৰ' নামে এটা মানুহৰপৰা চুলিকটা জাতিৰ আৰু 'তাৰবে' ভায়েক 'তানাইৰ' পৰা আবৰইঁতৰ উৎপন্ন হৈছে বুলি কয়। সেই কাৰণে চুলিকটা-বোৰে আবৰইঁতৰ লগত সম্বন্ধ লগায়। বেবেজীয়াইঁতে দিগাৰুৰ একে আদিপুৰুষৰপৰা অহা বুলি ধৰে। দিগাৰুইঁতে বেবেজীয়াৰ লগত কিবা সম্পৰ্ক লাগে বুলি সমুলি নপতিয়ায়। বাস্তৱতে তাইঁতৰ আচাৰ-ব্যৱহাৰ,থকা-মেলাৰ ধৰণ, পিন্ধা-উৰা আৰু মাত-বোল একে যদিও,বেবেজীয়াইঁতৰ দৰে চুলিকটাই দিগাৰু ছোৱালী কেতিয়াও বিয়া নকৰায়। কিন্তু চুলিকটা আৰু বেবেজীয়াইঁ-তৰ ভিতৰত হলে একো হকা-বধা নোহোৱাকৈ ছোৱালী অনা-নিয়া কৰে।

বেবেজীয়াইঁত সদিয়াৰ ভালেমান ওপৰৰ আইথুন্ আৰু ইথাই নৈৰ ওচৰৰ ৫০০ মাইল মান জুৰি থকা নামনি ঠাইত থাকে। সেই ঠাইৰ সীমা হৈছে :—উত্তৰ আৰু দক্ষিণে আইথুন্ আৰু ইথাই নৈৰ ওচৰৰ ১০,০০০ ফুট ওখ পৰ্ব্বতশ্ৰেণী ; পুবে দিগাৰুইঁতৰ সীমাৰ পৰ্ব্বত ; পশ্চিমে কালীনৈ গাৱঁৰ ওচৰৰ দিবাংনৈৰ কাষৰৰ আইমুমাথাই গাওঁ। দিবাংনৈৰ দুই পাৰৰ আৰু তাৰ অসংখ্য সৰু বৰ সুঁতিৰ ওচৰৰ আৰু নিজাম ঘাটৰপৰা ঠিক উত্তৰে তিব্বতৰ ওচৰলৈকে বিয়লি থকা আটাইবোৰ পৰ্ব্বতীয়া ঠায়েই চুলিকটা মিছিমিইঁতৰ দখলত আছে। চুলিকটাইঁতৰ থকা ঠাই বেবেজীয়াইঁতকৈ বহতো। ভালেমান বছৰৰ আগেয়ে চুলিকটাইঁতে আবৰইঁতৰ এলেকাৰ চিচিৰি নৈৰকাষৰ আটাইবোৰ ঠাইলৈকে আহি গাওঁ পাতি আছিল। আবৰইঁতে অনেক যুঁজবাগৰৰ পাছত সিইঁতক হৰুৱাই তাৰপৰা খেদি দিয়ে। এতিয়া নিজাম ঘাটৰ ওচৰৰ মিছিমিইঁতৰ মাত্ৰ ২।৩ খনহে গাওঁ আছে. চুলিকটাইঁতৰ থকা ঠাই বেবেজীয়াইঁততকৈ বহতো সৰহ। দিগাৰুবোৰ চুলিকটাৰ নামত থাকে। কুণ্ডিল নৈ আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ এডোখৰ ঠাইত ইইঁতৰ গাওঁ। মেজু মিছি-মিবোৰ আকৌ দিগাৰুইঁতৰ ভালেমান উত্তৰ-পূৰ্ব্বলৈ থাকে। দিগাৰু আৰু মেজু মিছিমিৰ পিন্ধা-উৰা, গঢ়-গতি আৰু আইন কথা-বতৰা তেনেই একে।



মিছিমিইঁতৰ প্ৰত্যেক জাতৰে ভালেমান খেল আছে। দিগাৰুইঁতৰ 'ইয়াগুয়েন,' 'তেবিং' আৰু 'ত্ৰমা' আৰু মেজুইঁতৰ 'প্ৰাণ', 'চিবাই'. 'লেপ', 'লামা' 'টলাং', 'কামাল,' 'মেনয়েন', 'লাপৰ', 'নাহ', 'এড্যাটং', 'ট্ৰমক্ৰ' নামৰ কেখেলেই প্ৰধান।

## শাসন প্ৰণালী।

ইইঁতৰ ভিতৰত সকলোৱে পাতি বা মানি লোৱা তেনে কোনো ৰজা নাই। প্ৰত্যেক খেলৰে এটা বা দুটা ডাঙৰমুৰীয়া মানুহ আছে। কিন্তু এই বাৰ পুৰুষানুক্ৰমে পো-নাতিয়ে নেপায়। যাৰে অলপ সৰহ ধন-বিত বা বস্তু-বেহানি থাকে আৰু যাৰে মুখ চোকা অৰ্থাৎ সহজে নানা কথা কোৱা-মেলাৰ অভ্যাস আছে তাকে এনে পদ দিয়া হয়। এইবোৰ মানুহে দন্দ-কাজীয়া ভাঙ্গে, গাৱঁৰ মেল সোধে আৰু গাৱঁৰ যাতে ভাল হয় এনেকুৱা কাৰ্য্য কৰে। এনেকুৱা কাৰ্য্যত তাইঁতে বহুত ক্ষমতাও চলাব পাৰে। প্ৰত্যেক খেলৰ গাৱঁৰ থান-থিত লগোৱা সুকীয়া সীমা আছে। প্ৰত্যেক গাৱেঁ নিজৰ নিয়ম অনুযায়ী কাম-কাজ চলায়। তাইঁতৰ ভিতৰত বৰ থিয়লা-থিয়লি আছে। প্ৰায় দন্দ-কাজীয়া লাগে। দন্দ-কাজীয়াত লৰা-ছোৱালীকো কটা-ছিঙা কৰে। এনেকুৱা মানুহৰ ভিতৰত মিল থকা অসম্ভৱ যেন দেখি। গতিকে তাইঁতৰ সকলো জাতৰ মানুহে জুম বান্ধি ৰাজকীয় কথাৰ আলোচনা কৰিবলৈ উমৈহতীয়া কিবা মেল থাকিব পাৰে বুলি অনুমান নহয়।

## যুজ-বাগৰ।

ইইঁতে যুজ-বাগৰ বৰ ভাল পায় ; কিন্তু ইইঁত বৰ হিংসুকীয়া আৰু ৰক্ত পিপাসু। চল পালে যাকে-তাকে ঠগে আৰু ডকা-হকা দি ফুৰে। ইইঁতৰ ভিতৰত 'মূৰ-লোৱা' নিয়ম বৰ চলিত আছে। ইইঁতক কোনোবাই কিবা অত্যাচাৰ কৰিলে তাৰ প্ৰতিশোধ লবলৈ ইইঁত সদায় যত্নপৰ হয়। বাপেকে নোৱাৰিলে পুতেকে, পুতেকে নোৱাৰিলে নাতিয়েকে বা আন কোনো সম্বন্ধীয়া মানুহে এপুৰুষত নহয় কেবাপুৰুষতো অত্যাচাৰীৰ মূৰ লোৱাৰ চেষ্টাত থাকে। মাজতে ইইঁতৰ কটা-মৰা স্বভাৱ বৰকৈ উক দিয়া

বুলি ধৰি চৰ্কাৰে ইহঁতক ভৈয়ামলৈ নামিবলৈ নিষেধিছিল। ১৮৯৯ চনৰ যে মাহত 'আহনলন্' নামৰ এটা বেৰেঙ্গীয়াই একে জাতৰে আৰু ৫টা মানুহেৰে লগ লাগি ইংৰাজ ৰজাৰ সীমাৰ ওচৰৰ মিটাইগাওঁ নামৰ এডোখৰ ঠাইত এঘৰ খামতীৰ ঘৰত আহি ৰাতি মনে মনে এটা নে দুটা মানুহ কাটে; আৰু এটা ল'ৰা, এজনী ছোৱালী আৰু দুটা হিৰৈ চুৰ কৰি তাহঁতৰ পৰ্ব্বতলৈ লৈ যায়। এই কাৰণেই ১৮৯৯ চনৰ নৱেম্বৰ মাহত এখন মিছিমি-ৰণ হয়। এই ৰণত ৪৪ৰ্থ গুৰ্খা পল্টনৰ লেফ্টেনেণ্ট কৰ্ণেল মলচ্ওৱাৰ্থ চাহাবক সেনাধ্যক্ষ নিযুক্ত কৰে। কৰ্ণেল চাহাবে ১০ চিপাহী এক গেৰাজ চেপাৰ্চ মাইনাৰ্চ আৰু কিছুমান খাছীয়া কুলি লগত লৈ মিছিমিহঁতৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰে। ইংৰাজৰ চিপাহীয়ে বাটে মিছিমিহঁতৰ থকা ঠাইলৈ আগুৱাব নোৱাৰে এনেকুৱা নানান উপায় তাহঁতে কৰিছিল। যি ফালে বা যি বাটেদি ইংৰাজৰ সেনা গৈছিল সেই পৰ্ব্বতীয়া বাটৰ ওপৰৰ টিঙত বৰ ডাঙৰ ডাঙৰ শিল দম কৰি থৈ দিয়ে। যেতিয়াই ইংৰাজৰ সেনা সেই ঠাইৰ ওচৰ পায় তেতিয়াই শত্ৰুদলক চেপি-খুন্দি গুৰি কৰি পেলোৱাৰ উদ্দেশ্যেৰে শিলবোৰ হোৰ-হোৰকৈ তললৈ পঠাই দিয়ে। আৰু বাটৰ-কাষত একোটা ডাঙৰ শিল খুন্দি তাৰ ভিতৰত বন্দুকৰ খাৰ সুমাই থয়। ইংৰাজৰ সেনা ওচৰ চাপিলে তাত জুই লগাই দিয়ে, দিলেই শিলটো ফাটি-চিটি ৰৰ ৰৰ একো-ডোখৰ শিল চাৰিওফালে চিটিকি পৰেগৈ। ই এক ৰকম 'লংটমৰ' কাম কৰে। কিন্তু ইংৰাজৰ সেনাই ইয়াৰ কোনো এটা ফান্দত নপৰি নিৰ্ব্বিঘ্নে ৪২৫০ ফিট ওখ আমুনামৰ পৰ্ব্বতলৈকে আগুৱাব পাৰিছিল। এই ডোখৰ ঠাইত বোলে অতিপাত জাৰ। সদাই দিনে ৰাতিয়ে হেনো গো গোকৈ চেচা বতাহ বলি থাকে। দিনৰ ৩।৪ বজাৰপৰা ইয়াত হিম পৰাদি বৰফ পৰা আৰম্ভ হয়। ভালেমান খাছীয়া কুলি এনেকৈ বৰফ পৰাত বৰফত পোত খাই মৰা পৰে। এই যুদ্ধত, প্ৰকৃততে যিকিটা মিছিমিয়ে মানুহ কাটিছিল তাহঁতক বিচাৰি নেপালে। কিন্তু সেই হত্যাকাণ্ডত যাৰে সংস্রব থকা যেন অনুমান কৰিছিল তাৰে গাওঁ জুই লগাই পুৰি শইচ-তইচ নষ্ট কৰি তেনেই ভাহিলং কৰিছিল। মিছিমিহঁতে



ধৰি নিয়া ল'ৰাটো আৰু ছোৱালীজনী উদ্ধাৰ কৰি অনা হয়। ৪ মাহৰ পাছত অৰ্থাৎ ১৯০০ চনৰ ফেব্ৰুৱাৰি মাহত ইংৰাজৰ চিপাহী এটাও হানি নপৰাকৈ ভৈয়ামলৈ ঘূৰি আহে।

মিছিমিহঁতে তাহাঁতৰ ঠাইলৈ অইন মানুহ অহা যোৱা কৰাটো ভাল নেপায়। ১৮৫১ চনৰ খামতী ৰজা চৌচাম গোহাঁইক লগত লৈ মনছীয়ৰ ক্ৰীক নামৰ এজন ফৰাচী ধৰ্ম্মযাজকে তিব্বতলৈ বুলি যাত্ৰা কৰে। তেওঁ ইংৰাজৰ লগত মিল থকা আটাইবোৰ গাওঁ পাৰ হৈ গৈ পৰাক্ৰমী জিংচা ৰজাৰ ঘৰৰ ওচৰে যাওঁতে এজনী মিছিমি ছোৱালীয়ে ভৈয়ামৰপৰা আগেয়ে অহা এজন পথিকে যি ডোখৰ ঠাইত প্ৰাণ হেৰুৱাইছিল সেই ডোখৰ ঠাই তেওঁক দেখুৱাইছিল আৰু ধৰা পৰিলে তেওঁৰো তেনে দশা ঘটিব বুলি কৈছিল। কিন্তু ছোৱালীজনীৰ কথা নুশুনি তেওঁ তাৰপৰা আগবাঢ়ি গৈ বৰ সুন্দৰ ঠাই পাইছিল গৈ। তেওঁ সেই ঠাইৰ বৰ্ণনা এই দৰে দিছে:—

"Proceeding onward from that village he found himself in a country presenting a strong contrast to to the rugged, grand but uncultivated tracts he had recently been struggling through. The valley of the Brahmaputra expanded pressenting a succession of well-cultivated fields. The inhabitants, their houses and the general appearance of the country assumed a more cheerful aspect. Pine forests coverred the hills, most luxuriant on their crests. The alluvial soil below watered by numerous small streams is described as producing groves of bamboo, orange trees, citron, peach trees and laurel. Two marches through such scenery brought him to some men. The village is composed of about a dozen houses irregularly grouped on a hill in the midst of evergreen trees half a mile from the bank of the Brahmaputra. As far as the eye could see the view up the valley gave a succession of cultivated fields, herds of oxen, horses, asses and mules and 3 miles to the north Rima castle the residence of a Governor of Thibet was discovered' দুৰ্ভাগ্যবশতঃ তেওঁৰ লগত নিয়া সমল আৰু ধনবিত সকলো এই

খিনি পাওঁতে পাওঁতে ঢুকাল। গুদা মুখৰ কথাত তাৰপৰা তেওঁক আগলৈ নিবলৈ বা যাবলৈ দিবলৈ মিছিমিহঁত মান্তি নহল। গতিকে তেওঁ বাধ্য হৈ তাৰপৰা ঘূৰি আহিব লগা হল। সেই ঠাইলৈ গৈ লতা পাই আকৌ তেওঁ ৪ বছৰৰ মূৰত ঘুৰি নামৰ একে পন্থীয়া আৰু এজন সঙ্গী লৈ মিছিমি দেশলৈ ওলাল। এই বেলি যাওঁতে কেইছা নামৰ এটা স্বাধীন বজাক সি কোৱা মাত কথা নুশুনি তাক ডাঙৰ জগৰ লগালে আৰু ইয়াৰ পৰিণামত বপুৰা পাদ্ৰী দুজন বিমাৰ ওচৰৰ চন্‌মেন বোলা ঠাইত সমাধি প্ৰাপ্ত হল। ইংৰাজক মাৰিলে! আকৌ ৰণ ভেৰী বাজি উঠিল! ১৮৫৫ চনত লৰ্ড ডেলহাউসীৰ আজ্ঞানুসাৰে আকৌ মিছিমিহঁতৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰা হয়। লেফটেনেণ্ট ইডেন চাহাবে বাছি বাছি ৫০ টা চিপাহীৰ এদল সেনাৰে প্ৰাণটাকি কেৱা ছোৱাও দুৰ্গম ঠাই অতিক্ৰম কৰি দুটৈ পাৰ হৈ কেইছাৰ গড় পালে গৈ। তেওঁ গড় ভাঙ্গি ৰজাক আৰু ৰজাৰ পৰিয়ালৰ মানুহ-দুনুহক ধৰি বন্দী কৰে। পাহৰীসকলৰ লগত যোৱা যি চিংফৌ মানুহকিটাক ধৰি নিছিল তাহাঁতক আনিবা তেওঁ উদ্ধাৰ কৰিলে। কাইছা ৰজাক ডিব্ৰুগড়ৰ বন্দীশালত solemnly ফাঁচী দিলে।

ইংৰাজৰ বিষম বিক্ৰম আৰু সভ্যতাৰ মহত্ত্ব আৰু অদ্ভুত ক্ষমতা দেখুৱাবলৈ বুলি মেদাখেলৰ এটা গাৰক ইংৰাজৰ আদেশ অনুসৰি কলিকতাৰ প্ৰদৰ্শনীলৈ আনে। ঘূৰি আহোঁতে মিছিমিটো শোৱাপাটীৰপৰা আৰু উঠা হল; কিছুদিনৰ মূৰত সি মৰি থাকিল। এই ঘটনাৰ বাবে ইংৰাজক সিহঁতে দায়ী কৰিলে।

মৃতকৰ আত্মাই চৰ্কাৰৰ এটা মূৰ নলয় মানে সন্তুষ্ট নহয় বুলি মিছি-মিহঁতে ঠিক কৰিলে। সেই কাৰণে ১৮৮৫ চনত দিক্ৰাঙত এজন ইংৰাজ বায়টক সিহঁতে কাটে। এই অপৰাধত তাহাঁতৰ ভৈয়ামলৈ অহা যোৱা বাট বন্ধ কৰিলে। বাট বন্ধ কৰিলে হয় কিন্তু যি উদ্দেশ্য লৈ বাট বন্ধ কৰিছিল সেই উদ্দেশ্য সিদ্ধি নহল। সেই কাৰণে ১৮৮৭-৮৮ চনত ২০০০ টকাৰ দণ্ড সিহঁতৰ লৈ বাট মুকলি কৰি দিয়া হল।

আজি বহুত দিনৰপৰা মিছিমিহঁতে একো দৌৰাত্ম্য কৰা নাই। তাহাঁতক এতিয়া বৰ নিজু যেন দেখি। During the last 40 years



the Misymis have not on the whole, given the authorities much trouble and during that period they were only responsible for 4 murderous raids, in which 8 persons lost their lives. This for a savvage tribe is a comparatively good record, and there at present no signs of any feeling of unrest on this portion of the frontier—Allens Gazetteer.

## যুদ্ধৰ আওভাও।

মিছিমিবোৰ ভাল ৰণুৱা। ইহঁতৰ ৰণৰ আও-ভাও দেখিলে বিচুতি খাব লাগে। ধেনু কাঁড়, আগত বিহ লগোৱা যাঠি আৰু দা ইহঁতৰ ৰণৰ প্ৰধান অস্ত্ৰ। এদিন আমি সদিয়াত তাহাঁতৰ হতুৱাই মিছা যুদ্ধ কৰাই চাইছিলোঁ। এফালে মিছিমি আৰু আন ফালে আবৰ হৈছিল। আবৰে যেতিয়া লুকাই থাকে মিছিমিয়ে একোটাহঁত হিয়া কঁপি যোৱা গিৰ্জনি, গোৰোহনি মাৰি সিফালৰপৰা দা জোকাৰি নাচি আহে। ১০।১২ হাত মান আহে আকৌ পিচ হোঁহকে, আকৌ আগ বাঢ়ে। আবৰক অৰ্থাৎ বিপক্ষক দেখা যেন কৰিলে সাউত কৰে একতীয়া হৈ কোচ্ মোচ্ খাই নিচেই সৰু এটা জোপাতে কোনেও দেখা নোপোৱাকৈ লুকাই পৰে। নেদেখা যেন হলে আকৌ চোচা মাৰি আবৰ থকা ঠাইৰ ওচৰ পাইহি, আকৌ থমক্ খাই ২ পাছালৈ কেৱাহি কেৰাহিকৈ চাই লাহে লাহে উচপ খোৱাৰ দৰে উভতি যায়। যদি আকৌ আবৰ ওলোৱা যেন গম পালে সেই বেলি আৰু আগ পাছলৈ নেচাই ৰণমও হৈ টকালি পাৰি তাৰ পৰা ধপলীয়াই আহি আবৰৰ ওচৰ পাইহি। এনে লাগে যেন এই বেলি আৰু আবৰক কাটি দুদোখৰ কৰি তাৰ তেজ ঢোকে ঢোকে পিব। কেতিয়াবা আকৌ লেৰবাই ২ চুচৰি হাত ভৰি কোঁচাই আহি থাকে। ওলালে আৰু মাৰিব নোৱৰা যেন দেখিলে একে ৰূপেই আহি আবৰৰ আগতে পৰেহি। আবৰো কম নহয়। সিও একে নিমিষতে গা মাৰি দি ঠাইতে নাইকিয়া হৈ যায়। তেতিয়া মিছিমিটোৱে বহুত জলি পকি হাতৰ দা থনকে মাটিত খাপ ২ মাৰিবলৈ ধৰে আৰু দাৰুণ দুই হাতে মনিৰ নোৱাৰাকৈ সৰাই এবেলি ওপৰলৈ গাৰ বলেৰে মাৰি

পঠিয়ায়। দাখন কোবেৰে লুটি বাগৰ খাই আহোঁতেই শূইনতে মুখ পাতি চোক থকা ফালেই দাঁতেৰে খপকৈ কামোৰ মাৰি ধৰে। শক্ৰুৰ টোবাঁই আহোঁতে যাওঁতে চকু একোটা ৰঙা আমৰা গুটি যেন কৰি টকালি পাৰি বাঘে হোঁকোৰাৰ দৰে হুঁকৰি থাকে আৰু বলিয়াৰ দৰে গাত তত নোহোৱা হৈ এবেলি বহি এবেলি উঠি এবেলি আগলৈ এবেলি পাছলৈ এবেলি সোঁও ফালে এবেলি বাওঁফালে মূৰ জোকাৰি ২ চকু টেলেকাটেলেক কৰি চাৰিও ফালে চোৰে চোৱা দি চাই ফুৰে। যামিজামি পৰি কোবাবীয়ে লালতি হৈ যায়। আহোঁতে যাওঁতেই তাহাঁতৰ গাৰ কঁপনি, অদ্ভুত নাচন-বাগন অঙ্গী-ভঙ্গী আৰু ভিৰবিৰাই থকা চোকা দাৰ জোকাৰণি দেখিলে এক-লেখীয়া মানুহৰ চুড়িকে হেৰাব। তাহাঁতৰ সেই সময়ত এক ভীষণ আকৃতি হৈ পৰে।

## গাওঁ-ভূঁই আৰু ঘৰ-দুৱাৰ।

ব্ৰহ্মপুত্ৰৰ দক্ষিণলৈ ইহঁতৰ যিবোৰ গাওঁ আছে সেইবোৰ গাওঁ অত এখন তত এখনকৈ আছে। উত্তৰ পাৰে দিগাৰু নৈলৈকে আৰু জিংচা বজাৰ গাৰঁৰপৰা নৈৰ দুই পাৰে তিব্বতলৈকে ইহঁতৰ দেশ বিয়পি আছে। সেইবোৰ ঠাই খলা-বমা দুৰ্গম কিন্তু বৰ ধুনীয়া। A more rugged, a more difficult but a more beautiful country it would be difficult to find, and the exertion necessary to travel in it is powerfully illustrated in the fine development of calves and muscles of thighs by which the Mishmi lads and lasses are invariably distinguished—Col. Dalton.

মিছিমিগাওঁবোৰ বৰ ডাঙৰ নহয়। দুই চাৰি ঘৰ লৈ এখন গাওঁ হয়। কিন্তু প্ৰত্যেকৰে ঘৰ আহল-বহল। একোটা ঘৰ ৮০।১০০ হাত-লৈকে দীঘল কৰে। অৱশ্যে ইমান দীঘল ঘৰ গাৰঁৰ কোনো ডাঙৰমূৰীয়া মানুহৰ হে হয়। গালম গামৰ চাঙ ঘৰটোত ১২ খোটালী আছে আৰু তাত ১০০টা মানুহ থাকে। ক্ৰচা ৰজাৰ ঘৰটো আকৌ ২০ খোটলীয়া। সোমাই যোৱা বাটৰ সোঁও হাতলৈ ৰজাই মৰা বনৰীয়া জন্তুৰ মূৰবোৰ শাৰী শাৰীকৈ সজোৱা আছে। উপৰি পুৰুষে মৰা জন্তুৰ অকা বা মূৰ-



বোৰ নিজৰ ঘৰত থোৱাটো সৰু মনৰ বুলি ভাবে। প্ৰত্যেকটো খোটালিত জুহাল আছে আৰু জুহালৰ ওপৰত মঙহ শুকুৱা এখন হেদালি। ভঁৰাল থকা ঘৰৰ বহুত দূৰৈত থাকে। গাওঁৰ মাজে ২ এশ চকুৰি হাত দত হৰ হৰাই থকা ডাঙৰ নৈ আছে। এইবোৰ নৈ ইহঁতৰ মতা মাইকীয়ে বৰ বুৰিবৰ পাৰ হয়। এদাল সৌকাব বৰ জৰী দুপাৰে দুডাল বৰ গছত বন্ধা থাকে। জৰীডালত বেটৰ দুটা আঙঠি সুমায়। সেই আঙঠিকিটাত মতাই বা মাইকীয়ে ওপৰলৈ চিট কৰি সোমাই সুৰ সুৰকৈ পিছলি আহে। যেতিয়া মাজ পাইহি তেতিয়া আকৌ হাতে ভৰিয়ে ঠেলি হেচুকি ইপাৰত আহি উঠেহি। আগৰ অভ্যাস নেথাকিলে এই দৰে পাৰ হোৱা আশা কৰা মিছা।

## বং ধেমালি।

মিছিমিইঁতৰ বং ধেমালি নিচেই কম। কিন্তু ইহঁত ভোজৰ বৰ প্ৰিয়। ইহঁতক ভোজ-বলিয়াকে বুলিব পাৰি। নিজৰ বন্ধু বান্ধৱ আৰু মিতিৰ কুটমক ভোজ ভাত খুৱাই মানে তাহাঁত মানুহৰ শ্ৰেণীতে গণ্যকে ন হয়। অলপ ধন-বিত গোটাব পাৰিলেই গাহৰি, মেঠোন কিনি ভোজ দিব। তাহাঁতৰ ভোজ খোৱা আৰু ভোজ দিয়াইহে জীৱনৰ এক মাথোন প্ৰধান উদ্দেশ্য যেন দেখা যায়। সচা মিছা কব নোৱাৰোঁ, একোটা ভোজত ৮০।১০০ টাকৈ মেঠোন মৰা কথাও শুনা যায়। সময়ে ২ মতামাইকী লগ লাগি নাচে। এই নাচত কিন্তু কোনো ৰকমৰ নিলৰ্জ্জতাৰ ভাব প্ৰকাশ নেপায়। মতা মাইকী দুইও ভালকৈ গা ঢকা কাপোৰ-কানি পিন্ধে আৰু সকলোবিলাক কথা ৰুচিমাৰ্জ্জিত।

## ধৰ্ম্ম-বিশ্বাস।

ইহঁতৰ ধৰ্ম্ম হৈছে দেওপূজা কৰা। চুলিকটাই ঈশ্বৰৰ অস্তিত্ব সমূলি নেমানে। তাহাঁতে কয় মানুহৰ দৰে সকলো বিনাশী। পৰ্ব্বত, নৈ, হাবি আকাশ, চন্দ্ৰ, সূৰ্য্য যিজনে সৃজন কৰিলে সেওঁ ইমান দিনে কেতিয়াও জীয়াই থকা নাই বুলি ভাবে। সেই দৰে পৰজন্মাও তাহাঁতে নেমানে। তাহাঁতৰ মতে ধুলি মাটিৰ মানুহ পুনৰ মাটিত মিহলি হব। ইয়াতেই

সকলোৰে শেষ। এনেকুৱা বিশ্বাস থকা সত্ত্বেও মিছিমিবোৰ কিন্তু বৰ কুসংস্কাৰগ্ৰস্ত। প্ৰত্যেকখন গাৱঁত বেবেজীয়াইতৰ 'আইগা' আৰু চুলিকটাইতৰ 'মাহৰু' অৰ্থাৎ ডাইনী আছে। যেতিয়া গাৱঁত কিবা অমঙ্গল ঘটে তেতিয়া ডাইনী অনাই মঙ্গল চোৱাইহি। এই মানুহবোৰে আচৰিত ৰকমে কাপোৰ-কানি পিন্ধে আৰু তাইঁতৰ গাত যেন সদাই দেও লম্ভি আছে এনেকুৱা দেখুৱায়। তাইঁতে বাঘৰ গাহৰিৰ ভালুকৰ আৰু বান্দৰৰ দাঁতৰ আৰু নখৰ এগছ বৰ ডাঙৰ মালা ডিঙিত পিন্ধে। মূৰত এডাল বাঁহত অসংখ্য সৰু বৰ কড়ি গুমাই থয়, তাৰ ওপৰত এটা দীঘল ২ পাখি লগোৱা বাঁহৰ টুপি পিন্ধে। বঙা আচুৰ এডাল ছুৰী দুই আগে এসোপামান দীঘল দাঢ়ি ৰাখি এফলীয়াকৈ কান্ধৰ ওপৰেদি নি এখন হাতৰ তল কৰি গাথি দি থয়। এখন দীঘল চোকা তিৰ্‌বিৰাই থকা 'চিক্ৰা-দা' ফাঁকৰপৰা উলিয়াই হাতত লৈ থাকে। এইবোৰ মানুহক মিছিমিইঁতে 'সৰৱ-জান' বুলি ভাবে। মিছিমিইঁতৰ বিশ্বাস ইহঁতে নজনা কথা একো নাই। যদি কোনো নৰীয়া পৰে নৰীয়াৰ ঘৰৰ দুৱাৰ-মুখত গছৰ ডাল এটা খুঁচি থয়। সেইটো ঘৰ 'টানু' লগাৰ এইয়ে নিদৰ্শন। তেতিয়া গাৱঁৰ ডাইনী অনাই বৰ মান সৎকাৰেৰে নৰীয়াৰ কাৰণ আৰু ভাল হোৱাৰ উপায় সোধে। কোনো মাইকীৰ লৰা নহলে বা বাঁজী হলে তাৰ কাৰণ কি ডাইনীয়ে নিশ্চয় উলিয়াব। কোনো মাইকীয়ে আনৰ লগত ব্যভিচাৰ কৰিলে তাৰ সঠিক প্ৰমাণ লবলৈ গাৱঁৰ ডাইনীক মাতিব। ডাইনীয়ে আহি সেই মাইকীৰ ওচৰলৈ গৈ কাষলতি-তল ভালকৈ পিটিকি মূচৰি চাব। যদি প্ৰকৃততে তাই দোষী হয় তেন্তে কাষলতি তলৰপৰা এটা সৰু চৰাই উলিয়াই আনে, আৰু সেই চৰাইটো ডাইনীয়ে তৎক্ষণাত গিলি খাই পেলায়। তেতিয়া আৰু দোষী মাইকীৰ ফালৰ আৰু আন পক্ষৰ মানুহবোৰ ভাল হব বুলি কয়। তাহাতে অগ্নিদেৱতাক বৰ মানে। কুকুৰা গাহৰি উছৰ্গি এওঁক সন্তুষ্ট ৰাখিব পাৰিলে একো বিপদ তাইঁতৰ ওচৰ চাপিব নোৱাৰে বুলি বিশ্বাস। ইহাৰ বাহিৰেও 'মুজীদাগ্ৰা' (এক ৰকম বিষ্ণু দেৱতা) 'দামিপদা' (বনদেৱী) আৰু 'টাৰলা' (লক্ষ্মী আৰু মাৰী মৰক) মিছিমিইঁতৰ প্ৰধান দেও।



## অন্ত্যেষ্টিক্ৰিয়া।

কোনো মানুহৰ মৰণ ওচৰ চাপিলে এটা ভোজ দিয়ে। মৰাৰ দুদিনৰ পাছত মৰা শৰটো নি পোৰেগৈ। মৰা মানুহটোৰ ঘৰৰ ওচৰতে এটা সৰু ঘৰ সাজি তাত তাৰ ছাই থৈ দিয়ে। ঘৰটোৰ চাৰিও ফালে মানুহটো জীয়াই থকা দিনত যিমান বনৰীয়া জন্তুৰ মূৰ গোটাইছিল আটাইবোৰ এটা এটা কৰি সজাই থয়। মৃতকৰ যি ধন সম্পত্তি থাকে আটাইবোৰ পুতেকহঁতক ভাগ কৰি বিলাই দিয়ে। বৰ পুতেকে সৰহ ভাগ পায়। যদি কোনো পুতেক জীয়েক নেথাকে তেন্তে জন্তুৰ হাড়-মূৰবোৰ ওচৰ সম্বন্ধীয়া মিটিৰে লব পাৰে। প্ৰত্যেক বছৰে মৃতকৰ নামে পুতেকহঁতে এটা ভোজ দিয়ে।

বৰমুৰীয়া মানুহ মৰিলে অন্ত্যেষ্টিক্ৰিয়া অলপ লৰচৰ হয়। ক্ৰীক্ চাহাবে এটা ৰজাৰ দেৱীয়েক মৰাত কি কি কাম কৰা দেখিছিল তাক এইদৰে লেখিছে। "মৰা শৰটো ঘৰৰ ওচৰত পুটি এটা ঘৰ সাজি ঘৰৰ বৃৎত মৃতকৰে পিন্ধা কপোৰকানি আৰু খোৱা-লোৱা কাঁহী-বাটি ওলোমাই থলে। গাৱঁৰ পুৰোহিত অহাৰ আগেয়ে কেবাদিনলৈকে এটা টিলিঙা বজাই বজাই শোক প্ৰকাশ কৰা নাম গাইছিল। এটা বঙা কুকুৰা মাৰি তাৰ তেজ ধৰি মৃতকৰ আত্মাৰ সদ্গতি হৈছে নে নাই তাৰ প্ৰমাণ চলে। শেহত ৰজাৰদৰে সাজ পিন্ধি আৰু হাতত কড়িৰ মালা আৰু মূৰত এটা শিং বান্ধি পুৰোহিত ওলালহি। দুদিনলৈ পুৰোহিত আৰু তাৰ পুতেকে এখন বিছনি মাৰি মাৰি আৰু এটা টিলিঙা বজাই কিবা শ্লোক গোৱাদি গাই তৃতীয় দিনা সেই ৰজাৰ সাজ খোলোকাই এক ৰকমৰ লামাৰ সাজ পিন্ধিলে। এই সাজ হৈছে গাত এটা কাপ্ খাই থকা ৰঙ চঙীয়া চোলা, সোঁওফালে বাহুত এসোপা বঙা ছাগলীৰ নোম আৰু বাওঁ বাহুত এখাৰ বাঘৰ দাঁতৰ আৰু তাৰ মাজে মাজে সৰু টিলিঙা লগোৱা মলা; মূৰত এটা পাখি লগোৱা মুকুত। সাজ সলোৱা অন্ত হোৱা মাত্ৰকতে বিকৃত চিঞৰ আৰু অঙ্গিভঙ্গিৰে নাচন আৰম্ভ কৰিলে। এইদৰে চিঞৰ-বাখৰ হাই কৰাৰ উদ্দেশ্য ভূত প্ৰেত খেদোৱা। তাৰ পিছত চাকি-তাকি যি জ্বলি আছিল আটাইবোৰ গুমাই দিলে। তেতিয়া এটা মানুহে ঘৰৰ মুধৰপৰা

ওলমাবাহুলি দি টিঙৰি মাৰি জুই উলিয়াই চাকি জ্বলালে। মানুহটোৰে মাটিত ভৰি পেলাব নোৱাৰে ; কাৰণ পোহৰ স্বৰ্গৰপৰা আহিছে বুলি তাইঁতৰ বিশ্বাস। শৱটো পোটা ভেটিৰ চাৰিউফালে কেচা বা সিজোৱা মঙহ আৰু অইন শাক-পাচলি দিয়াৰ নিয়ম।"

## বিয়া-বাৰু।

ইহঁতৰ বিয়াৰ নিয়ম-কাৰণ প্ৰায় মিৰিহঁতৰ দৰেই। কিন্তু ইহঁতৰ বিয়াবাৰু কৰাত ধন-বিতেৰে একো সম্পৰ্ক নাই। ছোৱালীৰ বেচ জন্তুৰ মুৰ লৈ হয়। ৫।৬শ মুৰ নহলে কোনেও ছোৱালী বিয়া কৰাব নোৱাৰে। যদি কোনো লৰাই বিয়া কৰাব খোজে তেন্তে সি তাৰ বাপেকক কব। বাপেকে ছোৱালী বিচাৰি ছোৱালীৰ ঘৰত নানা বস্তু-বেহানি এমাহ মানলৈকে দি থাকিব। যদি সকলো ঠিক হল তেতিয়া বিয়া কৰাব খোজা লৰাটোৱে তাৰ যিমান মুৰ থাকে সিমান মুৰ আনি, হৰ-খোজা শহুৰেকক দিবহি। তেতিয়াহে ছোৱালীৰ লগত সহবাস কৰিবলৈ তাক অনুমতি দিয়ে। শহুৰেকে তাৰ ঘৰত যিমান মুৰ দিছিল তাৰ সমান দামৰ ভাৰ-ভেটি আকৌ সি দিব লাগিব। যদি মনৰ জোখাই হল তেন্তে জোৱাঁয়েকে গা-ধন শোধাই ছোৱালীৰ গৰাকী হয়। যেতিয়ালৈকে তাঁহাতে লৰা ছোৱালীৰ মাক বাপেকা নহয়, তেতিয়ালৈকে তাইঁতে আনৰ আগত কেতিয়াও একে লগে বহি-মেলি কোনো বস্তু খোৱা লোৱা নকৰে। আৰু বৰ পুতেকৰ বাজে আনবোৰ পুতেকে ছোৱালী আনিবলৈ হলে বৰ কষ্ট কৰিব লাগে। তাইঁতক বিয়া-বাৰু কৰাত বাপেক মাকে একো সহায় নকৰে। সেই কাৰণে সিহঁতে ছোৱালী অনাৰ আগেয়ে দিহিঙে দিপাঙে বেপাৰ কৰি বস্তু-বেহান গোটাই ফুৰে, হাবিয়ে হোচোঙে ফুৰি জন্তুৰ মুৰ গোটায়। দাবি কৰা টকৰ পোনতে এফাল দিলেও জানিবা এজনী ছোৱালী তাইৰ নিজৰ ঘৰৰপৰা ননাকৈ বিয়া কৰাই থব পাৰে। দিবলগীয়া বস্তু বেগানি তেনেই নোশোধাই মানে ছোৱালী মাকৰ ঘৰতে থাকিব তেহেলৈ তাইৰ কেবাটাও লৰা ছোৱালী হওক লাগে। যিমান দিন ছোৱালী মাকৰ ঘৰত থাকিব সিমান দিন ডেকাই ঘৰ-জোৱাঁই খাটিব লাগে। এনেকৈ ঘৰ-জোৱাঁই থটা তাইঁতৰ মানোতো বৰ লাজৰ কথা। সেই কাৰণে দিব লগীয়া ধন-বিত যিমান সোনকালে হয় সিমান সোনকালে দি এনে অপমান আৰু লাজৰ হাত সাৰিবলৈ প্ৰাণটাকি যত্ন কৰে। দুখৰ কথা এই যে গওপ মাৰি ফুৰা হিন্দুহঁতৰ নিন্দনীয় বহুস্ত্ৰীপ্ৰথা ইহঁতৰ ভিতৰতো আছে। যাৰ যিমান সৰহ মাইকী সি সিমান চহকী। মাটচিং নামৰ এটা বজাই বছৰি একোজনী ধুনীয়া গাভৰু মাইকী লৈ ভৈয়ামলৈ অহা যোৱা কৰে। যদি কোনোৱে বিয়া দিয়া গাভৰু মাইকী ফুচুলাই নি তাইৰ লগত ব্যভিচাৰ কৰে তেন্তে গোটেই গাওঁৰেই তাৰ প্ৰতিশোধ লোৱাৰ চেষ্টাত সদায় থাকে। সেই মাইকীজনীৰ গিৰিয়েকটোৱে এটা গৰু বা মেঠোন মাৰি আটাইবোৰ ওচৰচুবুৰীয়া গাৱঁৰ বৰমুৰীয়া মানুহক মাতি এটা ভোজ খুৱায়। ভোজত এই কথা সকলোকে কয়। ভোজলৈ মৰা গৰু আৰু মেঠোনৰ হাৰ মুৰবোৰ সকলো বাটকৰাবে চকুত পৰা এডোখৰ মুকলি ঠাইত ১২।১৩ হাত ওখ একোটা বাঁহৰ খুটাৰ মুৰে মুৰে খুচি থয়। ইয়াৰ পৰা কোন জাতৰ আৰু কোন গাৱঁৰ মানুহৰ কিমান ব্যভিচাৰ হৈছে বুজিব পাৰে। যেতিয়া আৰু বদনামৰ কথা চাৰিউফালে জনাজনি হয় তেতিয়া প্ৰত্যেক খেলৰে বঢ়াবোৰ আহি দোষী মানুহটোক কি দণ্ড দিব লাগে তাৰ মীমাংসা কৰিবলৈ এখন ডাঙৰ মেল কৰে। আগেয়ে যদি দোষী মানুহটোৱে আপোচতে গৰু বা মেঠোন এটাৰ দাম দিয়ে তেন্তে সকলো লেঠা মৰে নহলে গুৰু দণ্ড ভৰিব লাগে। এটা ঠাৱৰ হৈ গলে সেই হাৰ-মুৰবোৰ আৰু সেই দৰে খুটাত খুচি নেৰাখে, তাৰপৰা গুচাই আনে।

## গড়-পিত আৰু সাজ-বাগ।

মিছিমিবোৰ ঘুটুমুটুকৈ চুটিচাপৰ থাওকাল মানুহ। ইহঁত আটাইবোৰেই শকট-আবট আৰু বলী। হাত ভৰিবোৰ লোদোৰ-পোদোৰ। কৰ্ণেল ডাল্টন চাহাবৰ মতে "The Mishmis are a short, sturdy race of fair complexion for Asiatics, well knit figures and active as monkeys. They vary much in feature generally exhibiting a

১. [illegible]

rather softened phase of the Mongolian type, but sometimes with regular, almost Aryan features, the nose high and nostrils longer than is usually seen in the Indo Chinese races. They have themselves a legend to account for this ; I forgot the particulars but I know it connects them in some way with Hindu pilgrims to Brahmakunda." ইহঁতৰ কিছুমানে দীঘল চুলি ৰাখে। চুলিবোৰ মূৰৰ ওপৰলৈ কৰি এটা গাঁঠি দি তললৈ আকৌ ওভোটাই আনি ওপৰলৈ নিয়া চুলিৰ ভিতৰত সুমাই থয়। গাঁঠিৰ ওচৰত এডাল বাহৰ বা কাঠৰ সৰু মিহি শলা পথালিকৈ মাৰে। চুলিকটাবোৰে পাহ-কাটি চুলি ৰাখে। মাইকীবোৰেও সেই দৰে কিছুমানে চুলি ৰাখে আৰু কিছুমানে চুলি কাটে। ইহঁতৰ চুলি বৰ দীঘল নহয়। মাকীবোৰ মতাতকৈ বহুত মুকলি বৰণৰ, দেখিবলৈকো বহুতৰ শুৱনী। গাভৰু কালত তাহাঁতৰ কিছুমানেৰে আমাৰ ভালমানুহৰ ছোৱালীয়েও জোৰ লব নোৱাৰে। The colour of the Midhi varies from dark to a fairness equalling that of the European Brunette. Some among them have rich red lips and ruddy complexion ; and I have seen Midhi girls that were decidedly good looking • • It has always struck me that the Midhi women are comparatively taller and finer creatures than the men — Col. Dalton. মাইকীবোৰৰ বুকু বৰ ওখ নহয়। ইয়াৰ কাৰণ বোধ কৰোঁ সকতে ইহঁতৰ বিয়া বিয়া হয়; অলপ বয়স পৰিলেই বুকুত আৰু একো কাপোৰ নলয়; উদং বুকুৰেই চাৰিওফালে ওলাই সোমাই ফুৰে। ইহঁত বৰ নম্ৰ আৰু বশীয়াল; মুখৰপৰা হাঁহি নুগুচেই। মাইকীবোৰে অসমীয়া নিচেই কব নোৱাৰে আৰু অকণো বুজি নেপায়। কোনো অচিনাকি মানুহ তাহাঁতৰ ওচৰলৈ গলে বা কিবা কথা ঠাঁৰে-চিয়াঁৰে সুধিলে মাত্ৰ তলমূৰ কৰি ফিচিক্ ফিচিক্ হাঁহি থাকে। ইহঁতৰ থোক-কাটল অইন পৰ্ব্বতীয়া মাইকীৰ দৰে হাঁহ-ফেৰেকীয়া বা দোষৰলৈ আওঁজুৱা নহয়। থোকবোৰ গহীন, তাতে কিছু পাতল আৰু খৰ-খৰকৈ দিয়া। ইহঁত বৰ পৰিশ্ৰমী, ন মাটিত ঘৰ-বাৰী পাজিবলৈ হলে ইহঁতেইহে হাবি ভাঙিব, গছৰ ডাঙৰ ডাঙৰ মুঢ়া উঘালি চাহ কৰিব। ইহঁতেইহে ভঁৰালৰো বস্তু বেহানি গোটায়। ভঁৰালৰ সম্পূৰ্ণ



গৰাকী ইহঁতকহে বুলিব লাগে। সতিনীয়েক-লগা মাইকীৰ বেলগ বেলগ ভঁৰাল। কোনোজনীয়ে কাৰো ভঁৰাল চুব নোৱাৰে। বোৱা-কটাতো ইহঁতৰ দক্ষতা আছে। নানা গছৰ বাকলিৰপৰা সূতা উলিয়াই তাৰে কাপোৰ-কানি বয়। কপাহ আৰু জন্তুৰ নোমৰপৰাও পিন্ধা-উৰা পোছাক কৰিব জানে। ইহঁতৰ গাত অলপো এলাহৰ চাট নাই। ওপৰত কোৱা হৈছে যে ইহঁতে ভঁৰালৰ বস্তু বেহানি গোটায় আৰু এমোন দুমোন মালৰ বোজা হোৱাত লৈ অনায়াসে দিনটোৰে বাট যাব পাৰে। ইহঁতকে আচল পৰ্ব্বতীয়া স্ত্ৰীয়াৰীৰ আদৰ্শ স্বৰূপ বুলিব পাৰি।

মিচিমি মাইকীবোৰে মাটি-বৰণীয়া আঠুলৈকে যেনে তেনে মতে ঢকাকৈ তল ছোৱাত এখন মেখেলা আৰু গাট এটা কঁকাললৈ পৰাকৈ কপাহী হাত-খৰা চোলা পিন্ধে, বুকুত আৰু অইন একো কাপোৰ নলয়। ইহঁতৰ অলঙ্কাৰ বৰ সৰহ। ডিঙিত পোৱাল আৰু কাঁচৰ, জন্তুৰ দাঁত আৰু নখৰ মণি পিন্ধাৰ বাহিৰেও সীহৰ লেড্‌লেড্‌কৈ গধুৰ চটা ডুগ্‌ডুগিৰ দৰে থাকে। কাণত মুখৰ ফালে ৰূপ এটকামান বহলৰ বগীতামৰ কেৰু সুমাই ৰাখে। আঙুলিত বগীতামৰ আৰু চহকীবোৰে ৰূপৰ কেৰাটাও আঙঠি আৰু দুই হাতত দুডাল কিনডালকৈ পিতলৰ 'বঙ্গালৰ চুৰি' পিন্ধে। ধাতুৰ অলঙ্কাৰতকৈ জন্তুৰ দাঁত, নখ আৰু মণি পিন্ধাতহে তাহাঁতৰ বৰ হেঁপাহ যেন দেখি। মতাবোৰে একৰকম নাঙঠা হৈ থকাকৈ কাপোৰ-কানি পিন্ধে। কঁকালৰপৰা তল ছোৱাত 'লেংটি' এডালৰ দৰে মাৰি আগ ফালে এবেগেত মান বহলৰ এডোখৰ কাপোৰ ওলোমাই দৈ কোনোমতে লাজৰ হাত সাৰি থাকে। কঁকালত আঁটি আঁটি কেৰা পাকো দি বেত মাৰি থয়; কলাকুলতো সেই দৰে বেত মাৰে; গাত হাত-নাইকীয়া বুকু-ফলা এটা মেটেকা-বৰণৰ দীঘল চোলা পিন্ধে, মূৰত তাহাঁতে নিজ হাতে কৰা বেতৰ ডাঠ গাঠনিৰে মাজখন ওখ দুই কাষ পৰা আৰু মুখৰ ফালতকৈ পাছ ফাললৈ ঠেক আৰু এমূৰে জন্তুৰ চাইডালমান কলা ফান্দ লগোৱা বৰ গধুৰ এটা টুপি নিপিন্ধাকৈ কেতিয়াও ঘৰৰ বাজ নহয়। কান্ধত উদৰ বা পৰ্ব্বতীয়া বান্দৰৰ নোম থকা ছালৰ এটা জোলোঙা ওলোমাই লয়, তাৰ লগতে সৰু এখন ফাঁকত সুমুৱা দা বন্ধা থাকে।

জোলোঙাৰ লগত এটা 'টিভিৰি' অৰ্থাৎ জুই উলিয়াবলৈ এডোখৰ চেপেটা ৩।৪ আঙ্গুলি দীঘল লো আৰু এটা চালৰ অকণিমান মোনা সদায় ওলোমা থাকে। কাণত ডাঙৰ বিন্ধা কৰি কাঠৰ বা বাঁহৰ চকৰিৰ নিচিনা এবিধ অলঙ্কাৰ সুমাই বান্ধে। যেয়ে যিমান ডাঙৰ চকৰি ভৰাব পাৰে তাহাঁতৰ মানত সেয়ে সিমান দেখবলৈ ধুনীয়া হয়। এই দৰে কাণৰ ফুটা বহাওঁতে বহাওঁতে কোনোৰ কাণেই ছিগি যায়।

## বেহা-বেপাৰ।

মিছিমিহঁতে সদায় বেহা-বেপাৰ কৰি ফুৰে। সদিয়ালৈ আহি ইহঁতক নানান লাগতিয়াল বস্তু বেচা-কিনা কৰা দেখা যায়। বেবেজীয়া-ইতবে বহুত ওপৰলৈ থকা কিছুমানে দিগাৰুহঁতৰ লগত মৌসিটা কস্তৰী ইত্যাদি বস্তু দি তিব্বতৰ এক ৰকম 'চিক্ৰা দা' নামৰ বৰ চোকা তৰোৱাল লয়। ইহঁতে পেদেং আবৰৰ লগত একো কাৰবাৰ নকৰে। চুলিকটাবোৰে হলে ওবেও পেদেংহঁতৰ লগত চিক্ৰা দা, হৰেক ৰঙৰ ককালত পিন্ধা কাপোৰকানি, মিছিমি হোৰা, দাক্বি (এবিধ তিব্বতত কৰা ডাঠ কাঁহী) ইত্যাদি বস্তু সলাই কাৰবাৰ কৰি থাকে। 'দাক্বি' একো-খনৰ দাম ১০৲ টকাৰপৰা ৩০৲ টকালৈকে হয়। চহকী নহলে পেদেং হতঁৰ এনে একোখন দাক্বি থকা অসম্ভৱ। দাক্বিৰ একে ধাতুৰে 'বৈয়প' বোলা এবিধ অলঙ্কাৰ কৰে। এই অলঙ্কাৰ আবৰহঁতৰ আটাইবোৰ উলিয়াই-নিদিয়া গাভৰু ছোৱালীয়ে কাণত ডাঙৰ ফুটা কৰি অতি হেপা-হেৰে পিন্ধে। এইবোৰ বস্তু মেঠোন আৰু গাহৰী পোৱালি দি সলাই লয়। আবৰহঁতে বং কেনেকৈ কৰে সমুলি নেজানে। সেই কাৰণে মিছিমিহঁতৰপৰা ৰঙচঙীয়া পিন্ধা কাপোৰ আৰু দীঘল দীঘল চোলা কিনি লয়। কিছুমান চুলিকটাই মিছিমি-তিতাৰ খেতি কৰে। তিব্বত-তত মিছিমি তিতাৰ আদৰ বৰ বেছি। মিছিমিহঁতে এই তিতা, বাঘৰ, পহুৰ, উদৰ আৰু আন আন বনৰীয়া জন্তুৰ ছাল দি লামাহঁতৰপৰা চিক্ৰা দা, হিলৈ, খাৰ বাৰুদ আৰু টুপি আনে। মিছিমিতিতা, উদৰ আৰু পৰ্ব্বতীয় এবিধ বান্দৰৰ নোম থকা আৰু নেজ লগা ধুনীয়া ধুনীয়া



হলো টুপি আৰু মোনা, টাকিন শিং, কস্তুৰী, মৌসিটা আৰু ভালেমান নানাতৰহৰ বহুমূলীয়া আৰু আৱশ্যকীয় বস্তু মিছিমিহঁতে শাৰকালি অৰ্থাৎ পুহ মাঘ মহীয়া সদিয়াত আৰু চৈখোৱা হাটত আনি বেচাহি দেখা যায়। টাকিন এজাত পহু। ইয়াৰ শিং মহৰ শিঙৰ নিচিনাই, সেইয়ে জানিবা বৰ কলা আৰু খোৰ-খোৰা। এনেকুৱা একোটা শিঙৰ দাম ১০।১৫ টকা কৰে। কস্তুৰী একোটাৰ দাম ৫ টকাৰপৰা ২০।২৫ টকালৈকে হয়। একোটা কস্তুৰীৰ ওজনত এতোলা ডেৰতোলা, কাচিৎহে দুতোলা হয়। মিছিমিতিতা নাম-নিমিত দামতে বহুত পোৱা যায়। এই তিতা নৰব-জাতিত লাগে। তিব্বতত ইয়াৰে বোলে ৰং কৰে। বৰগছ কাটি ৰবৰ উলিৱাত ইহঁত ওস্তাদ। ইহঁতে যেতিয়া আগত পোহাৰ লৈ কেঞাহঁতৰ লগত বস্তু মোলাই আৰু দাম-দৰ কৰে তেতিয়া বৰ ৰং ওলায়। এজন চাহাবে লিখিছে "It was very interesting to watch the barter that took place between these suspicious and excitable savages and the cool wily traders of the plains. The former took salt chiefly in exchange for the commodities they brought down and they would not submit to its being measured or weighed out to them by any known process. Seated in front of the traders stall, they cautiously take from a wellguarded basket one of the articles they wish to exchange. Of this they still retain a hold with their toe or their knee as they plunge two dirty paws into the bright white salt. They make an attempt to transfer all they can grasp to their own basket, but the trader, with a sweep of his hand knocks off half the quantity and the e is a fiery altercation, which is generally terminated by a concession on the part of the trader of a few additional pinches." এতিয়া আৰু এই দৰে বেচা কিনা কৰিব নোৱাৰে। মিছিমিয়ে লগত অনা সকলো বস্তু এটাও মাত নমতাকৈ এজন ইংৰাজ কৰ্ম্মচাৰীৰ হাতত শোধাই দিব লাগিব। সেই কৰ্ম্মচাৰীজনে তেতিয়া

বজাৰলৈ আনি সেই বস্তবোৰ নিলাম কৰে। যাৰে বেছি ডাক উঠে তাকে দিয়ে। সেই দৰে উঠা টকাৰ শতকৰা ১০ টকা কাটি বাকি-খিনি মিছিমিটোক দিব লাভ হল লোকচান হল তাৰ কপাল!

The progress of the hillmen is impeded at every step. He is not allowed to deal with any goods directly with any Marwary trader. He must surrender all his stock in trade to an officer specially authorized who will offer them for sale in a public auction. The highest bidders are required to pay their bid money then and there in full, 10 P. C. of which goes to the Bazar Fund and the propritors getting the balance. On account of this, it is suspected several Marwari shops are languishing -Times of Assam, June 1914.

ওচৰচুবুৰীয়া আৰু নীতি-কাষৰীয়া দেশৰ আৰু মানুহ-দুমুহৰ-লগত কৰা বেপাৰ-বাণিজ্যৰ সম্বন্ধে ১৯১৪—১৫ চনৰ চৰ্কাৰী ৰিৰ্পটত লেখিছে :—

"• • The import trade with the Abor Mishmi and other tribes expanded from Rs. 63,088 to Rs 81,525. Mishmi "tita" a kind of dye is mainly responsible for this increase. The value of this commodity increased from Rs 8,527 to Rupees 30,120; there was keen competition for its purchase, a Parsi firm at Sadiya being the largest buyer. Imports of rice and wax also expanded, but the trade in musk (Mishmi) fell somewhat. The export trade as a whole decreased by about Rs 9,000. No taxes are known to have been levied by any foreign tribe crossing the British frontier. Ten percent ad valorem in addition to Royalty is realized on musk, wax and Mishmi "tita" at Sadia."

মিছিমিবোৰে আৰু আৰু ধপাত খেতিৰ বাহিৰে অইন খেতি কৰিব নেজানে। পেটে ভাতে আৰু জোল ভাত দি থাকিব পাৰিলেই সিইঁতৰ হয়। বেছি ধন বা বস্তলৈ ইহঁতে অলপো মন নকৰে। আবকালি



ভৈয়ামলৈ নামি আহি দিহিঙে-দিপাঙে ফুৰি যি বস্ত-বেহানি গোটায় তাৰেই ইকিমাহ খায়। অকল মঙহ খায়েই ইহঁত থাকিব পাৰে, হাতীৰ মঙহো নেৰে। শুকান মাছ আৰু বৰছা চাউল ইহঁতৰ প্ৰধান খাদ্য। মিছিমিবোৰে চাউলৰ মদ খায়, মাইকীবোৰ কিন্তু মদ খোৱাত আসক্ত নহয়। সকলো কথাতে মিছিমি মাইকীবোৰক আচল ঘৰ-ধৰা মাইকী বুলিব পাৰি।

---

# ববৰুৱাৰ চিন্তাৰ ঢৌ।

( ৰূপাবৰ বৰুৱা আৰু প্ৰিয়দৰ্শণ শৰ্ম্মণঃ )

প্ৰিয়দৰ্শন। ববৰুৱাই দেখোন সুৰ ধৰিবৰ লাগিছে?

ৰূপাবৰ। ( বেছিকৈ ডপৰাই সুৰ ধৰি গায় ) "ঢৌগণ নাচে যেন অগাধ গম্ভীৰ॥"

প্ৰিয়দৰ্শন। সুৰ ধৰিবা বাদ দিল হে দেখোন! কিনো ঢৌৱে নাচিলে?

ৰূপাবৰ। চিন্তাৰ ঢৌৱে।

প্ৰিয়দৰ্শন। ঢৌৱে মোক উটাই নিবৰ ভয় নাথাকিলে, কি চিন্তাৰ ঢৌ বুলি সুধিব পাৰোঁ নে?

ৰূপাবৰ। পাৰা। শুনা।—কালি পুৱা মই মোৰ বঙ্গালী বন্ধু এজনৰ ঘৰত শৰাধ খাবলৈ গৈছিলোঁ। বন্ধুজনৰ মাকৰ আদ্যশ্ৰাদ্ধ। আমাৰ দেশৰ শৰাধ আৰু বঙ্গদেশৰ শৰাধৰ কিছু পাৰ্থক্য আছে। আমাৰ দেশত শৰাধৰ দিনাই সকলো কাৰ্য্য, গিয়াতালিৰ বাহিৰে, ওৰ পৰে, বঙ্গদেশত নপৰে। বঙ্গদেশত শৰাধৰ দিনা সভা হয়, যাক "সভাধিৰোহণ" বোলে। তাৰ পিছ দিনা "ব্ৰাহ্মণাদি ভোজন" হয়; আৰু তৃতীয় দিনা "নিয়ম ভঙ্গ" হয়। কালি মোৰ বন্ধুৰ ঘৰত "সভাধিৰোহণ" হৈছিল। সেই সভাত দস্তৰমতে কীৰ্ত্তনীয়াসকলৰ কীৰ্ত্তন হৈছিল, আৰু নিমন্ত্ৰিত সভাসদসকলে তাত বহি সভাৰ শোভাবৰ্দ্ধন কৰি সেই কীৰ্ত্তন শুনিছিল। মইয়ো গৈ সেই সভাতে

বহিলোঁ। আমাৰ ওজা পালীয়ে ওজা গোৱাদি কীৰ্ত্তনীয়াসকলে কীৰ্ত্তন গাইছিল। দুটা খুলীয়া, এটা ওজা, আৰু দহোটামান পালী। সভাত খাল এখন পতা আছিল। ওজাটোৱে সভাসদসকলৰ ওচৰে ওচৰে ঘূৰি ঘূৰি একোফাকি গানৰ কথাৰ হাকুটি লগাই সভাসদসকলৰ প্ৰত্যেকজনৰ গাত লগাকৈ হাতেৰে জোকাৰি টানি, একোটকাকৈ ৰূপ পাৰি লৈ গৈ সেই খালত পেলাইছিল। গীত হৈছিল ৰাধাৰ কৃষ্ণবিৰহ। ওজাজনে এটি সুন্দৰ গীত ধৰিলে। গীতটি পুৰণি বৈষ্ণৱ কবিৰ—সকলোৰে জনা এই গীতটি—"মৰিব মৰিব সখি নিশ্চয় মৰিব।" গীতটি আৰম্ভ হলত মোৰ মনত বৰ ভাল লাগিল; কাৰণ গীতটি বৰ সুন্দৰ, বৰ মনোৰম, আৰু তাৰ ভাবটি অতি সুমধুৰ। তাৰ উপৰি আৰু এটিকটা কাৰণ আছিল, বিশ্বাসতেহে তাক কব পাৰি। অৱশ্যে বৰবৰুৱাৰ পাঠকসকল তেওঁৰ নিশ্চয় বিশ্বাসৰ পাত্ৰ; আৰু তেওঁলোকে বিশ্বাসভঙ্গুৰ নকৰে বুলি বৰবৰুৱাই জানে; সেইদেখি কওঁ যে মোৰ মনত ভাব পেলাইছিল,—ওজাটোও যেতিয়া মৰিবলৈ নিজেই বাজলৈ ওলাইছে আৰু শীঘ্ৰে, নিশ্চয় বৰবৰুৱাৰ সুকপালত আকৌ এটা নূতন বিধৰ শ্ৰাদ্ধ-সূৰ্য্য উদয় হবৰ আগন্তুক হৈছে! যিহওক, ওজাটোৱে এক মিনিটৰ পিছতে আদ্‌ভঙা মাতেৰে ইমান চিঞৰ লগাই "মৰিব" মৰিব" কৰিবলৈ ধৰিলে যে তাৰ কৰিত-কৰিত সোপাই ওলাই গৈ সি পেটু-কঢ়া নাৰমাছটো যেন হল! তাৰ ওপৰত "মৰিব"—"মৰিব"—"সখি নিশ্চয় মৰিব" এইকেষাৰ কথা লৈ ওজাই খাদ নিখাদ পঞ্চম মধ্যম সুৰেৰে, ৰৌদ্ৰ, ভয় আৰু কৰুণ, নিকৰুণ, ডাঠ, পাতল ৰসেৰে, হাতবাউলি, বজ্ৰমুষ্টি, বৃদ্ধাঙ্গুষ্ঠি প্ৰভৃতি চিত্ৰ বিচিত্ৰ আঙ্গিভঙ্গিৰে এনেকৈ চৌষষ্ঠী-আৰু-এক বিধৰ বিধ বিবিধ মুদ্ৰাৰে ভাও দি "মৰিব" "মৰিব" কৰিবলৈ ধৰিলে যে মই মোৰ অন্তৰত পৰা গোসাঁইক মনতে কৰযোৰকৈ খাটিবলৈ ধৰিলোঁ যে "হে প্ৰভু! ইয়াক মাৰি নিয়া!! ই মৰিলেই ভাল ইয়াক মাৰি নি, বিদ্যাপতি আৰু গোবিন্দ দাসৰ গানটো ৰক্ষা কৰা মোৰ প্ৰভু! আৰু লগতে আমি শ্ৰোতাসকলকো ৰক্ষা কৰা, হে মধুসূদন! হে কেশীকংসনিসূদন! হে অঘ-বক-চাণুৰ-কুবলয় বিনাশন!" কিন্তু মোৰ প্ৰাৰ্থনাসতে কাৰ্য্যৰ প্ৰতিবন্ধকটো তেতিয়াই মোৰ চকুত পৰিল,—গাঁঠি দি বৰকৈ জৰীডাল টানি থাকিলে, জৰীডাল ছিগি



যায়; বৰকৈ জাল দি মাছ ভাজি থাকিলে সি পুৰি ছাই হৈ যায়; বৰকৈ মেঘে গাজিলে বৰষুণ নহয়; ছাগলীয়ে বৰকৈ আগ ঠেং দুটা তুলি মূৰটো টোৰাঁই লৈ তাৰ প্ৰতিদ্বন্দ্বীৰ ফালে খুন্দা মাৰিবলৈ গলে সেই খুন্দা মাজতে "পানী কৃত্য" হৈ নাইকিয়া হয়; সেই দৰে এই ওজাৰ "মৰিব" "মৰিব"ৰ যেতিয়া তমক ছবি আহিবলৈ ধৰিলে, তেতিয়াই মই বুজি উঠিলোঁ যে "আৰ হলনা।" এই মৰণ এতিয়াই গৈ "অজাযুদ্ধে ঋষিশ্ৰাদ্ধে প্ৰভাতে মেঘাড়ম্বৰেত" অৱতৰণ কৰিব। কবলৈ পাহৰিছোঁ যে, ওজাটোৰ পিচফালে প্ৰায় দহোটা পালী। ওজাই "মৰিব" "মৰিব" বুলি চিঞৰি চিঞৰি সুৰ ধৰি গাই ভাগৰিলেই পিছৰ দহোটাই গাইপতি একোবাৰকৈ খাদ, নিখাদ, জলদ-গম্ভীৰ, সপ্তম, পঞ্চম আৰু ৰাজহাঁহ পাতিহাঁহৰ সুৰেৰে "মৰিব মৰিব সখি নিশ্চয় মৰিব" কৈ গীত কৰি কটা ঘাত চেঙা তেল দিছিল, আৰু দুফালে খুলীয়া দুটাইও খোলত একোটা কাণ-ফটা চাপৰ দি আৰু ভৰিৰে মাটিত গোবোহনি একোটা মাৰি তাত কলা-খাদ প্ৰদান কৰাত ত্ৰুটী নকৰিছিল। মই আপোন-মনে আদ্‌ফুটাকৈ কবলৈ ধৰিলোঁ। "আৰে আৰ ফাজ্‌লামি ছাড়। তোমৰা যা মৰবে, বোঝা গেছে। বড় আশা কৰেছিলুম, আৰ ডজন খানেক এই ৰকম শ্ৰাদ্ধেৰ যোগাড় হবে, সব মাটি! বলি, বাপুহে, মৰতে হয় তো চট্ কৰে মৰে ফেল না কেন? বেশি আড়ম্বৰ কৰে বেশ সঙ্কল্প কৰলে কি মৰা যায়?" মই নৈৰাশ হৈ এই দৰে আপনাআপুনি কৈ থাকোঁতেই দেখিলোঁ, মোৰ আশঙ্কা কাৰ্য্যত পৰিণত হলেই, ওজাই গানটোৰ সিফাকি ধৰিলে—যাৰ মানে মোৰ আৰু মৰা নহল; কাৰণ মই মৰিলে মোৰ "কানু হেন গুণনিধি কাৰে দিয়ে যাব?" আকৌ ওজাই "মোৰ মৰা হল না" এই ফাকি ধৰি তাক কলা ফেনেকাদি ফেনেকিবলৈ ধৰিলে, আৰু পালীহঁতেও সেই ফেনেকাকে ফেনেকি আমাৰ ফালে সেইবোৰ ছটিয়াবলৈ ধৰিলে! মোৰ আৰু অসহ্য হৈ উঠিল। মই লাহেকৈ উঠি সভাখনৰ দুৱাৰখনৰ ফালে চাই লওঁ, লৈ ওজাটোক সম্বোধন কৰি, তাৰ কাষত ৰূপেৰে উপচি ছকা খালখনৰ ফালে তাক দেখুৱাই কলোঁ—"ওজাদেও! তুমি আমাক চমকৰিছিলা। তোমাৰ তো মৰা নহবেই, কাৰণ, সেইটো অসম্ভৱ তুমি মৰিলে তোমাৰ

গুণনিধি সেই ৰূপৰ থালখন তুমি কাৰ হাতত দি যাবা ?" এই বুলি কৈয়েই বিজুলীৰ বেগেৰে মই সভাৰপৰা ওলাই গুচি আহিলোঁ।

প্ৰিয়দৰ্শন। ডাঙ্গৰীয়াই পিছফালে চাইছিল নে ?

বৰবৰুৱা। মোৰ বৰ গৰজ পৰিছে নহয়

প্ৰিয়দৰ্শন। মোৰ সোধাৰ অভিপ্ৰায়—কোনোবা টেকেলা বা দৰৱানে ডাঙ্গৰীয়াৰ পিছ ধৰিছিল নে, সেইটো হে জানিব খুজিছিলোঁ।

বৰবৰুৱা। হচ্চ্! ক্ৰাইট্!! ক্ৰোৱেইট্!!!

ৰূপাবৰ।

---

# সৃষ্টিৰ পাতনি আৰু তাৰ ক্ৰমবিকাশ।

গুৱাহাটী একতা সভাত পঢ়া হৈছিল

( ১ )

জগতৰ নিৰ্ম্মাণকৌশল আৰু তাৰ ধ্বংস পুৰ্ব্বণ কালৰেপৰা অনুসন্ধিৎসু মাত্ৰৰেই চিন্তা আৰু কল্পনাৰ বিষয় হৈ আহিছে। সকলো দেশৰ ধৰ্ম্মশাস্ত্ৰ আৰু প্ৰবাদে এটা নহয় এটা উত্তৰ দিছেই দিছে। কিন্তু প্ৰত্যেকৰ মত বেলেগ বেলেগ হোৱাৰ নিমিত্তে আৰু কথাৰ প্ৰমাণ। তাৰ হোৱাৰ নিমিত্তে সেইবোৰ অনুমান প্ৰাকৃতিক তত্বৰ শ্ৰেণীৰপৰা আঁতৰাই কৰিব কল্পনা বুলি এৰাই থওঁত

আজিকালি বৈজ্ঞানিকসকলৰ জগৎসৃষ্টিৰ বিষয়ে যি মতামত তাকে কোৱা এই ৰচনাৰ উদ্দেশ্য। আগেয়ে কৈ থোৱা ভাল যে এই ৰচনাত কেৱল তেওঁলোকৰ সিদ্ধান্তবোৰ হে আছে, তাৰ প্ৰমাণবোৰ ইয়াত উল্লেখ কৰা হোৱা নাই।

তেওঁলোকে কয় যে এই ব্ৰহ্মাণ্ডখন পদাৰ্থৰ কেৱল ক্ৰমবিকাশ। এই ক্ৰমবিকাশৰ মূল হৈছে :—শক্তি স্থানান্তৰিত হোৱা। (Transferenc & Transformation of energy) আৰু কয় যে এই সৃজন ব্যাপাৰটো



মাথোন এটা পুৰণিকলীয়া ঘটনা নহয়। প্ৰাকৃতিক ঘটনাৰ (Phenomena) পুৰণি বা নতুন নাই। প্ৰতি ঘটনা হৈছিল, হৈছে, আৰু হবও। যি ঘটনা এই ঠাইত হোৱা নাই হয়তো সি আন ঠাইত হবলৈ ধৰিছে। এই সৌৰজগতে এতিয়া ডেকা অৱস্থা পাইছেহি। আৰু এঠাইত হয়তো এক জগৎ এতিয়াও কেচুৱা অৱস্থাতে আছে। আৰু কোনো বা এক জগৎ বাৰ্দ্ধক্য প্ৰাপ্ত হৈ লুপ্ত হবৰ উপক্ৰম হৈছে। এই বৃদ্ধ জগৎ হয়তো ধ্বংস হৈ সি পুনৰ এটা নতুন সৃষ্টিৰ পাতনি কৰিব। অৰ্থাৎ জগৎসৃষ্টিৰ আগো নাই গুৰিও নাই।

গোনেই ধৰক, এই অনন্ত শূন্যত মুঠতে কিছুমান জড়পদাৰ্থ আছে; আৰু কিছু পৰিমাণ শক্তি (Energy) তাৰ লগে লগে বিৰাজিত হৈ আছে। এই শক্তি জড়পদাৰ্থৰ ক্ৰীড়াতেহে বিকাশ পায়। পদাৰ্থশূন্য ঠাইত ইয়াৰ স্থিতি নাই আৰু বিকাশো নাই। এই ব্ৰহ্মাণ্ডৰ সমূহ শক্তিৰ উৎপন্নও নাই, বিকাশো নাই—ই অবিনশ্বৰ। এই শক্তিৰ ৰূপ পৰিবৰ্ত্তন আৰু স্থান পৰিবৰ্ত্তনৰ লগে লগে স্থুলজগতৰ ৰূপ আৰু গুণ উভয়ৰে পৰিবৰ্ত্তন হয়।

এটা সৰু উদাহৰণেৰে এই কথা বুজোৱা যাওক :—নাগ-মাটিত ৰাসায়নিক শক্তি প্ৰচ্ছন্নৰূপে সঞ্চিত হৈ আছে। এই শক্তি সূৰ্য্যৰপৰা পোৱা। যেতিয়া নাগমাটি পোৰা যায়, তেতিয়া তাপ-ৰূপ স্পন্দন শক্তিৰ উৎপাদন হয়। ৰাসায়নিক শক্তি তাপ শক্তিলৈ পৰিবৰ্ত্তিত হোৱাৰ লগে লগে নাগ-মাটিৰ ৰূপ পৰিবৰ্ত্তিত হল। এই তাপ এক পাত্ৰ পানীত প্ৰয়োগ কৰিলে কিছুমান স্পন্দনশক্তি পানীত গৈ অৱস্থিত হব। তাৰ ফল স্বৰূপে পানী জুলীয়া পদাৰ্থ গুচি বাষ্পলৈ পৰিবৰ্ত্তিত হল। এই বাষ্প পুনৰ পানী-ৰূপ পাবলৈ হলে বাষ্পত নিহিত তাপ শক্তি স্থানান্তৰিত কৰিব লাগিব। চেচা হোৱাৰ লগে লগে বাষ্পই পুনৰ জুলীয়া অৱস্থা পাবগৈ।

এতিয়া দেখা গল যে শক্তিৰ স্থানান্তৰ আৰু ৰূপান্তৰৰ লগে লগে পদাৰ্থৰ অৱস্থা পৰিবৰ্ত্তন হয়। আমি এই বাক্যৰ সূত্ৰ অৱলম্বন কৰিয়েই দেখিম যে কেনেকৈ মধ্যাকৰ্ষণ-সঞ্জাত শক্তিৰ ৰূপান্তৰ আৰু স্থানান্তৰৰপৰাই এই ব্ৰহ্মাণ্ডৰ পদাৰ্থপুঞ্জৰ ক্ৰমবিকাশ হৈ জগৎসৃষ্টি সম্পাদিত হৈছে।

জগৎ বৰ্ণন :—জগৎসৃষ্টিৰ বিষয়ে কিছু অনুমান কৰিব খুজিলে আগেয়ে আমি সৌৰজগৎ আৰু তাৰ বাহিৰৰ নক্ষত্ৰমণ্ডলী পাঠ কৰি লব লাগিব।

প্ৰথমেই আমাৰ সৌৰজগৎ। এই সৌৰজগৎ সূৰ্য্য, পৃথিৱী, শুক্ৰ, শনি, বৃহস্পতিকে আদি কৰি গ্ৰহ সমূহৰ,আৰু সোম বা চন্দ্ৰকে আদি কৰি উপগ্ৰহ সমূহৰ সমষ্টি। এই সৌৰজগতৰ গ্ৰহাদিৰ আকৃতি আৰু গতিবিধিৰ বিষয়ে আগেয়ে নানা মুনিৰ নানা মত আছিল; কিন্তু আজিকালিৰ পণ্ডিতসকলে বিশিষ্টৰূপে প্ৰমাণ কৰিছে যে সূৰ্য্য আৰু সকলো গ্ৰহ উপগ্ৰহ আদি গোলাকৃতি,—কাহাৰ নিচিনা চেপেটা নহয়। গ্ৰহবিলাকে সূৰ্য্যকে কেন্দ্ৰ কৰি চক্ৰাকৃতি পথত পৰিভ্ৰমণ কৰিছে আৰু উপগ্ৰহসমূহে নিজ নিজ গ্ৰহৰ চৌভিতি ঘূৰিব লাগিছে। এই বিষয়ে বেছি কোৱা বাহুল্য মাথোন। কেৱল কৈ থোৱা যাওক যে আমাৰ আঠ হেজাৰ মাইল ব্যাসৰ পৃথিৱী আমাৰ মনত বৰ ডাঙৰ হলেও সুৰ্য্যৰ চাপত অষ্টগ্ৰহ মণ্ডলীৰ মাজত ই কেৱল ষষ্ঠ স্থান অধিকাৰ কৰে। এতিয়া আমাৰ লাগতিয়াল বিশেষৰ উমুকিওৱা যাওক।

১) গোটেইবোৰ গ্ৰহ সূৰ্য্যকে কেন্দ্ৰ কৰি প্ৰায় বৃত্তাকাৰ পথত ঘূৰে। বিশেষ ভাবিবলগীয়া কথা যে সিইঁত সূৰ্য্যেৰে সৈতে একে সমতলতে ঘূৰে, উপগ্ৰহবোৰো গ্ৰহপথৰ একে সমতলতে ঘূৰে। কেৱল উৰেণাচৰ উপ-গ্ৰহটোত এই কথা নাখাটে।

(২) দেখা গৈছে, সকলো গ্ৰহে সূৰ্য্যক একে পিনে প্ৰদক্ষিণ কৰে। আৰু এটা আচৰিত কথা যে সূৰ্য্যৰ গাৰ কলঙ্কবোৰ গ্ৰহসমূহ যি পিনে ঘূৰে সেই পিনেই ঘূৰে। ইয়াৰপৰা আমি অনুমান কৰিব পাৰোঁ যে সূৰ্য্যও গ্ৰহবিলাকৰ লগে লগে নিজৰ মেৰুদণ্ডৰ চাৰিও পিনে ঘূৰিব লাগিছে। আলোক বিশ্লেষণ যন্ত্ৰ (spectroscope) সহায়েৰেও প্ৰমাণিত হৈছে যে সূৰ্য্যয়ো গ্ৰহবিলাকৰ লগত একে পিনে ঘূৰিব লাগিছে। ঠিক যেন সমুদয় সৌৰজগৎ লৈ এটা ঘূৰ্ণীপাক চলিব লাগিছে।

গ্ৰহবিলাক কেৱল ঘূৰিছে এই বুলি শুনি কোনোবাই ভাবিব পাৰে যে সিইঁত পৃথিৱীৰ গাত কেতিয়াও নপৰেহি নে? কিন্তু এতিয়া দেখা গল যে গ্ৰহবিলাক ঐক-কেন্দ্ৰিক বৃত্তত (concentric circles) ঘূৰাৰ নিমিত্তে সেই ভয় নাই।

ওপৰত লিখা আকাশী ঘটনাৰ দুটা ঘৰুৱা উদাহৰণ দিয়া যাওক। এই দুটা উদাহৰণৰ আৰু ওপৰত লিখা ঘটনাৰ বিশেষ সামঞ্জস্য আছে।



(১) দুটা শিলগুটি দুডাল অসমান পোলেৰে বান্ধি একেটা হাতেৰে ঘূৰাই দিলে দেখা যাব যে দুয়োটা গুটি হাতকে কেন্দ্ৰ কৰি চক্ৰাকৃতি পথত একে পিনেই আৰু একে সমতলতে ঘূৰিব ধৰিছে।

(২) নদীত এটা ডাঙৰ চাকনৈয়া হলে তাত আৰু অনেক সৰু সৰু চাকনৈয়া উৎপন্ন হয়। প্ৰত্যেক সৰু সৰু চাকনৈয়া প্ৰধান চাকনৈয়াটোৰ কেন্দ্ৰকে কেন্দ্ৰ কৰি একেপিনে পানীৰ লগত ঘূৰিবলৈ ধৰে। ইয়াত তিনিটা চাবলগীয়া কথা আছে।

(ক) প্ৰধান চাকনৈয়াৰ মধ্যভাগ যি পিনে ঘূৰে, সৰু সৰু চাকনৈয়া-বোৰো সেই পিনেই ঘূৰে। সৌৰজগতত সূৰ্য্য নিজৰ মেৰুদণ্ডৰ যি পিনে ঘূৰে গ্ৰহবিলাকো সেই পিনেই ঘূৰে।

(খ) প্ৰত্যেক সৰু সৰু চাকনৈয়াই নিজৰ কেন্দ্ৰৰ চৌভিতি ঘূৰে। প্ৰত্যেক গ্ৰহ নিজৰ উপগ্ৰহেৰে সৈতে নিজে মেৰুদণ্ডৰ চৌভিতি ঘূৰে।

(গ) আৰু সৰু বৰ গোটেইবোৰ চাকনৈয়া একে সমতলতে ঘূৰে। সৌৰ জগতত গ্ৰহসমূহ সূৰ্য্যেৰে সৈতে একে সমতলতে ঘূৰে।

শনি গ্ৰহৰ বিষয়ে বিশেষকৈ আলোচিব লগা হৈছে। দেৱতা শনিৰো চকুত এটা আবৰণ আছিল। গ্ৰহ শনিৰো আঙঠিৰ নিচিনা এটা আবৰণ আছে। ই পথালি ভাঁজে চেপেটা আঙঠি; আৰু শনি গ্ৰহৰ বিষুৱ ৰেখাৰ ওপৰত অৱস্থিত। আজিকালিৰ বৈজ্ঞানিকসকলৰ মতে এই আঙঠিটো অসংখ্য সৰু সৰু গ্ৰহৰ সমষ্টি। আলোক-বিশ্লেষণ যন্ত্ৰৰ সাহায্যেৰে জনা যায় যে শনিগ্ৰহ নিজ মেৰুদণ্ডৰ চাৰিও পিনে ঘূৰাৰ লগে লগে আঙঠিটোও ঘূৰিব লাগিছে। ঠিক যেন শনি গ্ৰহ গাড়ীৰ চকৰিৰ মাজৰ কাঠৰ ডিলাটোহে; আৰু ইয়াৰ আঙঠি জানিবা ওপৰৰ চকৰিটো। কিন্তু জানিবা ডিলাটো চকৰিটোতকৈ খৰকৈ ঘূৰে।

এতিয়া ভাবি চোৱা যাওক এইবিলাক হোৱাৰ মূল কি? যি দেখা গল তাৰপৰা বুজা যায় যে সম্ভৱতঃ পানীৰ পাকৰ নিচিনা এই সৌৰ জগতত কিবা এটা ঘটিছিল; যেনে এটা জড় পিণ্ড কুমাৰৰ চাকৰ নিচিনা ঘূৰিবলৈ ধৰিছিল। কিন্তু কেনেকৈ মূঠতে এটা বস্তু গুচি টুকুৰাটুকুৰ হৈ গ্ৰহ উপগ্ৰহৰ সৃষ্টি হল তাক বুজিব পৰা নগল। এতিয়া এটা পৰীক্ষা

কৰি দেখা যাওক। চাওঁচোন আমি এটা সৌৰজগৎ তৈয়াৰ কৰিব পাৰোঁ নে নোৱাৰোঁ।

তেল পানীত ভাহে ; কিন্তু মদ Alcohol বা Methylated Spirit পানীত মিহলাই তেলৰ ঘনত্ব আৰু পানীৰ ঘনত্ব একে কৰিব পাৰি। এতিয়া যদি ডাঙৰ এটোপা তেল পানীৰ মাজত সুমাই দিয়া যায় সি যতে থোৱা যায় ততে থাকিব। দেখা যাব যে তেলটোপা নিজৰ পৰমাণুবোৰৰ আকৰ্ষণত গোলাকৃতি হৈ পৰিছে। এতিয়া যদি সন্তৰ্পণে এডাল লোৰ শলা সৰু ভাবে পানীত ডুবুৰিয়াই তেলটোপাৰ মাজত সুমাই দিয়া যায় আৰু লাহে লাহে শলাডাল ঘূৰোৱা যায় তেনেহলে তেলটোপাও পানীৰ মাজত ঘূৰিবলৈ ধৰিব। ঘূৰোৱাৰ বেগ বেছি কৰিলে তেলটোপা বেগৰ কোৰত চেপেটা হৈ পৰিব আৰু মেৰু দুটা কাষ চাপি আহিব। যদি সাৱধানে কৰা যায় তেনেহলে বেছি বেগ হলে তেলৰে আংঠি এটা শলা ডালৰপৰা থবি আহিব ; আৰু শলাডালত লাগি থকা তেলখিনিৰ চাৰিও ফালে শনিগ্ৰহৰ আঙঠিটোৰ নিচিনা ঘূৰিবলৈ ধৰিব। এই অৱস্থাত যদি কোনো কাৰণ বশতঃ আঙঠিটোৰ এঠাইত ছিগি যায় তেনেহলে আঙঠিটো কোঁচ খাই আহি গোলাকাৰ তেল এটোপা হৈ শলাৰ চাৰিও ফালে ঘূৰিবলৈ ধৰিব। সূৰ্য্যৰ চাৰিওফালে গ্ৰহবোৰ ঘূৰিছে। তেনেহলে আমি সৌৰজগতক পানীৰ চাকনৈয়া যেন বুলি ভাবিব পাৰোঁ, যদিহে সৌৰ-জগতৰ গোটেইবিলাক পদাৰ্থ এসময়ত জুলীয়া আছিল বুলি প্ৰমাণ কৰিব পাৰোঁ। কিন্তু কথা, পৃথিবীৰ মাটি দেখোন বৰ টান ; আৰু চন্দ্ৰটোও দেখোন টান বস্তু যেন দেখি! কিন্তু এটা কথা, সূৰ্য্য যিমান উত্তপ্ত তাৰ পদাৰ্থবোৰ গোটা বা জুলীয়া অৱস্থাত থকা দূৰৈৰ কথা একেবাৰে বাষ্পীভূত হৈ আছে। সৰু সৰু গ্ৰহ উপগ্ৰহবোৰ চেঁচা আৰু কঠিন সঁচা ; কিন্তু বৃহস্পতি আৰু আন আন বৃহৎ শৰীৰি গ্ৰহকেইটা তেনে নহয়। আন কি বৃহস্পতি গ্ৰহৰ তাপ ইমান বেছি যে তাৰ আকাশ ধাতবীয় বাষ্পেৰে পৰিপূৰ্ণ আৰু ভিতৰৰ সাহডোখৰ তেনেই জুলীয়া। পৃথিবীৰ ওপৰ ডোখৰ হে ঠাণ্ডা, তললৈ কিন্তু তপত। আৰু তললৈ যি অনুপাতে তাপ বাঢ়ি যোৱা দেখা গৈছে, সেই হিচাপে হলে পৃথিবীৰ কেন্দ্ৰত ইমান



তাপ হব যে কোনো বস্তুৱেই তাত গোটা অৱস্থাত থাকিব নোৱাৰে, এটাইবোৰ জুলীয়া হব লাগিব। ( অৱশ্যে পৃথিবীৰ ওপৰৰ হেঁচাই ভিতৰত গোট মৰাৰ বিশেষ সহায়তা কৰিব )। কোনো ২ বৈজ্ঞানিকৰ বিশ্বাস যে পৃথিবীৰ গৰ্ভ তেনেই জুলীয়া ; ওপৰৰ এইখন পাতল চামনি হে। এই কাৰণে তেওঁলোকে কয় যে মাটিৰ তলৰপৰা তপত পানী আৰু ভাপ ওলায় আৰু আগ্নেয়গিৰিবো সৃষ্টি হয়।

ভূমিকম্পবো কাৰণ ইয়াতেই হে। কাজেই আগেয়ে যে গ্ৰহ উপগ্ৰহ বিলাক জুলীয়া অৱস্থাত আছিল এইটো ভবা বৰ টান কথা নহয়। আলোক বিশ্লেষণ যন্ত্ৰৰ সাহায্যেৰে নক্ষত্ৰ আদিক পৰীক্ষা কৰি এই সিদ্ধান্ত পোৱা গৈছে।

আৰু এটা কথা ; যদিহে সূৰ্য্য আৰু গ্ৰহ উপগ্ৰহবিলাক একে পদাৰ্থ পিণ্ডৰপৰা উৎপন্ন হৈছিল,—অৰ্থাৎ যদিহে গ্ৰহ উপগ্ৰহবিলাক সূৰ্য্যেৰে সৈতে একে জাতি ভাই—তেনেহলে নিশ্চয় প্ৰত্যেক গ্ৰহ উপগ্ৰহ আৰু সূৰ্য্য একে পদাৰ্থেৰে বিনিৰ্ম্মিত হব লাগিব। আকৌ আমি এই বিষয় মীমাংসা কৰিবলৈ আলোক-বিশ্লেষণ যন্ত্ৰৰ সাহায্য লব লাগিব। এই যন্ত্ৰৰ দ্বাৰাই প্ৰমাণিত হৈছে যে পৃথিবীত যি যি পদাৰ্থ আছে সূৰ্য্যতো সেই সেই পদাৰ্থ আছে। আন আন গ্ৰহত কি কি পদাৰ্থ আছে তাক বাহিৰ কৰা টান। কিন্তু গ্ৰহবিলাকো যে পৃথিবী আৰু সূৰ্য্যত থকা পদাৰ্থেৰে বিনিৰ্ম্মিত তাত বিশেষ কোনো সন্দেহ নাই।

আমি এতিয়া আমাৰ সূৰ্য্যমণ্ডলৰপৰা তাৰকামণ্ডলীলৈ যাওঁহক। আমি শুদা চকুৰে চাবলৈ গলে কেৱল আকাশখন অসংখ্য জ্যোতিবিন্দুৰে পৰিপূৰ্ণ দেখোঁ। এই উজ্জ্বল বিন্দুবিলাক কি? সকলোতকৈ বৃহত্তম দূৰবীক্ষণৰ সাহায্যেৰে চালেও এই তৰাবিলাক বিন্দুতকৈ অলপো ডাঙৰ নেদেখি। তেনেহলে ইহঁত বাস্তৱিকতে আকাশৰ গাত লাগি থকা বিন্দু মাত্ৰ, নাইবা কোনো স্থুল শৰীৰি অত্যুজ্জ্বল পদাৰ্থপুঞ্জ। বহুত দূৰত অৱস্থিত থকাৰ গুণে ইহঁতক এনে বিন্দুবৎ দেখা যায়। কিন্তু যন্ত্ৰৰ সাহায্যেৰে জুখি চোৱা গৈছে যে কিছুমান তৰা সূৰ্য্যমণ্ডলৰ দূৰতম গ্ৰহতকৈও লক্ষ লক্ষ গুণ দূৰত অৱস্থিত ; আৰু আনবিলাকৰ দূৰত্ব ইমান

বেছি যে সি জোখৰ অতীত। কিন্তু ইমান দূৰত থকা সত্ত্বেও সিহঁত উজ্জ্বল। তেন্তে এই উজ্জ্বল তৰাবিলাক নিশ্চয় বিন্দু নহয়। কিন্তু আমাৰ সূৰ্য্যৰ সমান বা তাতকৈও ডাঙৰ কোনো প্ৰজ্জ্বলিত পদাৰ্থপুঞ্জ। এই তৰাবিলাক সংখ্যাৰ অতীত। এতিয়া তৰাবিলাকৰ কিছুমান বিশেষত্ব বৰ্ণোৱা যাওক। যদিও এই তাৰকামণ্ডলী অতি বিশৃঙ্খল ভাৱে থকা দেখা যায় তথাপি বহুত ঠাইত সিহঁতে বিশেষ নিয়ম মানি চলে। আকাশৰ কোনো অংশত তৰাৰ জাক এনেকুৱা ভাৱে আছে যে সিহঁতৰ কোনো বিশেষ পাৰস্পৰিক সম্বন্ধ আছে বুলি বিশ্বাস হয়।

যুগ্মতৰা:—কোনো কোনো তৰা দেখোঁতে এটা যেন দেখি কিন্তু ভাল দূৰবীক্ষণৰ সাহাযোৰে চালে দুটা বা তাতকৈ অধিক তৰাৰ সমষ্টি বুলি প্ৰতিপন্ন হয়। ইহঁত ইমান ওচৰাওচৰি হৈ থাকে যে ইয়াৰপৰা আমি দুটা সিদ্ধান্ত কৰিব পাৰোঁ। (ক) ইহঁত একেবাৰে ওচৰাওচৰি হৈ আছে, অৰ্থাৎ ইহঁত সৃষ্টিৰ সময়ত যুগ্ম হৈ উপজিছিল, বা (খ) ইহঁত আচলতে পৰস্পৰৰ বহুত দূৰত অৱস্থিত, কিন্তু আমাৰ একে দৃষ্টি-ৰেখাত অৱস্থিত হোৱাৰ কাৰণে আমি ইহঁতক আকাশমণ্ডলৰ একে ঠাইতে দেখোঁ। কিন্তু দেখা গৈছে যে কোনো কোনো যুগল তৰা আচলতে যুগ্ম, অৰ্থাৎ একে ঠাইত অৱস্থিত। কাৰণ, যন্ত্ৰৰ সাহাযোৰে দেখা গৈছে যে সিহঁত গতিশীল আৰু দুয়ো দুয়োৰে পিনে ঘূৰিব লাগিছে। বৈজ্ঞানিক সকলে দেখিব যে তৰা দুটা আচলতে যুগ্ম হলে ই অৱশ্যম্ভাবী। কাৰণ দুটা ওচৰাওচৰি বস্তু গতিবিহীন হলে মধ্যাকৰ্ষণৰ বলত ইটোৰ ওপৰত সিটো পৰিবহি।

বহুৰূপী তৰা:—ইয়াৰ বাহিৰে কেটামান বহুৰূপী তৰা আছে। সিহঁতৰ ৰশ্মিৰ প্ৰখৰতা বদলি হৈ থাকে। যেনে এল্‌গল্ (Algol) নামেৰে তৰাটো প্ৰথমে বৰ উজ্জ্বল দেখি; কিন্তু এই উজ্জ্বলতা দুদিনমান সমান ভাৱে থাকে। কিন্তু ইয়াৰ পিছত লাহে লাহে তাৰ তেজ কমি আহিবলৈ ধৰে। প্ৰায় ৩½ ঘণ্টা মানৰ পিছত ইয়াৰ জ্যোতি একেবাৰে নিস্তেজ হৈ পৰে। কিন্তু ২০ মিনিট মানৰ পিছত আকৌ তেজ বাঢ়িবলৈ ধৰে, আৰু ৩½ ঘণ্টা মানৰ পাছত আকৌ পূৰ্ণ-তেজী হৈ পৰে। এইদৰে



সদায় ঠিক একে সময়ৰ অন্তৰে অন্তৰে এই ঘটনা ঘটি থাকে। যদিও নজনাৰ পক্ষে ই বৰ আচৰিত বোধ হব পাৰে, কিন্তু ভাবিলে বুজা বৰ টান নহব। অতি সহজে বুজিবলৈ গলে আমি কব লাগিব যে কোনো জ্যোতিহীন জড়পিণ্ড সেই তৰাৰ চৌপাশে ঘূৰিব লাগিছে। যেন ঠিক দুটা যুগ্মতৰা। যেতিয়া সেই জ্যোতিহীন তৰাটো আমাৰ দৃষ্টি আৰু উজ্জ্বল তৰাটোৰ মাজত পৰে তেতিয়া সেই তৰাটোৱে জ্যোতিষ্কটোক সম্পূৰ্ণ কৈ বা আংশিক ৰূপে আমাৰ চকুৰপৰা ঢাকি পেলায়; সেই হেতু তৰাটোৰ জ্যোতি কমি যোৱা দেখোঁ। এই ক্ষেত্ৰত আমি সূৰ্য্য বা চন্দ্ৰগ্ৰহণৰ নিচিনা নক্ষত্ৰ-গ্ৰহণৰ নমুনা পাইছোঁ। এইবিলাকৰপৰা আমি কেটামান সিদ্ধান্ত পালোঁ:—

(১) যেনেকৈ আমাৰ সূৰ্য্যক বেঢ়ি গ্ৰহমণ্ডলী আছে তেনেকৈ নক্ষত্ৰবিলাকৰো নিজ নিজ গ্ৰহাদি আছে। কোনো কোনো ঠাইত দুটা বা তাতকৈ অধিক তৰাই সিহঁতৰ জড়-কেন্দ্ৰৰ চাৰিওপিনে ঘূৰিব লাগিছে। কিন্তু দুইবিধ ঘটনাত বাস্তৱিকতে একো পাৰ্থক্য নাই। আমাৰ বৃহস্পতি বা পৃথিবী খুব ডাঙৰ হৈ সূৰ্য্যৰ সমান হোৱা হলে দূৰৈৰ নক্ষত্ৰবাসীসকলে আমাৰ সৌৰজগতক যুগ্ম তৰাৰ সমষ্টি বুলিয়েহে কৈতেন।

(২) যেনেকৈ তাৰকামণ্ডলীৰ জ্যোতিষ্ক আছে, তেনেকৈ জ্যোতিহীন পদাৰ্থও আছে—অৰ্থাৎ কিছুমান তৰাই পোহৰ দিয়ে আৰু আনবিলাকে নিদিয়ে। এই কথাষাৰত আচৰিত হবৰ একো নাই। কাৰণ, যিবিলাক তৰা দেখা পাওঁ সিহঁতৰ ভিতৰতো কিছুমান খুব উজ্জ্বল আৰু কিছুমান খুব হীন-জ্যোতি। তেনেহলে নিৰ্জ্যোতি তৰাও যে আছে তাত আচৰিত কি? অৱশ্যে এই হীনজ্যোতি দূৰত্ব হেতু বা অল্পকায় হেতু হব পাৰে।

তেনেহলে আকাশমণ্ডলত ডেকা বা তেজবিশিষ্ট নক্ষত্ৰ আৰু বুঢ়া বা মৰা বা আলোকশূন্য তৰাও আছে। এটা প্ৰশ্ন—থাক, তেনেহলে শিশু তৰাও আছেনে? সংসাৰৰ জীৱজন্তুবিলাক যেনেকৈ জন্মিব লাগিছে আৰু মৰিব লাগিছে আৰু যেনেকৈ সংসাৰত এনেকুৱা এটা সময় নাই যেতিয়া জীৱজন্তু একে লগে উপজিছিল আৰু এনেকুৱাও সময় নাই যেতিয়া সিহঁত একেলগে মৰিব,—তেনেকুৱা তৰা বিলাকৰো নে? জগৎসৃষ্টিৰ আদিও নাই অন্তও নাই নে? জগৎসৃষ্টি আৰু তাৰ পতন চক্ৰবৎ পৰিবৰ্ত্তনশীল পৌন-

পৌনিক ঘটনাবলীয়েই নে ? এই এটাইবোৰ প্ৰশ্ন মানুহৰ মনত একে নিমিষত উপজিব পাৰে কিন্তু উত্তৰ দিবলৈ হলে বৰ সহজ নহয়।

আমি এতিয়া এই আকাশমণ্ডলত শিশু-জগৎ বিচাৰি পাও নে চাওঁ আহক। যেতিয়া আমি দূৰবীক্ষণ যন্ত্ৰেৰে আকাশমণ্ডল পুঙ্খানুপুঙ্খৰূপে পৰীক্ষা কৰোঁ তেতিয়া নক্ষত্ৰপুঞ্জৰ বাহিৰেও আৰু এক ৰকম পদাৰ্থ দেখিবলৈ পাওঁ। ইহঁতৰ কোনো তৰাৰ নিচিনা উজ্জ্বল বিন্দুৰ নিচিনা নেদেখি। কিন্তু তাতকৈ বহু দেশব্যাপী জ্যোতিপূৰ্ণ কুৰ্বলীৰ নিচিনা দেখি। এই কুৰ্বলীবোৰ বৈজ্ঞানিকসকলে বিশেষৰূপে পৰীক্ষা কৰি চাইছে। ইহঁতৰ আকৃতি বহুত ধৰণৰ, আৰু ইহঁতৰ মাজত সাধাৰণ তৰাও প্ৰোথিত হৈ থকা দেখা যায়। ইহঁতৰ পদাৰ্থ কি অৱস্থাত আছে, আলোক-বিশ্লেষণ যন্ত্ৰেৰে পৰীক্ষা কৰি দেখা গৈছে যে ইহঁত বাস্তৱিকতে কুৰ্বলীৰ নিচিনা বাষ্পময়। সেয়ে জানিবা পানীৰ বাষ্প নহয় জলজান বাষ্প (Hydrogen) আৰু যৱক্ষাৰ-জান বাষ্প (Nytrogen) আদিৰ সমষ্টি যেন দেখা যায়। ইহঁতক দেখিলে বোধ হয় যেন ইহঁত বিশেষ ধৰণৰ গতিবিশিষ্ট। যেন এটা আৱৰ্ত্তন হব লাগিছে, অৰ্থাৎ ঠিক যেন এটা চাকনৈয়াত পানী ঘুৰিব লাগিছে। ইহঁত গোলাকৃতি নহয়, কিন্তু কিছুদূৰ কাঁহীৰ নিচিনা চেপেটা। যদি এই বাষ্পবিলাক বাস্তৱিকতে চাকনৈয়াত ঘূৰিব লাগিছে ই চেপেটা হোৱা স্বাভাৱিক। ইহঁত যে চেপেটা আমি ইয়াৰপৰা বুজিব পাৰোঁ যে ইহঁতক দেখিবলৈ কোনো কোনোটো চক্ৰাকৃতি আৰু কোনো কোনোটো বৃত্তাভাস (Elliptical) আকৃতি, অৰ্থাৎ ডিম্বাকৃতি।—কাঁহীৰ নিচিনা চেপেটা বস্তুবোৰ বেকাভাৱে চালে ডিম্বাকৃতি আৰু পোনভাৱে চালে চক্ৰাকৃতি দেখা যায়।

কোনো কোনো বাষ্পসমূহৰ মাজ ডোখৰ বাষ্পময় উজ্জ্বল গোলক যেন দেখি, আৰু ইয়াকে বেঢ়ি বাষ্পৰে আঙঠি এটা থকা যেন দেখি। শনি গ্ৰহটো গোটা গুচি বাষ্পীয় হোৱা হলে সম্ভৱতঃ এই দৰৰ হলহেঁতেন। কোনো কোনো বাষ্পসমূহ আকৌ কুণ্ডলীকৃত অৱস্থাত থকা দেখা যায়,— ঠিক যেন ধূমকেতুৰ নেজডাল সাপৰ নিচিনা মেৰ খাই আছে। বাষ্পবিলাক আৱৰ্ত্তনবিশিষ্ট নহলে এইদৰে থাকিবৰ কোনো কাৰণ নাই। আৰু এটা কথা, বহুত বাষ্পপিণ্ডৰ মাজডোখৰ বেছি উজ্জ্বল দেখি। ইয়াৰপৰা আমি বুজিব পাৰোঁ যে মাজডোখৰ চাৰিওপিনৰ বাষ্পতকৈ ঘন। মধ্যাকৰ্ষণৰ গুণত ভাপবোৰ ক্ৰমান্বয়ে ঘন হৈ অহা স্বাভাৱিক। এই ক্ৰমান্বয়ে ঘন হৈ অহাটো এটা ভাবী নক্ষত্ৰৰ পূৰ্ব্বলক্ষণ। এই ভাপবোৰকে আমি নীহাৰিকা বোলোঁ।

শ্ৰীলক্ষ্মীনাথ দাস।